22. Will the Minister, Jails be pleased to state—

(a) Whether it is a fact that Government proposed to shift the Golaghat Jail from the present site to another suitable site in the year 1957-58 ?

(b) Whether it is also a fact that the Government selected a plot of land for the purpose ?

(c) The reasons for delay in implementing the decision ?

(d) Whether Government propose to expedite the construction of the Jail in this financial year ?

Shri Mahendra Nath Hazarika (Minister, Jails) replied :

22. (a) Yes.

(b) Yes, as area measuring 29B—3K—11L.

(c) Delay is due to the fact that the Jail Department could take possession of only 19B—3K—11L out of total allotted area measuring 29B=3K—11K as 10B is under the encroachment of one Shri Bhog Ch. Baruah and without which Public Works Department can not prepare necessary plan and estimates required for the purpose. Shri Baruah has been evicted by the Subdivision Officer from occupation but subsequently filed a title suit in the court of Munsiff, Golaghat who has issued temporay injunction and has not lifted the same

till now.

(d) Does not arise in view of (c) above.

Re : MEDICAL BENEFIT TO L. P. SCHOOL TEACHERS

Shri Jalaluddin Ahmed asked :

23. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that all third grade and fourth grade employees are entitled to get medical benefit ?

(b) If so, why the L. P. School teachers are not entitled to get the medical benefit for the treatment of the members of their familes ?

Shri Sarat Chandra Goswami (Minister of State for Education) replied :

23. (a) Yes. All third and fourth grade employees of the Government are entitled to medical benefit as admissible under the rules.

(b) The L. P. School teachers under the Board of Elementary Education are not entitled to medical benefits as they do not come under the category of Government Servants.

Re : ৰেশম বিভাগৰ দ্বাৰা মাটি অধিকৃত

শ্ৰীকন্দৰ্প নাৰায়ণ বনিক্যই সুধিছে ঃ

২৪। মাননীয় ৰেশম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৱালপাৰা মহকুমাৰ অন্তৰ্গত অভয়াপুৰী চহৰৰ ভিতৰত

বেশম বিভাগে অধিকৃত কৰা মাটি আছে নেকি ?

(খ) যদি আছে, তাৰ পৰিমাণ ?

(গ) কোন চনত মাটিখিনি লোৱা হৈছিল ?

(ঘ) মাটিখিনি এনেয়ে যদি পৰি আছে, তেন্তে তাক কামত লগাবৰ কি ব্যৱস্থা হাতত লৈছে ?

(ঙ) যদি লোৱা নাই, কিয় লোৱা নাই ?

শ্ৰীমতী পদ্মকুমাৰী গোহাঁই (বেশম ও বয়ন বিভাগৰ মন্ত্ৰীয়ে) উত্তৰ দিছে ঃ

২৪। (ক) গোৱালপাৰা মহকুমাৰ অন্তৰ্গত অভয়াপুৰী চহৰৰ ভিতৰত বেশম বিভাগে অধিকৃত কৰা কোনো মাটি নাই।

(খ), (গ), (ঘ), (ঙ)—প্ৰশ্ন নুঠে।

Re : ABHAYAPURI-KABAITARI P.W.D. ROAD

Shri Kandarpa Narayan Banikya asked :

25. Will the Minister, P.W.D. (R. & B) be pleased to state—

(a) Whether the Abhayapuri-Kabaitari P. W. D. Road on the Malegarh Hill under Kokrajhar Division has been constructed ?

(b) Whether Government is aware that the Road on the said hill is hazardous for heavy vehicles ?

(c) If so, what remedial measures have been taken by Government ?

(d) Whether Government propose to take necessary steps for widening this part of the Hilly road

in this year ?

(e) If not, the reasons thereof ?

Shri Altaf Hossain Mazumdar [Minister, P. W. D. (R. & B.)] replied :

25. (a) A short diversion at 10th mile over Malegarh Hill of Kabaitari-Abhayapuri Road has been constructed due to erosion by Manas River during the flood of 1968-69.

(b) No. Regular traffic is running and maximum load capacity of the road is $6\frac{1}{2}$ tons.

(c) Does not arise in view of (b) above.

(d) & (e) There is no such proposal at present.

Re : SORBHOG-ODALGURI P. W. D. ROAD

Shrimati Pranita Talukdar asked :

26. Will the Minister, P. W. D. (R & B.) be pleased to state—

(a) Whether it is a fact that about one and half miles of Sorbhog Odalguri P. W. D. Road in between Jamadhari to Khurnabari have not been constructed ?

(b) If so, why ?

(c) When this portion will be constructed ?

(d) Why Bhelabazar and Khudna-barighats on this road have not been declared as P. W. D. Ghats ?

(e) Whether these will be declared as such immediately ?

Shri Altaf Hossain Mazumdar, [Minister, P.W.D. ( R & B. )] replied :

26. (a) Road between Jamadhari to Khurnabari is not a P.W.D. Road.

(b) & (c) Does not arise in view of (a) above.

(d) Due to paucity of funds these could not be taken up by P.W.D.

(e) In view of (d) above does not arise.

## DELEGATION OF ASSEMBLY MEMBERS TO THE BORDERS OF EAST PAKISTAN.

Mr. Speaker—I called a meeting of the Leaders in my Chamber an Tuesday, the 27th April, 1971, to finalise arrangements for visit to the borders by a delegation of this House. In order to enable the delegation to return from the borders on the same day, it was decided that the House would meet at 8.30 A.M. till 10.30 A.M. on Friday, the 30th April, 1971. There will be a secret Session of the House also on 4th May, 1971 from 5 P.M. till 7 P.M. to discuss about the influx of refugees from East Pakistan.

I hope this has the approval of the House.

( Voices—Yes, yes )

Shri Lakshyadhar Choudhury - Will it be a secret session ?

Ms. Speaker - Yes.

Shri Hiralal Patwary - Will it be for two hours only ? It will not be sufficient.

Shri Duḷal Chandra Barua - That will depend upon the the trend of discussion.

## VOTING ON DEMANDS FOR GRANTS
## DEMAND NOS. 11 and 12

Shri Matilal Nayak— কালি মই সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত মোৰ সমষ্টিৰ কাবৈমাৰী বিজ্ঞাৰ্ভৰ মাটিৰ সংক্ৰান্তত কৈছিলো যে তাৰ মাটিবিলাক যদিও খুলি দিয়া হৈছে, সেই মাটি প্ৰকৃত মাটিহীন মানুহে পোৱা নাই। বেছি ভাগেই মাটি থকা মানুহৰ নামতহে পট্টা হৈছে। আমি যি দিনা বিভাগীয় মন্ত্ৰী মহোদয়ক লগ ধৰিছিলো তেতিয়া তেখেতে কৈছিল যে আমি পঞ্চায়তৰ পৰা যি মতেই লিষ্ট পাইছো সেই মতেইহে মাটি দিছো। আমাৰ যদিও ওপৰ গধুৰ চৰকাৰ হৈছে তথাপি ক্ষমতা তললৈ দিলেও যদি এনে ব্যৱস্থাই চলি থাকে তেনেহলে শাসন কেনেকৈ ভাল হব ? সেই কাৰণেই মই কব খুজিছো ধনী মানুহৰ নামত যিবিলাক মাটি দিয়া হৈছে, বা মাটি থকা মানুহে পাইছে, সেই মাটি বিলাক আনি মাটিহান মানুহক দিব লাগে। বাকী যি ২ হেজাৰ বিঘা মাটি গৱৰ্ণমেণ্টে মহৰ কাৰণে ৰখা হৈছে সেই মাটিবিলাক ইতিমধ্যে বেদখল কৰি আছে। আৰু অন্যহাতে গৱৰ্ণমেণ্টে মহ বা মহৰ মালিকক কোনো ৰক্ষণাবেক্ষণ নিদি মহৰ গুৱালবিলাকৰ পৰা খাজনা আদায় কৰি আছে আৰু সেই মহ বিলাককো Protection দিব পৰা নাই।

আৰু সেই মহ বিলাকে যত ভাল খেতি হয় তাত ৰাতি গৈ ধান খাই খেতি নষ্ট কৰিছে আৰু খেতিসমূলি ধ্বংস হৈছে। গতিকে এই মহৰ খুটিবিলাক তাৰ পৰা উঠাই নি মঠনগুৰি বা পাহাৰীয়া অঞ্চলত মহ খুটি পতাৰ ব্যৱস্থা কৰিব লাগে। এই দুই হাজাৰ বিঘা মাটি চৰকাৰে এতিয়া হাতত লৈ গৰীব খেতিয়ক সকলৰ মাজত লোকেল এম, এল, এক লৈ ন্যায্যমতে বিতৰণ কৰিব লাগে।

আৰু এটা কথা মই কব খুজিছো যে Scheduled Caste আৰু Scheduled Tribes ৰ শতকৰা ২০ ভাগমান মানুহহে এই ৰিজাৰ্ভত মাটি পাইছে যদিও তাৰ আধাখিনিও স্বত্ব পোৱা নাই। এই সম্পৰ্কত পুলিচ বা S. D. O লৈ এই মাটি কাগজে-পত্ৰে পোৱা নিৰিহ ৰাইজে কমেও ২০ বাৰ মানকৈ দৰ্খাস্ত দিয়া হৈছে। কিন্তু তাৰ দ্বাৰা কোনো কাম হোৱা নাই। D. C. S. D. O. বা মন্ত্ৰী সকলোকে তেখেত সকলে এই বিষয়ে জনাইছে। ইয়াৰ ফলত এই Scheduled Caste বা Scheduled Tribes ৰ মানুহ বিলাক দলাৰ বগৰী হৈ ঘূৰি ফুৰিব লগীয়া হৈছে আৰু সেই কাৰণেই তেওঁলোকৰ যি ২/১ বিঘা পৈত্ৰিক সম্পতি মাটি আছিল সেই বিলাকো বন্ধকত যাবলগীয়া হৈ তেওঁলোক ঘৰতে ভগনীয়া হৈছে। গতিকে মই ৰাজহ মন্ত্ৰীক অনুৰোধ কৰো যে এই বিষয়ত তেখেতে চকু ৰাখে। যোৱা ২২ তাৰিখে ৰেভিনিও মিনিষ্টাৰ বৰপেটাত যোৱা কথা আছিল। তাৰ কাৰণে বহুতো মানুহে বাট চাই ৰখি আছিল— কিন্তু তেখেতে Progromme Cansel কৰাত সেই মানুহ বিলাক ঘূৰি যাবলগীয়া হল। এই বিলাকেই প্ৰমাণ কৰে যে আমাৰ কংগ্ৰেছ চৰকাৰ সমাজবাদী চৰকাৰ নহয়। বৰং এটা Dictatorial চৰকাৰ আৰু এই কথা বেচিকৈ প্ৰতিপন্ন কৰিছে যোৱা নিৰ্ব্বাচনে।

ভৱানীপুৰত এটা নতুন চাৰ্কোল খুলা হ'ল, সেই চাৰ্কোলত ভৱানীপুৰ, হস্তিনাপুৰ আৰু বিজনীক লৈ খুলাৰ কথা আছিল। কিন্তু সময়ত মোৰ সমষ্টিৰ বেটবাৰী আৰু পাকাবুলি দুখন মৌজা কাটি নি তাত ৰাইজৰ আপত্তিটো জাপি দিছে। বৰপেটাৰ পৰা

২ মাইল দূৰৰ ঠাইও সৰুপেটা চাৰকেলৰ লগত অন্তৰ্ভুক্ত কৰিছে। অথচ সৰুপেটালৈ বৰপেটাৰ পৰা ১৮ মাইল দূৰ হয়। এই বিষয়ে মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ ৰাইজে আবেদন কৰিছে আৰু লগ ধৰিছে আৰু ময়ো M. L. A. হিচাবে লগ ধৰিছিলো। কিন্তু একো সমাধান বৰ্ত্তমানলৈ হোৱা নাই। ৰাইজে এতিয়া মোক জনাইছে যে Assembly ৰ পাচতেই যদি এই বিষয়ে একো সিদ্ধান্ত নহয় তেন্তে তেওঁলোকে ৰাজহ নিদিব আৰু অন্য কিবাকিবি হব। অৰ্থাৎ গণ-আন্দোলন কৰিব বাধ্য হব।

( সময়ৰ সংকেত )

যদি গণ-আন্দোলন হয় তেতিয়া হলে তাৰ পৰিমাম নিশ্চয় বেয়াৰ পিনে ঢাল খাব আৰু ন্যায্য দাবী দমন কৰিবলৈ চৰকাৰে পুলিচ দিব আৰু পুলিচে তেতিয়া হয়টো গুলি চলাব। সেই কাৰণে মই ৰাজহ মন্ত্ৰীক অনুৰোধ কৰো যাতে বেতবাৰী আৰু পাকা এই দুখন মৌজা আগৰ দৰে বৰপেটা চাৰকেলৰ ভিতৰত ৰাখে এয়ে মোৰ গৱৰ্ণমেন্টৰ ওচৰত অনুৰোধ।

আমাৰ Deptt. বিলাকৰ মাজত দিনে দিনে সমন্বয় নোহোৱা হৈ আহিছে। ইয়াৰ ফলত প্ৰশাসনীয় ব্যৱস্থা শিথিল হৈছে। নগাঁৱত Forest minister এ Forest ৰ মাটি মুকলি কৰি দিবলৈ Order দিছিল। কিন্তু D. F. O. এ সেই কাম কৰা নাই আৰু D. C. ক সুধিলেও D. F. O. এ কৰিব বুলি কয়। কাৰণ D. F. O. ই কোনো কাগজ-পত্ৰ D. C লৈ পঠোৱা নাই। এনে-কুৱা অৱস্থাত প্ৰশাসন চলি আছে। গতিকে মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰো যাতে প্ৰশাসনীয় কাম কঠোৰ ভাবে চলাই আৰু তেতিয়া হলে মোৰ বিশ্বাস অতি সোনকালে প্ৰশাসন ভাল হৈ উঠিব আশা।

আমাৰ চৰকাৰে Scheduled Caste ৰ মাজত Co-Oparative কৰাৰ কথা হৈছে। কিন্তু Co-Operative কৰিবলৈ হলে মাটি থাকিব লাগিব। কিন্তু এই মানুহবিলাকৰ শতকৰা ৮০ ভাগৰেই মাটি নাই। নতুন মাটি তেওঁলোকৰ কিছুমানক দিছে যদিও সেই বিলাকৰ পট্টা

পোৱা নাই। গতিকে Co-Operative তেওঁলোকে কেনেকৈ কৰিব পাৰে যিহেতু তেওঁলোকৰ মাটি থকাৰ কোনো প্ৰমাণ নাই। এই বিষয়েও মুখ্যমন্ত্ৰী ডাঙৰীয়াই দৃষ্টি দিব বুলি আশা কৰিলো।

Mr. Speaker— কালিৰ সিদ্ধান্ত মতে শ্ৰীযুত নায়কৰ পাচত শ্ৰীযুত বৰাই কব। তাৰ পাচত Debat Close হব। তাৰ পাচত মুখ্যমন্ত্ৰীয়ে উত্তৰ দিব।

( আমাৰো কবলগীয়া আছে। বহুতো মাননীয়ই প্ৰকাশ কৰে )

Shri Kamini Mohan Sarma— সাধাৰণ প্ৰশাসনৰ ক্ষেত্ৰত মোৰো কবলগীয়া আছে। এতিয়া যদি কবলৈ নাপাও পিচত নহব।

Mr. Speakre—আমি এতিয়াও ২৬ তাৰিখতে আছো। আপোনালোকে কব খুজিছে যেতিয়া প্ৰত্যেকেই ৫ মিনিট ৫ মিনিটমানকৈ কওঁক।

Shri Soneswar Bora— মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যত শাসন বা প্ৰশাসন ব্যৱস্থা আছেনে নাই ই এটা সন্দেহৰ বিষয় হৈ পৰিছে। স্বাধীনতাৰ দিন যিমানেই পুৰণা হৈ আহিছে সিমানেই আমাৰ দেশৰ প্ৰশাসনীয় যন্ত্ৰটোও বেছি কলুষিত হৈ পৰিছে। ইয়াক আৰু নদি কোৱাৰ আৱশ্যক নাই। অৱশ্যে চৰকাৰী পক্ষই নিজৰ গাদী ৰখাৰ খাতিৰত এই বিধান সভাৰ মজিয়াত হয়তো এই কথাটো সমৰ্থন বা স্বীকাৰ নকৰিব পাৰে। কিন্তু এইটো ঠিক যে— স্বাধীনতাৰ দিন ক্ৰমান্বয়ে পুৰণা হৈ যোৱাৰ লগে লগে চৰকাৰী বিষয়ৱবীয়া সকলৰ অন্যায়-অত্যাচাৰৰ মাত্ৰাও ক্ৰমে বাঢ়ি গৈছে। এই বিধান সভাতে মন্ত্ৰীসকলৰ পৰা আৰম্ভ কৰি বহুতে বহুত সময় সঁচা কথাই কয় নে মিছা কথাহে কয় তাৰ একো সত্যতা নাইকীয়া।

( স্বৰ— মিছা বুলি কিয় কৈছে )

অসত্যাৰে ভাল শব্দটো মিছা। নিৰ্বাচনত চৰকাৰী যন্ত্ৰটো লগোৱাৰ কথা মুখ্যমন্ত্ৰীয়ে প্ৰথম শুনিলো বুলি সিদিনা কৈছে। কিন্তু মই নিৰ্বাচনত যি দেখিলো প্ৰত্যেকজন অফিচাৰকে ভোট সংগ্ৰহ কৰি-

বুলি পঠোৱা হল। আনকি কংগ্ৰেছৰ নিৰ্বাচন পুঁজি, আন্দোলনৰ পুঁজি আদি সংগ্ৰহতো বহুত কৰ্ম্মচাৰীক লগায়। তাৰ পিছত তেওঁ-লোকেই আকৌ চৰকাৰক মানিব কিয় ? গতিকে তেওঁলোকে কোনো মন্ত্ৰীয়েই হওঁক বা মুখ্যমন্ত্ৰীয়েই হওঁক তেওঁলোকৰ কথা নেমানে। ১৯৬৭ চনত গোলাঘাটত ঘটা ঘটনাৰ সংক্ৰান্ততে প্ৰথমবাৰৰ বাবে বিধান সভাত সভাস্থগিত প্ৰস্তাৱ Allow হৈছিল। কমিচন চৰকাৰে গঠন কৰিলে তদন্তৰ কাৰণে। কিন্তু তাৰ Report আজিলৈকে দাখিল নহল। সেইদৰে চিলং, ডিব্ৰুগড়ত, তেজপুৰৰ গুলি চালনাৰ তদন্তৰ ৰিপোৰ্ট আজিলৈকে দাখিল নহল। গোলাঘাটত ১৯৬৮ চনত সত্যাগ্ৰহ হৈছিল। সেই সময়ৰ মুখ্যমন্ত্ৰী ৺চলিহা দেৱে Telegram কৰি ১ হাজাৰ ৬৬ জন সত্যাগ্ৰহী লোকৰ ওপৰত Case withdraw কৰালে। দৈয়াং ৰিজাৰ্ভত তেওঁলোকক মাটি দিয়াৰ আশ্বাস দিছিল। তেনেকৈ আশ্বাস দি সত্যাগ্ৰহ উঠাই লবলৈ পৰামৰ্শ দিলে আৰু মুখ্যমন্ত্ৰীৰ আশ্বাস বানিত সত্যাগ্ৰহ স্থগিত ৰখা হল। এই ১ হেজাৰ ৬৬ জনক জেইলৰ পৰা মুক্তি দিলে যদিও তেওঁলোকক কিন্তু মাটি নিদিলে। আৰু এই মাটি অৱশ্যে অনেকেই দখল কৰি আছে। আমাৰ বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী, Chief-conservator of forest, Revenue Secretary যদিও সেই দিনাৰ আলোচনাত উপস্থিত আছিল। কিন্তু সেই প্ৰতিশ্ৰুতি হলে কোনেও নেমানিলে। তেন্তে শাসন কোনে চলাইছে ? আমাৰ মাননীয় সদস্য শ্ৰীউপেন সনাতনেও কৈছে যে ৰাইজেহে বুজিছে। এনেকৈয়ে যদি প্ৰশাসনীয় যন্ত্ৰটো কলুষিত কৰি পেলোৱা হয় আৰু মন্ত্ৰীৰ প্ৰতিশ্ৰুতি মন্ত্ৰীয়ে নেৰাখে তেন্তে প্ৰজাৰ উপায় কি ? "চোৰেহে চোৰৰ ঠেং দেখাৰ দৰে আজি কেৱল Radio, বাতৰি-কাগজ, মেল-মিটিং সকলোতে কেৱল সমাজ-বাদৰ ধ্বনিহে উচ্চাৰিত হৈছে। কিন্তু সমাজবাদ মানে কি সেইটো হ'লে কোনেও নেজানে। অসমতাবিহীন এখন সমাজপূৰ্ণ সমাজকহে সমাজবাদ বুলি কব পাৰি। সমাজবাদী ৰাষ্ট্ৰত সমাজক নায়ক পাতিব লাগিব। মন্ত্ৰী বা কৰ্মচাৰী নহয়। কৰ্মচাৰী বা মন্ত্ৰী একোজনক কেন্দ্ৰ কৰি যদি ৰাষ্ট্ৰৰ নায়ক হিচাবে সমাজত গুৰুত্ব দিয়া নহয়

তেতিয়া হলে বুজিব লাগিব যে সেই সমাজ সমাজবাদৰ পৰা বহু দূৰৈ হৈ গৈছে। ভাৰতবৰ্ষত আজি আচল নেতৃত্ব দিব পৰা সমাজ বাদী নেতা উপজিছে—নাই সন্দেহ। আজিৰ মন্ত্ৰী বা নেতাসকলে মাত্ৰ সমাজবাদৰ কথাকৈ কেৱল জনসাধাৰণক বিভ্ৰান্ত কৰিহে তুলিছে। সমাজবাদৰ নামত আজি মাত্ৰ গোটেই দেশখনকে সকলো স্তৰতে কলুষিত কৰা হৈছে। বাস্তৱত কি হৈছে—মাটি এডোখৰ ৰিক্ৰী কৰিবলৈ বা কিনিবলৈ গৈ Registration Officer ৰ ওচৰত থিয় হৈ থাকি দেখিব যে দলিল তলত পৰি আছে। কাৰণ পয়ছা নিদিলে তাৰ কোনো ব্যৱস্থা নকৰে। আজি কাছাৰীত বিচাৰৰ কাৰণে গলে অৰ্থাৎ High-Corurt য়েই হওঁক Supreme-Court য়েই হওঁক বা E.A.C. Court য়েই হওঁক পেচকাৰক ২/৪ টকা নিদিলে গোচৰ নোলাব। তেনেকৈ যিকোনো অফিচলৈকে নেযাওঁক কিয়— তাত চৰকাৰৰ পৰা পাবলগা সা-সুবিধাকণো জনসাধাৰণে পোৱাৰ কোনো সু-বন্দৱস্ত তাত নাই। তেনেকুৱাই যদি হয় তেনে-হলে অনাদায়ী কৰ-কাটল আদায় হব কেনেকৈ? এই কৰ কাটল আদায় কৰিবৰ কাৰণে জিলা পৰ্য্যায়ৰ বিষয়া সকলে এনে ঘোচ-ঘাচৰ ব্যৱস্থা তাৰ ভাগ যাতে মন্ত্ৰী সকলেও পাব পাৰে। কাৰণ নিৰ্বাচনৰ সময়ত সেই সকল অফিচাৰৰ পৰাই টকা পয়চা লয়। চৰকাৰে Tax লগাই লগাই টকা তুলিছে যদিও ক'ৰ টকা ক'লৈ গৈছে তাৰ কোনো হিচাব নাই। অসমৰ সীমান্তত নগাই বহুখিনি অতিক্ৰম কৰি Camp পাতি আছে। অসমৰেই মাটি তেওঁলোকে দখল কৰি বহি আছে অথচ অসমৰেই অনেক চাউল বেপাৰীয়ে সেই সকল কেম্পত চাউল বিক্ৰী কৰা দেখা যায়। গোলাঘাট, ফৰকাটিং, সৰুপথাৰ, বৰপথাৰ, তিতাবৰ, মৰিয়নী, নাজিৰা আমগুৰি আদিৰ মিলত কুটোৱা চাউল বেপাৰী সকলে বা মিল মালিকৰ অনেকেই চাউল এই নগা কেম্পত বিক্ৰী কৰে। আৰু তাকে খায় আমাৰ প্ৰজাক নগাই মাৰে। ঘৰ জ্বলাই। খেতি লুটে ইত্যাদি। আনহাতে সেই সকল মিল মালিকেই, বেপাৰীয়েই কংগ্ৰেছক ভোট দিয়ে। আৰু পুঁজিলৈ পইচা দিয়ে। গতিকে কংগ্ৰেছ চৰকাৰে কি

ব্যৱস্থা লব ? চাপ্লাই মন্ত্ৰীয়ে নিজ হাতে সেইসকলৰ পৰা পইচা নললেও কোনোবা এজেণ্টৰ হাতে লৈছে বুলি মানুহৰ মুখত কোৱা কুই কৰা শুনা যায়।

থিক তেনেকৈয়ে চাকৰি দিয়াৰ ক্ষেত্ৰতো দেখা যায় যে কোনো লোকে ঘোঁচ নিদিয়াকৈ চাকৰি হেনো নেপায়। আনকি ৫০০ শ মান টকা নি দিলেহে L. P. স্কুলৰ চাকৰি এটাও নেপায়। বাছ কনদা ৰ এটা সোমাবলৈ ৬০০ টকা লাগে তেনেকৈয়ে কি মাষ্টৰী, পিয়ন, চকীদাৰ সকলোতে ঘোচৰ কাৰবাৰ। আনহে নেলাগে চাক-ৰিৰ কাৰণে গাভৰুৰ দেহা বিক্ৰী কৰিব লগা হোৱা উদাহৰণো এই ৰাজ্যত আছে। তেন্তে কি নিকা প্ৰশাসন চৰকাৰৰ পৰা আশা কৰিব পাৰো। আজি ঠিক তেনেকৈয়ে এল, পি, স্কুল এটাৰ গ্ৰাণ্ট ৰূপ ২০০ টকাৰ কাৰণে P. W. D. ৰাস্তা এমাইল বা আধামাইল বন্ধাবৰ কাৰণে গ্ৰাণ্ট বিচাৰি শ্বিলঙলৈ দৌৰিব লগা হয়। কেন্দ্ৰীভুত নীতি দেশত চলোৱা হৈছে। কেন্দ্ৰীভূত শাসন ব্যৱস্থা সমাজবাদী-সমাজৰ পৰিপন্থী। কেন্দ্ৰীভূত শাসনত ৰাইজ জুৰুলা হৈয়ে ক্ৰমান্বয়ে স্বায়ত্ব শাসনৰ দাবী বা ৰাজ্য বিভাজনৰ দাবী ৰাইজৰ মাজলৈ আৰু মনলৈ আহিছে। প্ৰশাসনৰ সা-সুবিধাৰ পৰা যদি জনসাধাৰণক বঞ্চিত কৰিব নোখোজে তেতিয়া হলে প্ৰশাসনটো বিকেন্দ্ৰীত কৰিব লাগিব। শাসন ইমান কেন্দ্ৰীভূত কৰা হৈছে যে মানুহে স্বায়ত্ব শাসনৰ দাবী কৰিবলৈ বাধ্য হৈছে। তাৰ ফলতেই আজি আহোম ৰাজ্য ছুতীয়া মটক ৰাজ্য, কোচ ৰাজ্য, কমতাপুৰ ৰাজ্য, ভৈয়ামীয়া জনজাতি ৰাজ্য আদিৰ দাবী আহিছে।

প্ৰত্যেকেই ভাবিছে যে নিজৰ সম্প্ৰদায়ৰ, ধৰ্মৰ, জাতৰ মন্ত্ৰী একোজন হলেহে সুখ সুবিধা হব। জিলাখনকে ৰাজ্য এখন কৰিব পাৰিলেহে সুখ সুবিধা হব। ইত্যাদি ইত্যাদি।

এই ধৰণে ভাবিবলৈ বাধ্য হৈ পৰিছো। কাৰণ ৰাজধানীখনো আজি জনসাধাৰণৰ পৰা বহু দূৰত। সেই কাৰণেই আজি সুষ্ঠ প্ৰশাসনৰ পৰা বঞ্চিত হৈয়েই টাই মঙ্গোলীয়, কোচ-কছাৰী, চুতিয়া

আদি নানান সৰু সৰু ৰাজ্যৰ ধ্বনি তুলি মানুহে কবলৈ প্ৰয়াস পাইছে যে, বুৰঞ্জীৰ পুনৰাবৃত্তি হব। বহিঃ পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী হৈ থাকোতে শ্ৰীদীনেশ সিঙে কৈছিল যে হাজাৰখন ৰাজ্য হওক তাত পৰোৱাই কি ! ইন্দিৰাগান্ধী শাসনত অধিষ্ঠিত থকাৰ সময়ত দুৰ্নীতি ইমান বাঢ়িছে যে আৰু জনসাধাৰণ ইমান প্ৰাপ্যৰ পৰা বঞ্চিত হৈছে যে, সৰু সৰু ৰাজ্য গঠন কৰি নিজৰ ঠাই আজি নিজেই শাসন কৰিব পাৰিলেহে বা শাসনৰ সুবিধা পালেহে সুস্থ শাসন চলিব বুলি ৰাইজে ভাবিবলৈ বাধ্য হৈছে। তাকেই বুৰঞ্জীৰ পুণৰাবৃত্তি হব বুলি মানুহে কবলৈ ধৰিছে। মই আগতেও কৈছো আৰু এতিয়াও কওঁ যে ভৈয়ামৰ জিলা কেইখনত সিমান সোনকালে জিলা স্বায়ত্ব শাসন দিয়া হব সিমানেই দেশৰ কাৰণেই মঙ্গল হব। এই ৰাজ্য বিভাজনৰ কথা বিলাক বা দাবী বিলাক আঁতৰিব। আমাৰ দেশৰ বুৰঞ্জী বিকৃত কৰি বহু ইংৰাজে নানা কথা অসময়ত লিখিলে। আহোমৰ শেষৰজন ৰজা পুৰন্দৰ সিংহৰ সময়ত থকা আহোম ৰাজ্য যি খণ্ড ইংৰাজে লৈছিল সেই খণ্ড ৰাজ্যটো বৰ্ত্তমান নগা পাহাৰৰ বহু অংশ অকলেই অসম ৰাজ্যৰ অন্তৰ-ভুক্ত আছিল। বুৰঞ্জীয়ে তাৰ সাক্ষ্য দিব। কিন্তু চতুৰ ইংৰাজসকলে অসমৰ ভৈয়ামৰ ৰাজ্যখণ্ডৰ লগত পৰ্ব্বতীয়া অঞ্চলৰ মাজত বিভেদ সৃষ্টি কৰাই পৰ্ব্বত ভৈয়ামৰ সম্প্ৰীতি বিচ্ছিন্ন কৰাৰ কাৰণে দুয়ো অঞ্চলৰে মানুহৰ মাজত বিভ্ৰাট ঘটিল। বৰ্ত্তমানেও দিল্লীৰ কেন্দ্ৰীয় চৰকাৰৰত দিল্লী বহি বহি অসমৰ শাসন চলাওঁতে অসমৰ সীমান্ত প্ৰশাসন জটিল কৰি তুলিছে।

অধ্যক্ষ মহোদয়, মই আপোনাৰ পৰা সময় বিচাৰিছো। এই প্ৰস্তাৱটো উৎথাপন কৰোতে কিছুমানে ১ ঘণ্টা, কিছুমানে আধাঘণ্টা আৰু কিছুমানে ৪০ মিনিট পৰ্যন্ত্য কৈছে মই কিয় ১০ মিনিটকৈয়ে বহি থাকিবলগীয়া হ'ল নাজানো। Back bencher আৰু Front bencher ৰ প্ৰশ্ন ইয়াত নাহে। আমিও ৰাইজক প্ৰতিনিধিত্ব কৰিছো। আপোনালোকৰ অধীনত জিলা প্ৰশাসনবোৰ ইমানেই লেতেৰা আৰু

পৰনিন্দা হৈছে যে—চাওঁক, ইফালে বিধান সভা বহি আছে আনহা'তে গোলাঘাটত অহা ৩০ এপ্রিল তাৰিখে মহকুমা পৰিষদে মাতিছে, ৩ মেত স্কুল বোৰ্ডৰ মিটিং আৰু ৭ মেত মাটি বিতৰণ উপদেষ্টা কমিটিৰ মিটিং মাতিছে। ইয়াৰ পৰা এইটোকে অনুমান কৰিব পাৰিযে আমি MLA সকলক এই সভা বিলাকৰ পৰা বঞ্চিত কৰাৰ এয়া অভিপ্ৰায়।

অধ্যক্ষ মহোদয়, P. W. D., R & D বিভাগলৈ আহো। এই বিভাগটোত কোনোৱে বুকুত হাতদি কব নোৱাৰে যে শতকৰা ৫০ ভাগ বেচি টকাৰ কাম কোনো প্ৰজেক্টত হৈছে বুলি। P.W.D. য়ে শ্ৰমিক বাহিনী কৰিছে তেওঁলোকক ২০০.০০ টকা বা ৫০০.০০ টকাৰ কাম দিয়ে কিন্তু তাৰ কাৰণে ১০০ টকা চালানক ঘোচ দিব লাগে। আজি এজন কেৰেণীৰ পৰা সিজন কেৰেণীক fiile টো দিয়াৰ কাৰণে Peon টোক পইছা দিব লাগে, কেৰাণীক দিব লাগে, ইঞ্জিনিয়াৰক দিব লাগে, S. E. ক দিব লাগে গতিকে নিজৰ হাতত কি থাকিব। গতিকে শতকৰা ৫০ ভাগও কাম নোহোৱাৰ অৱস্থান অফিচেই সৃষ্টি কৰে। আজি প্ৰত্যেক বিভাগতে ইমান বিলাক দূর্নীতি। R & D বিভাগতো একে কথা।

শিক্ষাৰ ক্ষেত্ৰত চাওঁক ব্লেকবোৰ্ড খনো ছিলঙত তৈয়াৰ হয় আৰু সহস্ৰ স্কুলৰ কাৰণে ইয়াৰ পৰা ব্লেক বোৰ্ড নিব লাগে। গতিকে চাওঁক প্ৰশাসনৰ কি ধেনু নাইকীয়া অৱস্থা। তেখেতসকলে আজি সমাজবাদৰ কথা কৈছে। আজিৰ পৰা প্ৰায় ২২ বছৰৰ আগত মোৰ চেঙেলীয়া বয়সত ১৯৫০ চনত মোক কেইটামান স্বত্বও ডিটেন শন আইনৰ দ্বাৰা ১১ মাহ জেলত থৈছিল। আইনৰ ৮ টা দফা মোৰ ওপৰত দিছিল। দফা কেইটা আছিল যেনে—তুমি ছচিয়েলিষ্ট হৈ বহুত মিটিং কৰিছা, বহুত বক্তৃতা দিছা, বহুত শোভাযাত্ৰা কৰিছা, বহুত শ্লগান দিছা ইত্যাদি ইত্যাদি। যেতিয়া আমি ছচি-য়েলিষ্ট শব্দটো কৈছিলো এই কংগ্ৰেছ চৰকাৰেই আমাক জেইল দিছিল। সিদিনাৰে যেতিয়ালৈ মহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী হোৱা

নাছিল আৰু বিশেষকৈ ইন্দিৰা গান্ধীৰ পাশত নপৰাকৈ মুখ্যমন্ত্ৰী হম বুলি ভাবিছিল সেইদিনালৈকে তেওঁ সমাজবাদী নাছিল। কিন্তু যি মুহূৰ্ত্ততে ইন্দিৰাৰ মেৰপাকত পৰি বিজয় ভাগৱতীক আঁতৰাই মহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী হ'ল আৰু ইন্দিৰাগান্ধীৰ লগতে থাকিম বুলি ঘোষণা কৰিলে সেইদিনাই হৈ পৰিল সমাজবাদী। Radio, কাগজে পত্ৰই বহল প্ৰচাৰ হ'ল যে চৌধুৰী সমাজবাদী। একেখন নীলাচল বাতৰি কাকততেই এদিন তেওঁক সমাজবাদী দেখিলে আনদিনা কিন্তু সমাজ বিৰোধী বুলি কৈছিল। দুখীয়া মাটি দখলকাৰী খেতিয়ক সকলক উচ্চেদ কৰিব পাৰে কাৰণে শ্ৰীমহেন্দ্ৰ চৌধুৰী সমাজবাদী বোধহয়।

শ্ৰীচৌধুৰীৰ শাসনত প্ৰকৃত খেতিয়কে মাটি নেপায়, নিম্ন বেতন ভোগী চাকৰিয়ালৰ ৰক্ষনাবেক্ষন আৰু দৰমহা উচিত নিৰ্দ্ধাৰণ নহল, দেশৰ মানুহে প্ৰকৃততে কিমান প্ৰৰ্যন্ত খৰচ কৰিব পাৰিব তাৰ নীতিৰ ইয়াত্তা নাই তথাপি সমাজবাদী। এই চৰকাৰে কোনো বিষয়তে স্পষ্ট পিয়ল এটাই নাই। আজি আমাৰ দেশত ঔষধ কিমান তৈয়াৰ হয় আৰু কিমান বিক্ৰী হয় চৰকাৰে কব নোৱাৰে। চেনী, চুৰত, তেল, নিমখ, কাপোৰ-কানি কিমান উৎপাদন হয়; কিমান মজুত থাকে, কিমান বিক্ৰী হয় একো হিচাবকেই পৰিষ্কাৰকৈ চৰকাৰে নেজানে। তথাপিও কংগ্ৰেছী চৰকাৰ সমাজবাদী। সমাজবাদী নে সমাজ বাদ দিয়া চৰকাৰে আমাৰ সদস্য সনাতন ডাঙৰীয়াই কোৱাৰ দৰে People হে বুজিব। অৱশ্যে ৰাইজে এদিন সচাঁকৈয়ে সমাজ-বাদ কি বুজাই দিব। শেষত কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তব্য সামৰিলো।

Shri Premodhar Bora— অধ্যক্ষ মহোদয়, প্ৰসাশনৰ বিসংগতিৰ বিষয়ে মই দুষাৰমান কব খুজিছো। মই তাৰ কেইটামান নমুনা ডাঙি ধৰিব খুজিছো। আমাৰ লক্ষীমপুৰ জিলাত ১৯৬৮/৬৯ চনতে এটা তদন্ত হৈ গ'ল। ৰাজহ সচিবে তদন্ত কৰিলে। কিন্তু এতিয়ালৈকে তাৰ কাৰ্য্যকৰী ব্যৱস্থা হোৱা নাই। ৰাজহ মন্ত্ৰীয়ে ৰাজহ সচিবলৈ

আদেশ দিলে, সচিবে মহকুমাধিপতিক হুকুম দিলে কিন্তু এতিয়ালৈকে তাৰ কোনো ব্যৱস্থা হোৱা নাই। গতিকে এইয়ে বিসংগতি মন্ত্ৰীৰ কথা সচিবে নামানে সচিবৰ কথা মহকুমাধিপতিয়ে নুশুনে এইবিলাকৰ দূৰীকৰণৰ ব্যৱস্থা কৰিব লাগে নহলে আমাৰ প্ৰশাসন যন্ত্ৰটো নিকা নহব আৰু পলিচি বিলাক কাগজতে আৱদ্ধ থাকিব। অধ্যক্ষ মহোদয়, প্ৰশ্নত্তোৰ কালত শুনিছে যে P. W. D. বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে তৃতীয় পৰিকল্পনাৰ ৰাস্তাৰ কালভাৰ্ট দলং ৭০/৭১ চনতো শেষ নহল। এইযে লেহেম গতি ইয়াৰ দায়ীত্ব মন্ত্ৰী মহোদয়ে লৰলৈ টান পাইছে। এই বিষয়ে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

সমাজবাদৰ কথা সকলোৱে কৈছে। কিন্তু প্ৰকৃততে সমাজবাদ হৈছে নে? এইবিলাকৰ নিৰাকৰণ কৰিবলৈ শাসন যন্ত্ৰটো নিকা কৰিব লাগিব।

যদি মন্ত্ৰীসকলে দায়িত্ব পালন কৰে, Secretary সকলে দায়িত্ব পালন কৰে, Director সকলে দায়িত্ব পালন কৰে, তেন্তে আমাৰ Sub-division ৰ অফিচ বিলাকেও নিশ্চয় পালন কৰিব। আজি দেখা যায় কেৰাণী বা অভাৰচিয়েৰ আদি বদলি কৰিবৰ কাৰণে মন্ত্ৰীৰ ওচৰলৈ আহিব লাগে। মন্ত্ৰীয়েও যদি Transfer ৰ ক্ষেত্ৰত হস্তক্ষেপ কৰে, তেন্তে কেনেকৈ হব? আজি Executive, Judiciary আদিত বিসঙ্গতি হৈছে। এই বিলাকত interference নহলে আচনি কাৰ্য্যকৰী কৰাত সহায় হব। আজি আমাৰ চিলঙত কিছুমান কামত হস্তক্ষেপ কৰাৰ কাৰণে মহকুমা বিলাকৰ কামত অসুবিধা হৈছে। এই বিলাক অতি সোনকালে দূৰ কৰিব লাগে আৰু অফিচাৰ সকলক Proper ক্ষমতা দিব লাগে। চৰকাৰে কিছুমান Policy কৰি দিব লাগে সেইবিলাক যদি কাৰ্য্যকৰী নহয় তেন্তে শাস্তিমূলক ব্যৱস্থা অৱলম্বন কৰিব লাগে। তেতিয়া হলে শাসন যন্ত্ৰটো কটকটিয়া হব আৰু আচনি কাৰ্য্যকৰী কৰাত সহায় হব।

Shri Kamini Mohan Sarma— অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি নিকা প্ৰসাশন কৰাৰ বিষয়ে দুযাৰ কব খুজিছো।

এই "নিকা প্ৰশাসন" শব্দটো শব্দ হিচাবেহে ব্যৱহাৰ হৈছে, প্ৰকৃতভাৱে আমাৰ ৰাজ্যৰ জনসাধাৰণৰ সহায়ৰ কাৰণে প্ৰশাসন যন্ত্ৰটো যি ধৰণে পৰিচালনা হোৱাৰ প্ৰয়োজন আছিল সেই ধৰণে পৰিচালনা কৰা হোৱা নাই। চৰকাৰৰ দপ্তৰসমূহ আজি ঘূণে ধৰা। জনসাধাৰণক আজি বিভিন্ন প্ৰশাসন ব্যৱস্থাই জুৰুলা কৰি তুলিছে। মই শিক্ষাৰ ক্ষেত্ৰত কব খুজিছো যে— ৰঙিয়া সমষ্টিৰ পাতিদৰং মৌজাৰ তুলাল মাটি গাঁৱৰ ১নং এল, পি, স্কুলখন আজি প্ৰায় ২৫ বছৰে চলাই আছিল চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত স্কুল। কিন্তু গুৱাহাটীৰ D. I. মহোদয়ে ইচ্ছা কৰি Grant টো উঠাই দিছে আৰু তেখেতৰ মৈমতালিত নতুন স্কুল এখনক সেই Grant টো দিয়া হৈছে। এইটোত স্থানীয় ৰাইজে নানা ভাৱে যত্ন কৰিলে আবেদন নিবেদন কৰিলে হাবাথুৰি খালে। আজি মইও ৩ বছৰে যুঁজ কৰিছো; কিন্তু কাৰ্যকৰী হোৱা নাই। জইণ্ট ডি, পি আইৰ অৰ্ডাৰো D. I. মহোদয়ে নামানে কাৰ্য্যকৰী নকৰে। ৰাজ্যিক শিক্ষামন্ত্ৰী মাননীয় শ্ৰীশৰৎচন্দ্ৰ গোস্বামীকো মই লিখিত ভাৱে দিলো শ্ৰীশৰৎ গোস্বামীয়ে কোনো ব্যৱস্থা নোলোৱাত ৰাজহুৱা দৰখাস্তখন মুখ্যমন্ত্ৰীক দিছো। এতিয়া প্ৰায় এমাহ হল; কিন্তু কোনো ব্যৱস্থা লোৱা নাই। D. I. ৰ এই কেলেঙ্কাৰী কাৰ্য্যত ৰাইজ হতাশ হৈছে। আজি অসমৰ প্ৰাইমাৰী স্কুল সমূহ তুপৰীয়া বহে। বহুত স্কুলতে খোৱা পানীৰ নলীনাদ নাই। চৰকাৰে কণ কণ লৰা-ছোৱালীয়ে পানী খাবৰ কাৰণে কোনো ব্যৱস্থা কৰা নাই। এই বিষয়ে মই এই সদনত বহুবাৰ কৈ আহিছো আজিলৈকে চৰকাৰে এই সম্পৰ্কে কোনো কাণ-সাৰ দিয়া নাই। কৃষকৰ লৰা-ছোৱালীৰ যেন কোনো মূল্য নাই। প্ৰশাসন যন্ত্ৰ নিকা হব লাগিলে কণ-কণ লৰাছোৱালীয়ে যাতে পিয়াহত পানী খাব পাৰে তাৰ বাবে প্ৰত্যেকতে নলী নাদৰ ব্যৱস্থা হব লাগে। প্ৰসাশনীয় যন্ত্ৰই জন সাধাৰণৰ প্ৰত্যেক স্তৰৰে অসুবিধা দূৰ কৰাৰ ব্যৱস্থা লব লাগে। ৰঙিয়া circle অফিচৰ শ্ৰীবিনয় কৃষ্ণ দাস নামৰ এজন বিষয়াৰ কথা মই উল্লেখ কৰিব খুজিছো তেওঁ ৰঙিয়া S. D. C. Offic ত একচনা পট্টা ম্যাদী

কৰাৰ ক্ষেত্ৰত খেতিয়ক ৰাইজৰ বহু টকা আত্মস্যাৎ কৰিলে। গৰীব ট্ৰাইবেল লোকসকলৰ পৰা মাটি ম্যাদী কৰাৰ বাবে ৫ টকা Premium ললে কিন্তু কামত একো নহ'ল। বৰ্ত্তমানে তেওঁ চাচপেণ্ড হৈ আছে। চাচপেণ্ড হলে কি হব। এতিয়া অহু-কাণে পহু-কাণে শুনিছো যে মোকৰ্দমা উঠি যাব আৰু সেই কেলেঙ্কাৰী অফিচাৰজনে চাকৰি পাব। টকা খোৱা প্ৰমাণ হোৱা লোক যদি পুনৰ নিৰ্দ্দোষী হব পাৰে তেনেহলে নিকা প্ৰসাশন হব কেনেকৈ ? আজি অসমত এনেকুৱা বহু ঘটনা ঘটি আছে। তাৰ পাচত বান পানীৰ সময়ত যিটো সাহায্য যায়, সেইটো S. D. C. B. D. O. আৰু পঞ্চায়ত সমূহে ঠিক মতে বিতৰণ নকৰে। ঠিক সেই ধৰণে ঘৰ ভঙাৰ বাবে দিয়া টকা গৰীৱ জন সাধাৰণে যথাযথ ভাৱে নেপায়। গৰীৱ সকলে ঠগ খায়। যাৰ প্ৰকৃতত্তে ঘৰত বানপানী উঠা নাছিল সেই সকলে টকা পাইছে সাহায্য পায়। গতিকে এই বিলাক যথাযথ ভাৱে তদন্ত কৰিব লাগে যাতে প্ৰকৃত ভাৱে পাব লগা লোকসকলে পাব পাৰে তাৰ ব্যৱস্থা হব লাগে। গাওঁবুঢ়া সকলৰ কাৰণে দৰমহা ২৫০ টকাকৈ ধাৰ্য্য কৰিছে। এজন S.D.C এ হেনো এই ১২/১৪ হেজাৰ টকা আত্মস্যাৎ কৰিছে আৰু ধৰা পৰিছে, এতিয়া বৰখাস্ত কৰি থৈছে। গতিকে নিকা প্ৰশাসন কৰিবলৈ হলে এই বিলাক তদন্ত কৰিব লাগে। দোষী সকলক শাস্তি দিব লাগে। ১৯৬৯ চনত ৰঙিয়া আঞ্চলিক পঞ্চায়ত এলেকাত গুৰমৌ গাঁৱত এটি চুইচগেট আৰু বান্ধ এটা মঞ্জুৰ হৈছিল। কৃষিৰ উন্নতিৰ বান্ধটোৰ Estimate হৈছিল; কিন্তু B. D. O ই বান্ধটোও এতিয়াও কৰা নাই। গতিকে খেতি পথাৰলৈ পানী যোগানৰ ব্যৱস্থা কৰিব লাগে। এই সাধাৰণ প্ৰশাসন যন্ত্ৰটো কেনেকৈ পঁচি গৈছে আৰু অফিচাৰ সকলে গাফিলতি কৰি কাম নকৰে আৰু টকাবিলাক কেনেকৈ আত্মসাৎ কৰে তাৰ উদাহৰণ দিব বিছাৰিছো। ১৯৬৯ চনত Plane estimate হৈছে; কিন্তু সেই কাম আজিলৈকে কৰা নাই। গাফিলতি কৰাৰ বাবে এই ধৰণে অসমৰ বিভিন্ন কামৰ আচনিৰ ক'ৰ file, ক'ৰ টকা ক'লৈ যায় কব নোৱাৰি।

উদাহৰণ স্বৰূপে দগাওঁ গাওঁপঞ্চায়তৰ এখন দলং শ্ৰীজিতেন্দ্ৰ নাথ চৌধুৰীয়ে ১½ হেজাৰ টকাত কৰিলে মৌজা পঞ্চায়ত থকা দিনতে। তাৰে পাঁচ শ টকা Payment কৰিলে, বাকী এহেজাৰ টকা আজিলৈ Payment কৰা নাই। এইটো Case ত তুবছৰ যুজ কৰিছো। আজি গুৱাহাটীৰ L. A. O., D. C. Offic ত তাৰ কেৰাণী সকলে ৰাজহুৱা কামবোৰ যি ধৰণে কৰা প্ৰয়োজন আছিল প্ৰকৃত ভাৱে কাম নকৰে। আজি ১৪ বছৰ হ'ল, বানপানীৰ সমস্যাৰ কথা কোৱা হৈছে, কিন্তু এতিয়ালৈকে পুথিমাৰী নদীৰ মথাউৰিটো শক্তিশালি নহ'ল। মথাউৰি সজাৰ কাৰণে মাটি অধিগ্ৰহণ কৰিলে, কিন্তু কোনো কোনোৱে সম্পূৰ্ণ টকা পালে কোনো কোনোৱে আধা-খিনি পালে, কোনো কোনোৱে একেবাৰে আজিলৈকে পোৱা নাই। এইদৰে বৰলিয়া নদীৰ মথাউৰিৰ বাবে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ গৰীৱ ৰাইজে পোৱা নাই। অসমৰ বিভিন্ন ঠাইত প্ৰতি-ৰক্ষা বিভাগে মাটি অধিগ্ৰহণ কৰিছে ৰঙিয়াটো কৰিছে কিন্তু আজিলৈকে অধিগ্ৰহণ কৰা মাটিৰ ক্ষতিপূৰণ দিয়াত নানাভাৱে গাফিলতি কৰি পলম কৰিছে। জোৰ কৰি মানুহৰ মাটি লৈ কেম্প্‌ কৰিলে, বিল্‌ডিং সাজিলে অথচ মানুহে ক্ষতিপূৰণ পোৱা নাই। গতিকে এইটো দিয়াৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। D. C. এ যেনেকৈ কাম নকৰে ঠিক তেনেকৈ Staff এও কাম নকৰে। কামৰূপৰ D. C. প্ৰধান আলহীৰ পিচে পিচে ঘূৰি ফুৰোতেই যায়। গতিকে যি ধৰণে কাম হব লাগে ঠিক সেই ধৰণে কাম হোৱা নাই। বিমান ঘাটিলৈ যাব, ঘূৰি আহি বৰমূৰীয়া আলহীৰ পিচে পিচে ঘূৰি ফুৰে। গতিকে কামৰূপৰ D. C. ক যথাযথ ভাৱে কাম কৰাৰ দায়িত দিয়ক নহলে প্ৰশাসন যন্ত্ৰটো শিথিল হৈ যাব। D. C. ৰ অফিচত কোনো কাম নহয়। এই ক্ষতিপূৰণৰ ক্ষেত্ৰত মানুহ অহা-যোৱা কৰি থাকে কিন্তু কাম নহয়। গতিকে এনেকুৱা ধৰণৰ যাতে ঘটনা নঘটে তাৰ কাৰণে যথাযথ ব্যৱস্থা কৰিব লাগে। ঠিক এই ধৰণে শুক্লা নৈৰ ক্ষেত্ৰতো হৈছে।

Mr. Speaker— I want to have a decision [of the as regards the time limit.

Shri Dulal Chandra Barua – Sir, many of our members were absent. They have come to-day. We will have a joint discussion as to the allotment of time to-day in the evening. Because time is ours and we are to fix up it accordingly. Some of us may speak in a subject on which others may not speak. Therefore, in order to see that our time is not wasted we will make the rationing of time by discussing among ourselves and we will let you know it to-morrow.

Mr. Speaker – Therefore, I have asked the hon' members to ration the time among themselves so that other members can get opportunity to speak. আপোনালোকৰ সুবিধাৰ বাবে সময় থিক কৰি লব লাগিব ।

Shri Kamini Mohan Sarma – ৰঙিয়াত থকা E&D. Subdivision টো Division কৰাৰ কাৰণে ৰাইজে দাবী কৰি আছে । এইটোক নলবাবীৰ লগত সাঙুৰি দিছে । ৰঙিয়াৰ ৰাইজে আবেদন কৰি আহিছে যে E&D Subdivision টো গুৱাহাটীৰ লগত থাকিব লাগে । শুক্লা নদীত যোৱা ডিচেম্বৰ মাহত First Class গাড়ী এখন পৰি মানুহ মৰিল । P. W. D. ৰাস্তাৰ কাম চলি আছে নে নাই, S. D. O. আছে নে নাই তাৰ কোনো বিচাৰ নাই । এতিয়া বোলে ঢাকন দিয়াৰ বাবে চেষ্টা কৰিছে । এই S. D. O. জন বদলি কৰিব লাগে । Sign board নোহোৱাৰ কাৰণে গাড়ী পৰি মানুহ মৰি গ'ল । ৰঙিয়া গোৰেশ্বৰ ৰাস্তাৰ পুঠি মাৰি নদীৰ কাউৰ বহা ঘাটৰ দলংখন আজি দুবছৰে তিতকুৰী ঘাটৰ দলংখন Sanction হোৱা আজি দুবছৰ হ'ল কিন্তু দলংখনৰ কাম আৰম্ভ হোৱা নাই

ৰঙিয়া টাউনৰ ৰৰলীয়া নদীৰ দলংখন Sanction হোৱা আজি ৪ বছৰ হ'ল, কিন্তু দলঙৰ কাম আজিলৈকে কিয় কৰা হোৱা নাই মই আচৰিত হৈছো। কামবোৰ ফাইলতে ঘূৰী ফুৰে। মন প্ৰাণ দি দেশ গঠনৰ কাম বুলি ভাবি নকৰে। নিকা প্ৰশাসন কৰিবলৈ হলে এইবিলাক কাম প্ৰত্যেক বিভাগে যথাযথ ভাৱে কৰিব লাগে। এইদৰে কৰিলে দেশ উন্নতিৰ পথত আগবাঢ়ি যাব।

Shri Lakshyadhar Choudhury— অধ্যক্ষ মহোদয়, সাধাৰণ প্ৰসাশনৰ বিষয়ে বহুতো সদস্যই পৰামৰ্শ আগবঢ়াইছে, মইও কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আজি আমাৰ প্ৰসাশনক দুশাসন বুলি অভি-হিত কৰিব পাৰি। আজি ৰাতিপুৱা P. W. D. বিষয়ৰ প্ৰসাশনৰ ক্ষেত্ৰত আমি পাইছো যে 4th 5 year Plan ত যিবিলাক কাম নিৰ্দ্ধাৰণ কৰিছিল, সেইবিলাক প্ৰশাসনীয় অকৰ্ম্মণ্যতা আৰু অৱহেলাৰ কাৰণে 4th 5 year Plan ৰ শেষ পৰ্য্যায়তো কাম বিলাকত অগ্ৰসৰ হোৱা নাই। তাৰ পিচত পুনৰবাসনৰ ক্ষেত্ৰত গৌৰৱ কৰিছে যে— বঙ্গদেশৰ পৰা অহা এক লাখ মানুহৰ ব্যৱস্থা কৰিছে। কিন্তু আমাৰ আগতে যিবিলাক লোক আহিছিল সেই সকলৰ আজিও পুনৰবাসনৰ ব্যৱস্থা হোৱা নাই। এই পুনববাসন বিভাগৰ কৰ্ম্ম-চাৰীসকল আজি ১৮ বছৰেও Confirm নহ'ল। ১০ বছৰ কাম কৰাৰ পিচতো এই বিভাগত আৰক্ষী বিষয়া আছে। গতিকে নিজৰে নিৰাপত্তা নাই— আনক কি নিৰাপত্তা দিব। সেই কাৰণে মই আশা কৰো এই বিভাগটোত যি দুৰ্নীতি সোমাইছে তাক দূৰ কৰি আন ঠাইৰ পৰা দুৰ্গত লোকসকলৰ ব্যৱস্থা কৰি দিব লাগে।

এতিয়া মই উদ্যোগ বিভাগৰ কথা কওঁ। এই বিভাগত কোনো প্ৰশাসন নাই বুলি কলেও অত্যুক্তি কৰা নহব। ইয়াত যি বিলাক উদ্যোগ প্ৰতিস্থানৰ কাৰণে কোনো কোনো ক্ষেত্ৰত যি দুই এজন মেম্বৰ লোৱা হৈছে তেওঁলোকে কোনো এখন মিটিঙতে উপস্থিত নাথাকে— অথচ তেওঁলোকে T. A. আৰু D. A. হয়তো লৈয়ে আছে। প্ৰশাসন ইমান শিথিল হৈছে যে তাৰ ফলত উদ্যোগ

প্ৰতিস্থান বিলাক ওপৰলৈ যোৱাৰ দূৰৰে কথা তলৰ ফালেহে গৈছে। Associate Industry টো গলেই Hard Board ও যাওঁ যাওঁ। India Carbon যত ৩০০% লাভ হয় এই প্ৰতিস্থানটোই দুটা Industry ৰ Licence লৈয়ো তাক প্ৰতিস্থা দিবস মন্ত্ৰীৰে উদযাপন কৰাৰ পিচতো Industry দুটা আজিও হোৱা নাই। এইটোও প্ৰশসানীয় ব্যৱস্থা নহয়নে।

জিলা প্ৰশাসনৰ অৱস্থা এনেকুৱা হৈছে যে বিশেষকৈ গুৱাহাটীত জিলা প্ৰশাসনৰ অস্থিত্ব নোহোৱাৰ দৰে হৈছে। বিত্ত মন্ত্ৰীয়ে Greater গুৱাহাটীত Scheduled Caste, Scheduled Tribes ৰ মানুহক ২০০ বিঘা মাটি দিয়া হৈছে বুলি কৈছে। কিন্তু Scheduled Caste বা Scheduled Tribes ৰ মানুহে এতিয়ালৈকে এক ইঞ্চিও পোৱা নাই মাত্ৰ আমাৰ প্ৰশাসনীয় দুৰৱস্থাৰ কাৰণে। আমাৰ বিত্ত মন্ত্ৰীয়েও তেখেতৰ বাজেট বক্তৃতাত কৈছে যে ১০০ টা এনে ধৰণৰ পৰিয়ালক ২½ কঠাকৈ মাটি দিয়া হৈছে। কিন্তু S. D. C. আৰু মণ্ডল আদি মাটি সম্পৰ্কীয় বিষয়াৰ গাফিলতিত সেইবিলাক একো হোৱা নাই আৰু এই লোকসকলে মাটি পোৱা নাই।

বৃহত্তৰ গুৱাহাটীৰ মাটি বিতৰণৰ কাৰণে যি ব্যৱস্থা আছে তাত ডাঙৰ ডাঙৰ বিষয়াসকলে হস্তক্ষেপ কৰি আহিছে। গুৱাহাটীৰ D.C. অনিল চৌধুৰী পিতা—শনিৰাম। শনিবাৰে মাটিলৈ সোমবাৰে ১২ বিঘা মাটি ম্যাদী কৰি লৈছে। মই কও বৃহত্তৰ গুৱাহাটীৰ মাটি পট্টনৰ যি ব্যৱস্থা হৈছে তাৰ এটা তদন্ত হব লাগে। কাৰণ সেই ঠাইতেই হেনো আমাৰ এই অমঙ্গলীয়া ৰাজধানীখন হোৱাৰ কথা উঠিছে। আৰু যদি তাত কোনোবাই কিবা নক্সা চাবলৈ যায় তেন্তে আগৰ বিয়া কৰাবলৈ গলে গা ধন দিব লগা হোৱাৰ দৰে নক্সা চাবলৈ গলেও গা ধন দিব লাগে। নহলে নক্সা চাবলৈ নাপায়। এই ধৰণৰ সোলোক-ঢোলক প্ৰশাসনীয় ব্যৱস্থা হোৱাৰ কাৰণে বিভাগ বিলাকত খেলি-মেলিৰ সৃষ্টি হৈছে। এতিয়া য়াহায়া খানৰ পুলিচ বা মিলিটাৰীয়ে মানুহ মৰিলে যেনেকৈ দায়ী নহয়

আমাৰ ইয়াতো কোনোবাই মানুহ মাৰিলেও তাৰ বিচাৰ নহয়। সিদিনা গৌৰীপুৰৰ জাতীয় ৰাস্তাৰ ওচৰতে এজন Tribal ডেকাক হত্যা কৰি পেলাই থৈ গ'ল। পোষ্টমৰ্টেমত ধৰা পৰিল যে মানুহজনক খুন্দিয়াই মৰা হ'ল। কিন্ত পুলিচে এতিয়াকৈ একো কৰিব নোৱাৰিলে। মই বেণু হাজৰিকাৰ কথা এতিয়া নকও। পিচত কম।

সিদিনা দাস ডাঙৰীয়াই কৈ গৈছে যে বৰপেটাত গফুৰ নামৰ এজন মণ্ডল আছে। S. D. O. এ হুকুম দি তেওক Suspend কৰালে। তেওঁক কোৱাৰ যদি Suspend কৰা স্বত্বেও এতিয়াও কেনেকৈ মণ্ডল হৈ আছে। তেওঁ কয় যে গুৱাহাটীত এজন D.C. আছে, বৰপেটাত নাই সেই কাৰণে তেৱে বৰপেটাৰ বোলে D. C. আৰু S. D. O. তেওৰ তলত আৰু তেওঁ তাৰ মানুহ বিলাকক কৈছে যে তেওঁলোকে তেওঁৰ বিৰুদ্ধে M. L. A. ৰ ওচৰলৈ মানুহ পঠোৱাৰ কাৰণে তেওঁলোকক বোলে বাংলা দেশলৈ নপঠায়। তেওঁলোকক পাকিস্তানলৈহে পঠাব। যেন চৌধুৰী minister নহৈ গফুৰ হে Minister হ'ল। এইবিলাক কথা কাকতে পত্ৰইও নিদিয়া হ'ল। এতিয়া কথা হল মন্ত্ৰী ডাঙৰ নে মণ্ডল ডাঙৰ। কিন্তু দেখা গৈছে বৰপেটাৰ মন্ত্ৰী, মণ্ডল সকলোৱেই ডাঙৰ। আমিও যদি বৰপেটাত ঘৰ লও তেতিয়া আমিও ডাঙৰ হম। এতেকে দেখা গৈছে এই বিলাক প্ৰশসান নহৈ দুঃশাসনহে হৈছে। দুঃশাসনে যেনেকৈ বস্ত্ৰ হৰণ কৰিছিল থিক সেইদৰে এই গফুৰহঁতৰ ৰখীয়া মানুহে ৰাইজৰ বস্ত্ৰ হৰণ কৰিছে। ৰহিমুদ্দিন চাহেবে তেওঁলোকৰ ওপৰত ভীমৰ গদা ঘূৰাবনে ? যি বৃহত্তৰ গুৱাহাটীত ২০০ পৰিয়ালক ২½ কঠাকৈ মাটি দিয়াৰ কথা কৈছে সেই Schedule Caste, Schedule Tribes ৰ মানুহে ১ ইঞ্চিও মাটি পোৱা নাই আৰু এজনেও পোৱা নাই। তেওঁলোকে নক্সা চাবলৈ গলেও পইচা দিব লাগে। মাটি জোখাবলৈ গলেও ফিটা মৰা কেইজনক মুখ মিঠা পকেট মিঠ কৰিব লাগে।

আমাৰ উদ্যোগ বিভাগৰ মন্ত্ৰী আহিছে। গতিকে উদ্যোগ বিভাগ। কথা আকৌ কও যে আপোনালোকে যিবিলাক মেম্বাৰ ৰাখিছে সেই

সকলে কোনো মিটিঙতে কোনো দিন উপস্থিত নাথাকে। আপোনালোকৰ উদ্যোগ বিভাগৰ মন্ত্ৰী দুজন আছে গতিকে দুয়োজনে এইবিলাক কথা চাব লাগে। তাকে নকৰি যি ঠাইলৈকে যায় তাতেই টিনত ভৰোৱা অনাৰসৰ ৰস খাই অমৃত খোৱাদি এই বিষয়া সকলো অমৰ হল।

এতিয়া দেখা গৈছে যে, প্ৰশাসনৰ ক্ষেত্ৰত ভালদৰেই বেমেজালি ঘটিছে আৰু ইয়াৰ ফলত গুৱাহাটীত যে একেবাৰে প্ৰশাসন নাই সেইটো প্ৰমাণিত হৈছে। এতিয়া এনে অৱস্থা হৈছে যে, কামৰূপত D. C. নহলেও চলে। 'কেৰাণী, মণ্ডল এইবিলাক আছে। কালি এজনে কৈছে যে,

"কেৰাণীয়েই কৰ্ণধাৰ
কত মৰিম অফিচাৰ
'এজ প্ৰপজ' মিনিষ্টাৰ
চলি আছে চৰকাৰ"।

ইয়াৰোপৰি গুৱাহাটীত যি Land Advisory Committee আছে তাত বিৰোধী দলৰ সদস্যই বেছি। তেওঁলোকক Over Shadowed কৰিবৰ কাৰণে মণ্ডল কংগ্ৰেছৰ চেক্ৰেটেৰী, জিলাৰ প্ৰেচিডেণ্ট, গাওঁ সভাৰ কংগ্ৰেছী প্ৰেচিডেণ্ট, সকলো কংগ্ৰেছৰ মানুহেই আছে। তাত কোনো বিচাৰ নহয়। তাত মই এবাৰ এটা প্ৰস্তাৱ কৰিছিলো যে, দূৰৰ পৰা অহালোক সকলৰ বাবে চাহ পানীৰ ব্যৱস্থা হব লাগে। আজিলৈকে তাত এই প্ৰস্তাৱটোহে পালন হৈ আছে। মাটি দিয়া হোৱা নাই। আনকি ট্ৰাইবেল বা চিডিউল শ্ৰেণীৰ মানুহেও মাটি পোৱা নাই। গুৱাহাটীত কোনো প্ৰশাসনেই নাই। মই কৈছো যে, কামৰূপৰ D. C. ক যদি অসমীয়া কোৱা হয়, মই অসমীয়া নহয়। তেওঁলোক হৈছে সৎসঙ্গ বিবৰ্জিত। গফুৰক খেদাব নোৱাৰে, কামৰূপৰ D. C. ক খেদাব নোৱাৰে। তেওঁলোকৰ গাত কবচ কুণ্ডল আছে। মই নিজে দেখিছো কামৰূপৰ D. C. অনিল কুমাৰ চৌধুৰী, পিতা— সভাৰাম, ১২ বিঘা মাটি

তেওঁৰ নিজৰ বাবে সংগ্ৰহ কৰিছে। শনিবাৰে মাটি পাইছে আৰু সোমবাৰে ম্যাদী হৈছে। এইটো কেনেকৈ হব পাৰে আপোনালোকে প্ৰমাণ কৰক। মই চচ্‌মা পিন্ধা নাই যদিও ভালকৈ দেখিছো। গতিকে মই ভাবো যি ক'লা তেওঁ খুব ভাগ্যৱান আৰু যিজন ক'লা আৰু কণা তেওঁ মহা সুখী। একো নেদেখা আৰু নুশুনাৰ সমান আৰাম নাই। গুৱাহাটীৰ বায়ু একেবাৰে বিষাক্ত হৈ গৈছে। তাত যদি ৰাজধানী হয় আমি ৰাজধানীৰ ইটাৰ তলতে মৰিব লাগিব। গতিকে প্ৰশাসন নিকা কৰিবলৈ সংকল্প কৰিব লাগে। প্ৰশাসন সুদৃঢ় ভাৱে গঢ়িবৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো।

Mr. Speaker vacated Chair and Mr. Chairman occupied at 11.54 A.M.)

Shri Narayan Chandra Bhuyan— মাননীয় চেয়াৰমেন মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি সাধাৰণ প্ৰশাসন সম্পৰ্কত দুআষাৰমান কথা কবলৈ আগবাঢ়িছো। আমাৰ ৰাজ্যখন ভাল বেয়া সম্পূণভাৱে প্ৰশসানৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে এই প্ৰশাসন যদি নিকা নহয়, আৰু ভাল নহয় তেন্তে আমাৰ ৰাজ্যত আমি যি আশা কৰিছো সেই আশা, সেই পৰিকল্পনা বাস্তৱত পৰিণত নহয়। আজি শাসনযন্ত্ৰ ভাল কৰাৰ বাবে চৰকাৰ তথা ৰাইজৰ ওপৰত যুটীয়াভাৱে নিৰ্ভৰ কৰিছে। এখন দেশৰ শাসনযন্ত্ৰ নিকা হবৰ দায়িত্ব আছে চৰকাৰী বিষয়া আৰু ৰাইজৰ ওপৰত। আজি আমাৰ দেশৰ সকলো বিষয়তে দূৰ্নীতি সোমাইছে বুলি আমি কৈছো। এই দূৰ্নীতিৰ পৰা মুক্ত হবৰ কাৰণে আমি সকলোৱেই উমৈহতীয়া ভাৱে প্ৰচেষ্টা চলাব লাগিব। এক পক্ষই দূৰ্নীতি আঁতৰাব নোৱাৰে। আজি আমাৰ দেশৰ, সমাজৰ সকলো লোকক যদি ন্যায় বিচাৰ দিব নোৱাৰো তেন্তে সেই দেশৰ প্ৰশাসন ভাল হৈছে বুলি কব নোৱাৰো। প্ৰশাসন ভাল কৰিবলৈ হলে সকলো দেশবাসীৰে উমৈহতীয়া চেষ্টা লাগিব। প্ৰশাসনত দূৰ্নীতি কেনেকৈ হৈছে? আজি প্ৰশাসন

যন্ত্র একেবাৰে তললৈ নামি গৈছে। ইয়াৰ বহুতো কাৰণ দেখা যায়। প্ৰথম কাৰণ হ'ল যে, আমাৰ দেশৰ জাতীয় জীৱনৰ যিটো ধাৰাবাহিক মানদণ্ড জীয়াই থকাৰ বাবে, সেইটোৰ সমতা ৰক্ষা কৰিবলৈ অপৰাগ হোৱাত কৰ্ম্মচাৰী সকলে অসৎ উপায় অৱলম্বন কৰি উপাৰ্জ্জনৰ ৰাস্টা উলিয়াইছে। গতিকে প্ৰশাসনৰ সংস্কাৰ সাধন কৰিবৰ হলে যিমান দূৰ পৰা যায়, কৰ্ম্মচাৰী সকলৰ অসন্তুষ্টি দূৰ কৰিবলৈ চৰকাৰে বিশেষভাৱে মনযোগ দিব লাগে। সকলো বিষয়াই যে দুৰ্নীতিত লিপ্ত এইটো নহয় বহুত ভাল বিষয়াও আছে। আমি সকলোৰে নিজ নিজ দায়িত্ব বুজি পাব লাগিব আৰু সকলোৰে সহযোগত প্ৰশাসন নিকা কৰি ৰাজ্যৰ উন্নতিৰ কাৰণে উমৈহতীয়া চেষ্টা চলাব লাগিব। আমি মুখেৰে কলেই নহয় সেই কাম অন্তৰেৰে কৰিব পাৰিছোনে নাই তাক বিশ্লেষণ কৰি চাব লাগিব। চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তসমূহ পালন বা কাৰ্যকৰী হৈছেনে নাই সেইটো আমি পৰীক্ষা কৰি চাব লাগে। আমাৰ কাম বিলাক নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত হৈছেনে নাই সেইটো লক্ষ্য কৰিব লাগিব। আজি যোগান বিভাগে "হলাৰ" দি নিবনুৱা সমস্যা সমাধান কৰাৰ আঁচনি লৈছে। কিন্তু দেখা গৈছে কিছুমান মানুহে Permit পোৱাত খিলঙৰ বিষয়া সকলৰ অযথা গাফিলতিৰ কাৰণে জিলাৰ বিষয়াৰ পৰা সময়মতে আৱশ্যকীয় কাগজ-পত্ৰ অহাটো Permit পোৱা নাই। ইয়াৰোপৰি টকা পইছা খৰছ কৰি আমাৰ গাঁৱলীয়া গৰীৱ ৰাইজ আহি মন্ত্ৰীৰ পৰা লিখাই নিদিলে "হলাৰ" Permit নাপায়। গতিকে দৰ্নীতি দূৰ কৰিবলৈ হলে আমি উমৈহতীয়া ভাৱে চেষ্টা কৰি আমাৰ দোষসমূহ দূৰ যদি নকৰো, তেতিয়া হলে সুদক্ষ প্ৰশাসন হব নোৱাৰে। আমি সুদক্ষ প্ৰশাসন তৈয়াৰ কৰিবলৈ হলে আত্ম বিশ্লেষণ কৰি দুৰ্নীতি নিবাৰণ কৰি পৰম্পৰা ৰক্ষা কৰি প্ৰশাসনৰ সংস্কাৰ সাধন কৰিব পাৰিলেহে আমাৰ দেশৰ উন্নতি হব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

*Shri Phani Bora— সভাপতি মহোদয়, আমাৰ ভূঞা ডাঙৰীয়াই এই মাত্ৰ যিটো আকাঙ্খা আৰু আশা প্ৰকাশ কৰিছে যে আমাৰ প্ৰশাসন

সুদক্ষ আৰু নকৈ হব লাগে আৰু তাৰ কাৰণে বাস্তৱ পৰিৱেশৰ সৃষ্টি কৰিব লাগে। তেওঁৰ এই আকাংখাৰ লগত মই একমত আৰু বিশেষকৈ এই কাৰণে যে বৰ্ত্তমান দেশত প্ৰশাসনৰ কাৰণে যি আদৰ্শ লোৱা হৈছে, প্ৰগতিশীল আদৰ্শ লোৱা বুলি চৰকাৰে দাবী কৰিছে। সেই আদৰ্শ যে প্ৰকৃততে আংশিকভাৱে তেওঁলোকে অন্তৰৰ পৰা গ্ৰহণ কৰিছে, তেনেহলে তেওঁলোকৰ পক্ষক কৰ্ত্তাই এই সদনত পৰিস্কাৰভাৱে ডাঙি ধৰি সেই আদৰ্শ কৰ্তব্যত পৰিণত কৰাৰ কাৰণে কিছুমান প্ৰশাসন পৰিবৰ্তন প্ৰস্তাৱ আগবঢ়াওক।

কিন্তু দুৰ্ভাগ্যবশতঃ আমাৰ গৰ্ভনৰৰ বক্তৃতাত বা বাজেট বক্তৃতাত কোনো পৰিৱৰ্ত্তনৰ ইঙ্গিত দেখিবলৈ পোৱা নাই। গতানুগতিকভাৱে তেওঁলোকে কথাবোৰ কৈছে। আজি প্ৰকৃত পক্ষে যি সমস্যাৰ সন্মুখিন হব লগা হৈছে সেই সমস্যা সমাধান কৰিবলৈ হলে আমাৰ ইমান দিন চলি থকা প্ৰশাসন যন্ত্ৰ পৰিৱৰ্তন নকৰাকৈ কোনো কথাই সম্ভৱ নহব। ব্যক্তিগতভাৱে যেতিয়া আমাৰ বিভিন্ন মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰো যেতিয়া তেওঁলোকে সকলো বিষয়ত আমাৰ লগতে একমত হৈ স্বীকাৰ কৰে যে সঁচাকৈ আজি আমাৰ প্ৰসাশন যন্ত্ৰ অচল হৈ পৰিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত যিয়ে প্ৰশাসন যন্ত্ৰ পৰিচালনা কৰিবলৈ কৰ্ত্তব্য হাতত লৈছে তেওঁলোকে প্ৰশাসনৰ আমূল পৰিৱৰ্ত্তন আনিবৰ কাৰণে এটা পৰিষ্কাৰ দৃষ্টিভঙ্গি আছে বুলি মই কব নোৱাৰো। ইয়াৰ কাৰণটো হৈছে যে এটা প্ৰশাসন যন্ত্ৰ এটা বিশেষ অৱস্থাত প্ৰস্তুত কৰা হৈছিল। আৰু সেই প্ৰশাসন যন্ত্ৰৰ পৰা দূৰ হৈ আহিবৰ কাৰণে বৈপ্লৱিক পৰিৱৰ্তনৰ প্ৰয়োজন। সেইটো নোহোৱাৰ কাৰণেই এনে পৰিণতিত উপনিত হৈছে। ইয়াৰ পৰিৱৰ্ত্তনৰ চিন্তা কৰা নাই। এই বৈপ্লৱিক চিন্তাধাৰাৰ পৰা বিৰত থকা কাৰণেই বেছি নেলাগে কেইটামান কথালৈ লক্ষ্য কৰিলেই দেখিবলৈ পাও যে কিছুমান সমস্যা যেনে Medical আৰু Public health department ত কোনো এটা Service rule নাই। ইয়াৰ কাৰণে ইয়াত যাৰ যেনেকৈ ইচ্ছা ঠিক তেনেদৰেই চলাই থকা হৈছে।

* Speech not corrected

এটা উদাহৰণ স্বৰূপে মই কৈছো Cotton কলেজৰ Seniority fixation ক্ষেত্ৰত, এই বিষয়ে এতিয়ালৈকে উপনিত হব পৰা নাই। আজি আমাৰ প্ৰশাসন যন্ত্ৰৰ সমস্যাৰ কথা কিছুমান, বিশেষকৈ Transfer ৰ বিষয়ত। এজন অফিচাৰ, যিজন অকৰ্মণ্য বুলি প্ৰমাণিত হৈছে তেওঁক genune case ত Transfer কৰক। কিন্তু আজি যিজনেই অকৰ্মণ্য তেওঁকেই দেখিব এখন ঠাইত ৰাখি থৈছে। বিশেষকৈ দেখিব যিজনে নিজৰ দায়িত্ব পালন কৰিছে সৎ-ভাৱে তেওঁক Transfer কৰিছে ৩/৪ মাহৰ মূৰে মূৰে। আৰু যিজন অলপ হলেও দুৰ্নীতিত লিপ্ত দেখিব সেই জনেই এখন ঠাইত ৮/১০ বছৰলৈকে সেই একে ঠাইতেই। Pious wish express কৰাৰ কোনো লাভ নাই। কোনো এটা ভিত্তিত নহয়। কোনো এজন অফিচাৰৰ Transfer ৰ ক্ষেত্ৰত কোনো efficiency ৰ প্ৰশ্ন নহয়। Transfer ৰো এটা Principle থাকিব লাগে। কোনো আসুৱাহ থাকিলে Transfer কৰা বা কোনোবা এজনৰ under ত কাম কৰিবলৈ দিয়া সকলো বোৰৰে এটা Principle থাকিব লাগে।

Appoinment ৰ ক্ষেত্ৰতো কোনো Principle নোহোৱাকৈয়ে appoinment কৰা হয়। মই এটা Elementary Education Board ৰ কথা কওঁ। নগাঁও Sub-division ত Regional Boardত দূৰভাগ্যবশতঃ বেচিভাগ member য়েই আমাৰ বিৰোধী পক্ষৰ আছিল। উদাহৰণ স্বৰূপে কওঁ যেতিয়া কিছুমান Permanent Post ওলাল তেতিয়া মিটিংৰ সময়ত M.L.A. জনে বিশেষ অসুবিধাৰ কাৰণে যাব নোৱাৰি Telegram কৰিলে। কিন্তু তেওঁলোকে মিটিং Pospond কৰিব নোৱাৰো বুলি মিটিং কৰিবলৈ order দিলে।

সেই মিটিংৰ Chairman জন কংগ্ৰেছী আছিল, নিয়োগ সংক্ৰান্তত কিছুমান uninumous Principle থিক কৰা হৈছিল। কিন্তু Principle মতে কাম নোহোৱাৰ কাৰণে সদস্য সকলে walk out কৰিবলৈ বাধ্য হয়। qualification অনুযায়ী যোগ্যতা নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে Principle লোৱা হৈছিল, এই নিয়ম

কৰা হৈছিল যাতে কোনেও টকা পইচা খাবলৈ সুবিধা নাপায়। আমি কমিটি কৰিবলৈ গৈছিলো ন্যায় পদ্ধতিত কাম কৰিবলৈ, আমাৰ অনুপস্থিতি কোনোবা মানুহক কাম দিয়ে দিয়ক। কিন্তু Principle মতে দিয়ক। এই out look লৈ দেশ চলাবলৈ আহিছে। গাৰ জোৰেৰে কৰিবলৈ বিচাৰিছে, গাৰ জোৰেৰে কৰিলে নহব, তেনে কৰিলে Voluters আনি পিঠিৰ চাল উঠাই দিম, গাৰ জোৰেৰে কাম কৰিবলৈ গলে এনে পৰিস্থিতিৰ সন্মুখীন হব লাগিব আৰু আমিও তেনে কৰিবলৈ বাধ্য হম। পুলিচ, পুলি চলৈ আমি ভ্ৰুক্ষেপ নকৰো। তাৰ পাচত ৩ বছৰৰ আগতে Supply Sub-Inspector ৰ কাৰণে কিছুমান লৰাই Court fee দি দৰ্খাস্ত দিছিল। কিন্তু এতিয়ালৈকে তাৰ ব্যৱস্থা হোৱা নাই। পৰীক্ষা লৈ List কৰা হল। কিন্তু কোনোবা Officer অসন্তুষ্ট হল, সেই কাৰণে আকৌ পৰীক্ষা লোৱা হব। কিন্তু মই জনা মতে যিবিলাক লৰাই পৰীক্ষা দিছিল তেওঁলোকক appoinment দিয়া হোৱা নাই। এনেকুবা হলে আমাৰ দেশ কিবা প্ৰগতিৰ পথত আগবাঢ়িব পাৰিবনে ?

মই মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা কব খুজিছো যে কোনোবা মানুহক Naxalite বুলি ধৰে আৰু বিচাৰ নকৰাকৈ জেইলত ভৰাই থয়। গোৱালপাৰা জিলাত কমিউনিষ্ট পাৰ্টিৰ প্ৰতিনিধি কেইজনমানক Naxalite বুলি জেইলত ভৰাই থোৱা হল। কিন্তু প্ৰকৃততে তেওঁলোক Naxalite নহয়, কমিউনিষ্ট হে! এইবিলাক পুলিচ বিভাগৰ কাম নহয়, ওপৰৰ নিৰ্দ্দেশতহে এইটো হৈছে, যদি দেশত কিবা আন্দোলন হয় আৰু জনসাধাৰণক Naxalite বুলি জেইলত ভৰাই থয় তেনেহলে এইটো কি প্ৰশংসনীয় ব্যৱস্থা।

আমাৰ চৰকাৰে Land চিলিং Act ৰ ব্যৱস্থা কৰিছে। সেই Act মতে মাটি ভগাই দিবৰ কাৰণে বিভিন্ন ঠাইত ব্যৱস্থা লোৱাৰ কথা আছিল। আৰু কোনো কোনো ঠাইত দিয়াও হৈছিল। কিন্তু চোনাগুৰি Tea-estate ত মাটি আমাৰ যিবিলাক অসমীয়া মানুহে দখল কৰি আছিল তেওঁলোকক উচ্ছেদ কৰিবলৈ Labour ক লগাই দিলে, কিন্তু চৰকাৰে চাহ বাগিছাৰ ওপৰঞ্চি মাটি আমাৰ

মানুহক দিয়াৰ নীতি লৈছে, কিন্তু সেই মাটি যদি আমাৰ মানুহে দখল কৰি ৰাখিব পাৰে তেনেহলে সেইটো অন্যায় নেকি ?

Shri Mahendra Mohan Choudhury – দখল স্বত্বৰ পৰা মানুহক উচ্ছেদ কৰিব নোৱাৰে।

*Shri Phani Bora – মইতো তাৰে উদাহৰণ দিছো। মোৰ হাতত নানা ধৰণৰ উদাহৰণ বহুত আছে। ডিব্ৰুগড়, নগাঁও, শিলচৰ, নগাঁও আদি প্ৰায় বিলাক ঠাইতেই এনেকুৱা উদাহৰণ দেখুৱাব পাৰি। মোৰ ঘৰ যদি কোনোবাই জুই লগাবলৈ আহে আত্মৰক্ষাৰ কাৰণে আমি যদি সেই মানুহৰ ওপৰত বোমা পেলাই দিও তেতিয়া আমাক Naxalite বুলি কবনে ? সেই কাৰণে মই কৈছো যে এই ক্ষেত্ৰত দৃষ্টি ভঙ্গী পৰিৱৰ্ত্তন কৰিব লাগে।

( সময়ৰ সংকেত )

যদি আমাৰ Officer সকলে ৰাইজৰ প্ৰতিনিধিৰ কথা নুশুনে ৰাইজৰ কথা নুশুনে, চৰকাৰৰ কথা নুশুনে তেনেহলে আমি শুদ্ধ প্ৰশাসনৰ আশা কৰিছো সেইটো কেতিয়াও বাস্তৱত ৰূপায়িত হব নোৱাৰে। সেই কাৰণে এনেধৰণৰ Officer ৰ দৃষ্টি ভঙ্গীৰ পৰিবৰ্ত্তনৰ কাৰণে Volunter বাহিনীৰ সহায় লব লাগিব।

আমাৰ জাতীয় জীৱন আৰু কৰ্মজীৱনৰ বৈপ্লৱিক পৰিবৰ্ত্তন আনিব লাগিব। প্ৰশাসনীয় ব্যৱস্থা যাতে জনসাধাৰণৰ গোচৰ হয় তাৰ কাৰণে চিন্তা কৰিবলগীয়া আছে, সেই কাৰণে প্ৰশাসনীয় ব্যৱস্থা বিকেন্দ্ৰীকৰণৰ প্ৰয়োজন, মই ভাবো কেন্দ্ৰীভূত আৰু বিকেন্দ্ৰীকৰণৰ মাজত পৰস্পৰ বিৰোধ নাই। বিকেন্দ্ৰীকৰণত যদি ওপৰত control নাথাকে তেনেহলে বিকেন্দ্ৰীকৰণৰ পৰা Mobocracy হব, Democracy নাথাকিব।

আজি নগাঁও জিলাৰ নিচিনা এখন জিলাক ৩টা ভাগত বিভক্ত

*Speech not Corrected

কৰি শাসন ব্যৱস্থা নকৰিলে শাসন চলোৱা সম্ভৱ নহয়, সেই কাৰণে Nowgong জিলাত আৰু দুটা মহকুমা স্থাপন কৰিব লাগে। তেনেকৈয়ে ধেমাজী, উত্তৰ লক্ষীমপুৰ আৰু দৰং জিলাক জিলালৈ ৰূপান্তৰ কৰিব লাগে। গতিকে বিকেন্দ্ৰীকৰণ আৰু কেন্দ্ৰীভূতৰ ওপৰত Controle ৰাখি তাৰ যোগেদি ওপৰৰ পৰা যদি নিৰ্দ্দেশ দি প্ৰশাসন চলাব নোৱাৰে তেনেহলে জনসাধাৰণৰ সহায় লব লাগিব, লাঠিৰ সহায় লব লাগিব, প্ৰ ৰেণ ধনঞ্জয় ব্যৱস্থা লব লাগিব। তলৰ পৰা প্ৰকৃত পক্ষে শাসকযন্ত্ৰ পৰিবৰ্ত্তন নহব পাৰে সেই কাৰণে ওপৰতেই দৃষ্টি ভঙ্গীৰ পৰিবৰ্ত্তন কৰিব লাগিব। যিবিলাকে দৃষ্টিভঙ্গী পৰিবৰ্ত্তন কৰিব নোখোজে সেইবিলাকৰ বাবে জনসাধাৰণৰ সহায় লব লাগিব।

আমাৰ Party office গুৱাহাটীত থকাৰ কাৰণেই মই বহুত সময়ত গুৱাহাটীত থাকিব লাগে আৰু সেই কাৰণেই মই গুৱাহাটীৰ কথা ভালকৈ জানো। চৌধুৰী ডাঙৰীয়াই যি কথা কৈছে তাক মই সমৰ্থন কৰিছো।

তলৰ পৰা অহা যিবিলাক ভাল Officer আছে আৰু যিসকলৰ দৃষ্টিভঙ্গী পৰিবৰ্ত্তন হৈছে তেওঁলোকৰ ওপৰত প্ৰশাসনৰ দায়িত্ব অৰ্পণ কৰিব লাগে। চৰকাৰে Land Reform ৰ ক্ষেত্ৰত কি আইন পাছ কৰিছে সেই আইন কাৰ্যকৰী কৰিবলৈ যিখিনি উপযুক্ত Officer আমাৰ আছে তেওঁলোকক কাৰ্য্যভাৰ দিব লাগে। Officer সকলৰ বাবে Character Roll এটা বৰ সাংঘাটিক বস্তু। বৃটিছৰ দিনত যেতিয়া Charater Roll ৰ ওপৰত যদি কিবা বেয়া লিখিব লগা হয় তেনেহলে Officer জনক Notice দিব লাগে। কিন্তু সেইটো আজি নাই, কিন্তু তেওক যদি বিপদত পেলাব লাগে তেনেহলে সেইটো উলিয়াব। মোৰ বন্ধু গৌৰীশঙ্কৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই কোৱাৰ দৰে মইও কও যে মাছ গেলিলে পোনতে মূৰটোহে গেলে মূৰটো ভালে থাকিলে মাছটোও ভালে থাকে। সেই কাৰণে মূৰটো ঠিক কৰক। মূৰ বুলিলে প্ৰথমতে মন্ত্ৰীসভা খনক বুজাই গতিকে এই মন্ত্ৰীসভাখনেই

প্ৰথমতে থিক কৰক। নহলে বিৰাট Violent Movement হ'ব।

Mr. Chairman— Order, Order, Mr. Huda will participate next. The House stands adjourned till 2 P.M.

## ADJOURNMENT

The House then adjourned for lunch till 2 P. M.

( After lunch )

Mr. Speaker— We should finish the discussion at 3.30 P. M.

Shri Dulal Chandra Barua— The hon' Members would continue upto 4 P. M. ; then the Chief Minister would reply.

*M. Shamsul Huda— অধ্যক্ষ মহোদয়, ১১ নং আৰু ১২ নং দাবীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। আমাৰ প্ৰশাসনীয় ব্যৱস্থাৰ আমূল পৰিৱৰ্ত্তন নকৰিলে ইয়াৰ উন্নতি হোৱাৰ কোনো সম্ভাৱনা নাই, প্ৰয়োজন হলে Operation কৰিব লাগিব। কংগ্ৰেছ চৰকাৰে যদিও সমাজবাদ বুলি কৈছে, প্ৰকৃত পক্ষে নিম্নতম গণতন্ত্ৰও চলা নাই। চলিছে অৰাজকতা, শিথিলতা আৰু স্বজনপ্ৰীতি। ইয়াৰ কাৰণ হৈছে মন্ত্ৰী সভাৰ দুৰ্বলতা। সচিবালয়ত দেখা যায় দুই এজন মন্ত্ৰীৰ বাহিৰে সচিব সকলৰ নমো নমো ভাৱ। তেওলোকৰ দৃঢ়তা নাই। কিয় এই নমো নমো ভাৱ কব নোৱাৰো। কোনোৱে অৱশ্যে মইমতালি ভাবো নেদেখুৱা নহয়। আৰু তেওলোকে মন্ত্ৰীৰ হুকুমকো কাৰ্যকৰী নকৰে। কাৰ্য্যকৰী কিয় নকৰে ? ইয়াৰ কাৰণেও দায়ী মন্ত্ৰী সকলেই। কাৰণ মন্ত্ৰীয়েই সচিব সকলক নিৰ্দ্দেশ দি থব পাৰে। বহুত ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ ঘনাই ঘনাই হোৱা বাবেও এই শিথিলতা হৈছে। আমি ভৈয়ামৰ পৰা ঘনাই ঘনাই সোৱৰাই থাকিলেও যথাসময়ত কামবিলাক হৈ

* Speech not Corrected

নুঠে ।

দ্বিতীয় কথা কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্দ্দেশ দিয়ে IAS আনিব লাগে আৰু লাগিব লাগে বুলিয়েই আমাৰ চৰকাৰেও আনে । ইয়াতে আৱশ্যক আছে-নাই সেইটো নেচায় । IAS সকলৰ বেচি ভাগেই Arts Graduate আৰু তেওঁলোকক ডাক্তৰিটো লগাব পাৰি কবিৰাজিটো লগাব পাৰি হোটেলটো লগাব পাৰি শিক্ষাটো লগাব পাৰি শিল্পটো লগাব পাৰি । মুঠতে IAS হৈছে মকৰধ্বজ । Technical কামবোৰ non-technical মানুহে কেনেকৈ কৰিব পাৰে— যেনে medical, Engineering, Industry আদি বিভাগ IAS বোৰে কেনেকৈ চলাব । কলাগুৰু IAS সকলে হয়তো সাধাৰণ বিভাগবোৰ চলাব পাৰে কিন্তু যত বিশেষত্ব দৰকাৰ সেইবোৰ বিভাগ IAS এ কেনেকৈ চলাব । ফলত এই বিসঙ্গতি ঘটিছে । শিক্ষা বিভাগত যি জনৰ গোটেই জীৱনৰ অভিজ্ঞতা আছে সেইজনক সচিব নেপাতি চৰকাৰে পাতিছে IAS এজন । অভিজ্ঞ এজনক মুৰব্বী নেপাতি চৰকাৰে পাতিছে পুথিগত বিদ্যাত পাকৈত IAS জনক । ৰাজহ বিষয়ত অভিজ্ঞতা থকাজনক সচিব নেপাতি পাতিছে পুথিগত বিদ্যাত পাৰ্গত্ত IAS জনক । আজি বিশেষকৈ technical বিষয়ত IAS নিদি দিব লাগে সেই বিষয়ত অভিজ্ঞলোকক, যি গোটেই জীৱন কাম কৰি অভিজ্ঞতা অৰ্জ্জন কৰিছে । এনে নকৰাৰ কাৰণেই বেমেজালি ঘটিছে ।

মই কেইটামান Technical বিভাগৰ কথা কওঁ । এই বিভাগ বিলাকত মুৰব্বীবিলাক টেকনিকেল মানুহ হলে বহুতো বেমেজালিৰ ওৰ পৰিব । উদাহৰণ স্বৰূপে মই কব খোজো— (1) Chairman Electricity Board (2) Chairman Construction Corporation (3) Chairman Assam Cement factory (4) Chairman House Corporation (5) Chairman Town development authority (6) Chairman Ware Housing Corporation (7) Chairman State Transport Corporation (8) Commissioner of Transport (9) Development Com-

missioner (10) Secy, Transport Tourism & Industries (11) Secy, Regional Transport authority (12) Director State Transport (13) Director Tourism (14) Dircetor Industries (15) Executive offiicer Municipal Board (16) D. T. O. আদি Non টেকনিকেল মানুহতকৈ Technical মানুহ হোৱা দৰকাৰ। এই কামবিলাক Non Technical মানুহক দিয়া কাৰণে প্ৰশাসন তথা বিভাগত বেমেজালি ঘটিছে। আৰু সামগ্ৰিকভাৱে ৰাজ্যৰ উন্নতিৰ ব্যাঘাট ঘটিছে। গতিকে প্ৰশাসন সংস্কাৰ কৰিবলৈ হলে এইবিলাক মানুহ টেকনিকেল দিব লাগিব। আজি এজন A C. S. ভালদৰে কাম নকৰে কিয়নে তাৰ Promotion ৰ পথ ৰুদ্ধ হৈ আছে। অথচ এই অফিচাৰ সকলে তলৰ পৰা কাম কৰি নানা অভিজ্ঞতা অৰ্জ্জন কৰিছে। কিন্তু তেওঁৰ প্ৰমোচনৰ আশা নাই কাৰণ তেওঁৰ ওপৰত অনভিজ্ঞ I.A.S. অফিচাৰ আছে। গতিকে এই A. C. S. অফিচাৰে যাতে যথাসময়ত I. A. S লৈ প্ৰামোচন পাই তাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ পাচত A. C. S ৰ যি দুটা ভাগ আছে এইবাবে প্ৰশাসনত শিথিলত আহিছে। গতিকে A. C. S I আৰু A. C. S II একে কৰি দিলে প্ৰশাসনত শিথিলতা দূৰ হব। তাৰ পাছত আৰু এটা কথা মই উল্লেখ কৰো। প্ৰায় সকলো বিভাগতে দেখা যায় অৱসৰ লবলগীয়া কৰ্মচাৰী সকলক বেচি অভিজ্ঞতা আছে বুলি আৰু গোপনীয় Report ভালে থকাৰ কাৰণে মূৰব্বী পাতি দিয়া হয় কিন্তু সেই মূৰব্বী জনৰ বিভাগৰ কাম কৰাত কোনো প্ৰবৃত্তি নাথাকে। গতিকে যিমানদিন কামত থাকে কিছু উপৰুৱা পইচা অৰ্জন কৰাত ব্যস্ত হৈ পৰে। গতিকে দায়িত্ব পূৰ্ণ বিষয়াৰ ওপৰত চোকা নজৰ ৰাখিব লাগে। নাইবা তেওঁক সেই পদৰ পৰা আঁতৰাই আন কামত দিব লাগে। এনে ধৰণৰ কিছুমান সংস্কাৰ কৰি প্ৰশাসনৰ শিথিলতা দূৰ কৰিব লাগে সেইটো নকৰিলে তাৰফল ভোগ কৰিব লাগিব। এনেদিন আহিব ৰাইজে বাটতে ধৰি ঠেং ভাঙিব, অথাৎ ৰাইজেই বিচাৰ লব। আজি চৰকাৰৰ উদ্দেশ্য হৈছে কিছুমান চাকৰি দিয়া তেওঁলোকে কৰ্তব্য

কৰক নকৰক পইচা পাই আছে প্ৰকৃত উদ্দেশ্য হৈছে জনসাধাৰণৰ সেৱা আৰু সেইটোৱেই হোৱা নাই। মাটি বিতৰণৰ ক্ষেত্ৰটো বহুতো বেমেজালী হৈ আছে। ১০/২০ বছৰৰ আগতে দৰ্খাস্ত কৰিও মাটি পোৱা নাই। নিৰ্ব্বাচনৰ আগতে দুজনমানক চাকৰি দি দূৰ্নীতি কৰিছে। গতিকে প্ৰশাসন নিকা কৰিবৰ কাৰণে অনুৰোধ কৰিলো নহলে ৰাইজে নিজে শাসন হাতলৈ আনিব। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

*Shri Govinda Chandra Bora— মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণ প্ৰশাসনৰ শিতানত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে মই সেই প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। প্ৰথমতে আমাৰ যিবিলাক প্ৰধান Department সেইবিলাকত থকা দূৰ্নীতি দূৰ কৰিব লাগে। কাৰণ যিসকল অফিচাৰে বিভাগ চলায় সেইসকল I. A. S আৰু A. C. S. I আৰু A. C. S II অফিচাৰ। ইয়াৰোপৰি আমাৰ যি ১৩ টা বিভাগ আছে সেইবিলাকৰ মাজতো Co-ordination নাই। I. A. S আৰু A. C. S সকলৰ মাজত সদায়ে এটা মনোমালিন্যৰ ভাৱ। এই বিলাক কাৰণতেই প্ৰশাসনিক অৱস্থা দূৰ্ব্বল হৈ পৰিছে। আজি দেখা সাধাৰণ প্ৰশাসনৰ লগত বিশেষকৈ জনসাধাৰণৰ সম্পৰ্ক অতি ওচৰ। আজি দেখা গৈছে বানপানী হলে সেই সময়ত A. C. S অফিচাৰ সকল গৈ বানবিধস্ত অঞ্চল সমূহ পৰিদৰ্শন কৰে। ইয়াৰ পাচত যিবিলাক Report দিয়া হয়, সেই বিলাক চৰকাৰে কাৰ্য্যকৰী কৰেনে নকৰে— সেইটো চিন্তা কৰিব লাগে।

আমি যোৱা বানপানীত দেখিছো বানপানীয়ে ধান নষ্ট কৰিছে তাৰ কাৰণে পৰামৰ্শ দিয়া হৈছিল কঠিয়া দিবৰ কাৰণে। কিন্তু শিলঙত সিদ্ধান্ত হল Cash নিদি Kind দিয়াৰ। কিন্তু কঠিয়া সেই সময়ত বিচাৰি পোৱা নহল। টকা দিয়া হলে হয়তো মানুহ কঠিয়া কিনি মাটি ৰুব পাৰিলেহেঁতেন। কিন্তু পইচা নিদিয়াৰ কাৰণে কঠিয়া কিনিব নোৱাৰিলে। আনফালে চৰকাৰে কঠিয়া আহিন মাহত দিছে। সেই সময়ত কঠিয়া পাৰি মাটি কেনেকৈ ৰুব পাৰে। এই

* Speech not Corrected.

বিলাক কথা ভালকৈ চিন্তা নকৰাৰ কাৰণে ৰাইজৰ অসুবিধা হয়। ইয়াৰ ওপৰিও বানপানীয়ে যিবিলাক ৰাস্তা বা মথাউৰী ভাঙিলে তাৰ মেৰামতিৰ কাৰণে চৰকাৰে ষ্টেট ৰেলিফৰ পইচা নিদিয়ে। আমি আলোচনা কৰি সেইবিলাকৰ কাৰণে লিষ্ট পঠোৱা স্বত্বেও তাৰ টকা পোৱা নগল। আকৌ Cattle লোনৰ কাৰণে যি লিষ্ট দিয়া হৈছিল তাৰো কোনো কাম নহল। তাৰ পাচত আমি আঞ্চলিক পঞ্চায়তৰ সভাপতি আৰু M. L. A এ Minister ক ধৰাত Cattle লোনৰ কাৰণে ৬০ হাজাৰ আৰু ষ্টেট ৰিলিফৰ কাৰণে ১ লাখ টকা দিলে। কিন্তু সেই বিলাকো গণ্ডগোলৰ মাজতে ৰল। এইটো অৱশ্যে জিলা প্ৰশাসনৰ দোষ। চৰকাৰৰ নহয়। এই লোন বিলাক পাবলৈ ৰাইজে টকা দিয়াৰ ব্যৱস্থা বৰ অশুভনীয় হৈছে। এই ৰকমৰ লাজ লগা টকা খোৱা ব্যৱস্থাটো যিবিলাক কৰ্মচাৰীয়ে কৰিছে তেওঁলোকক ধৰি শাস্তি দিব লাগে নহলে দুৰ্নীতিয়ে প্ৰশাসন ব্যৱস্থা পঙ্গু কৰি পেলাব আৰু এই বিলাকৰ কাৰণে দেশখনে দুৰ্নাম লব লাগিব। আৰু বাহিৰৰ মানুহে শুনিলে আমাক হাঁহিব। গতিকে এই টকা লোৱা ব্যৱস্থাটো দূৰ কৰিবলৈ চৰকাৰে ব্যৱস্থা কৰিব লাগে। দেখা যায় চৰকাৰে যিবিলাক দুৰ্নীতি পৰায়ণ কৰ্মচাৰী কামৰ পৰা Suspend কৰে সেই বিলাক মানুহ পিচত সাৰি যায় আৰু একেলগে ৭/৮/৯/১০ বছৰৰ দৰমহা পাই যায়। গতিকে চৰকাৰ ইয়াৰ প্ৰতি ভাল ব্যৱস্থা লব লাগে যাতে দুষিয়ে শাস্তি পাই। ভাবিলে আচৰিত লাগে এই বিলাক কিহৰ দোষৰ কাৰণে হয় বোধহয় শিক্ষাৰ দোষ। আমাৰ শিক্ষা জাতীয় স্বভাৱ গঠনৰ পৰিপন্হি হব নালাগে। এই কথা সকলোৱে উপলব্ধি কৰা উচিত। প্ৰশাসনিক কাৰ্য্যত যি বিলাক I. A. S. বা A. C. S. বিষয়াই Inspection ত যায় তেওলোকে প্ৰকৃত Inspection নকৰে। জীপলৈ যায় আৰু কেতিয়া ঘূৰি ঘৰ পাইহি তাৰেইহে কিজানি চিন্তা। আগৰ দিনত আমাৰ মনত আছে অফিচাৰ বিলাকে Inspection বাংলাত ২/৩ দিন থাকি ভ্ৰমণ কৰি ৰাইজৰ অভাৱ অভিযোগ বিলাকৰ ভু লয় আৰু সেইমতে কাম কৰে। আশাকৰো মুখ্যমন্ত্ৰী

ডাঙৰীয়াই এই বিষয়ে বিষয়া সকলক নিৰ্দ্দেশ দিব ।

শিক্ষা বিভাগৰ সম্পৰ্কত কওঁ যে আমাৰ যি তিনিটা বিশ্ব-বিদ্যালয় আছে তিনিওটাই দোষ মুক্ত নহয় । ৰিশ্ববিদ্যালয়ৰ এই দোষ বিলাকৰ কাৰণে আমি মৰ্মাহত । বিশ্ববিদ্যালয়ৰ পৰা প্ৰশ্নকাকত 'লিক' হোৱাটো বৰ অশোভনীয় আৰু জগৰীয়া কথা । কাৰণ বিশ্ব-বিদ্যালয়েই হৈছে শিক্ষাৰ কেন্দ্ৰ । গতিকে এই বিশ্ববিদ্যালয় বিলাক যাতে সৰ্ব্বদোষ মুক্ত হয় তাৰ কাৰণে এহাতে বিশ্ববিদ্যালয় আৰু আনহাতে চৰকাৰ সৰ্ব্বশক্তি প্ৰয়োগ কৰিব লাগে ।

( সমন্বয়ৰ সংকেত )

ভুমি বিতৰণ সম্পৰ্কত এই কথাই মই কব খুজিছো যে প্ৰকৃত ভুমিহীন লোকক চৰকাৰে মাটি দিব পৰা নাই । ভুমিহীন মানুহ বিলাকক মাটি দি দেশৰ মঙ্গল কামনা কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ উঠিছে । চৰকাৰে ইয়াৰ সু-ব্যৱস্থা কৰিব লাগে । এই ক্ষেত্ৰত আমাৰ উত্তৰ লক্ষীমপুৰত বহু অসুবিধাৰ সৃষ্টি হৈছে । কাৰণ Settle-ment অফিচাৰজন থাকে ডিব্ৰুগড়ত । Land Settlement Advisory Board এ এই অসুবিধা বিলাক দৰ্শাই Settlement অফিচাৰজনক উত্তৰ লক্ষীমপুৰত থাকি কাম কৰিবলৈ পৰামৰ্শ দিছে । আৰু এই বিষয়ে মুখ্যমন্ত্ৰী যোত্তয়া ৰাজহ মন্ত্ৰী আছিল তেখেতেও জানে যে যোৱা ৯ বছৰমান লক্ষীমপুৰত Settlemant হোৱা নাছিল । আশাকৰো মুখ্যমন্ত্ৰী ডাঙৰীয়াই চকু দিব । উত্তৰ লক্ষীমপুৰৰ দুটা মহকুমা লৈ এখন নতুন জিলা গঠনৰ কাৰণে সহানুভুতিৰে বিবেচনা কৰিব । ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো ।

Shri Hiralal Patwary – মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণ প্ৰশাসনৰ বিষয়ে নিজ নিজ দৃষ্টি ভঙ্গীৰ বিষয়ে সকলোৱে মত প্ৰকাশ কৰিছে । সেই মতে মইয়ো মোৰ মত প্ৰকাশ কৰিবলৈ বিচাৰিছো ।

প্ৰথম কথা হৈছে আমাৰ প্ৰশাসনীয় ক্ষেত্ৰত কোনো ৰাজ্য বা ৰাষ্ট্ৰতে প্ৰশাসন ভাল বুলি কব নোৱাৰি । প্ৰত্যেক ৰাষ্ট্ৰৰে

প্ৰশাসন বেলেগ ধৰণৰ আৰু প্ৰশাসন বুলিলে বেলেগ বেলেগ ধৰণৰ প্ৰশাসনৰ কথা আহি পৰে। কিন্তু এতিয়ালৈকে আমাৰ কোনো সদস্যৰ পৰাই জানিবলৈ নাপালো যে অসমৰ প্ৰশাসন যদি বেয়া তেন্তে কোনটো প্ৰশাসন ভাল? সেই কথা কোনো এজন সদস্যই আঙুলিয়াই দিয়া নাই আৰু সেই বিলাক বিষয়ে পুঙ্খানুপুঙ্খৰূপে আলোচনা কৰিবলৈ বহুত সময়ৰ প্ৰয়োজন। কিন্তু মই ভাবো প্ৰশাসন যদি বুদ্ধিজীৱিৰ ওপৰত পৰে তেনেহলে সেই প্ৰশাসন বেয়া হয় আৰু যদি শ্ৰমজীৱিৰ ওপৰত পৰে সেই প্ৰশাসন ভাল হয়। কাৰণ বুদ্ধিজীৱি সকলে যেতিয়া শাসন কৰে তেতিয়া তেওঁলোকে ভাবে আমি ভালকৈয়ে শাসণ কৰিছো কিন্তু সেই শাসনৰ মাজতেই শোষণেই সোমাই থাকে। কিন্তু এইটো কথাহে উপলব্ধি কৰিছো। আজি পূব পাকিস্তানত কি হৈছে, শোষণৰ কোবত জুৰুলা হৈ পূব-পাকিস্তানৰ মানুহে আজি গণবিপ্লৱত ভৰি দিছেহি। আকৌ কেতিয়াবা কোনো প্ৰশাসন ভাল বুলি জনাৰ পিছতো আকৌ বেয়া হয়— Aub Khan ৰ প্ৰশাসন ভাল বুলি এসময়ত সকলোৱে কৈছিল আৰু সেই কাৰণেই তেওঁৰেই অনুগামী Yaha Khan ৰ প্ৰশাসন আৰম্ভ হ'ল। কিন্তু আজি সেই প্ৰশাসনক সকলোৱে গৰিহণা দিছে। চীন ৰাজ্যৰ শাসন সকলোৱে বেয়া বুলি কৈছিল কিন্তু সেই প্ৰশাসনৰ লগত পাকিস্তানে হাত মিলাইছে, চীন চৰকাৰে কৈছে পূব পাকিস্তানত কমহে মানুহ মৰিছে আৰু মাৰক গতিকে কাৰো কাৰণে কোনো প্ৰশাসন ভাল আৰু কাৰো কাৰণে কোনো প্ৰশাসন বেয়া।

১৯৬২ চনত চীন আক্ৰমণৰ সময়তে মই কৈছিলো যে এইবাৰ কল্কী অৱতাৰৰ উদ্ভৱ হৈছে। কল্কীয়েই হৈছে Violent কিন্তু আকৌ চাওক কংসই কৰা কাম Violent বুলি ধৰা হয় কিন্তু কৃষ্ণই কৰা কাম Violent নহয় বৰং ন্যায়হে।

Shri Kamakhaya Prasad Tripathi— দলৈলামা নামি আহোতে সকলোৱে কল্কী অৱতাৰ নামি আহিছে বুলি কৈছিল।

Shri Hiralal Patwary— সি যিয়েই নহওক এইদৰে চলি থাকিলে

কিন্তু Violence আহিবই। Political Theory মতে Democracy is by the people, of the people and for the people কিন্তু আমাৰ Democracy হলে by the people, of the people হলেও for the people নহয়। আমাৰ গণতন্ত্ৰ যদি for the people হয় তেতিয়া হলেহে গণতন্ত্ৰ তিষ্ঠি থাকিব নহলে একনায়কত্ববাদ আহিব। অসমত ৮৪ হাজাৰ মানুহে কাম কৰি আছে, ইমান বিলাক মানুহক নিযুক্তি নিদিয়া হলেও প্ৰশাসন চলি থাকিলেহেঁতেন, ইমানবিলাক মানুহৰ দৰ্মহাৰ কাৰণে টকা দিছে কিন্তু আনপিনে শোষণ বেচি হৈছে।

২য় কথা হৈছে যে প্ৰশাসনীয় পৰিকল্পনা যদি শুদ্ধ নহয় তেনেহলে প্ৰশাসনে থিক মতে কাম কৰিব নোৱাৰে। পৰিকল্পনা নাথাকিলে কি ধৰণেৰে কাম কৰিব লাগিব সেইটো কোনেও বুজিব নোৱাৰে। কেতিয়াবা আকৌ কোনো এজন মন্ত্ৰীয়ে কব এনেদৰে কাম কৰা আৰু আন এজনে কব আন ধৰণেৰে কাম কৰা কিন্তু পৰিকল্পনা থাকিলে এনেধৰণৰ বেমেজালি নহয়। অসমৰ জনসাধাৰণে ভাবে গণতন্ত্ৰ ভিত্তিত আমাৰ শাসন চলিব কিন্তু সেইটো জানো হৈছে ? গোটেই দেশতে মানুহৰ কি মনোভাব হৈছে সেইটো পাকিস্তানৰ ঘটনা চালেই বুজিব পাৰিব। আজি officer সকলে যদি জনসাধাৰণক শোষণ কৰিব খোজে তেনেহলে তেওঁলোকে কেনেকৈ শাসন কৰিব পাৰিব ?

Ram Mohan Lohia ৰ মতে, যদিও মই তেওঁৰ পন্থা নহয়—পঞ্চায়তক যদি অধিক ক্ষমতা দিয়া হয় তেনেহলে পঞ্চায়তত বেচি মানুহে যোগ দিব। অসমৰ প্ৰশাসন ক্ষেত্ৰত মই অনিচ্ছা স্বত্বেও এটা কথা কবলগীয়া হৈছো যোৱা নিৰ্ব্বাচনৰ সময়ত মোৰ বন্ধু ভুপেন হাজৰিকা আৰু গৌৰীশংকৰ ভট্টাচাৰ্য্য মোৰ তাত আছিলগৈ। তাতেই চোৰ সোমাই বস্তু বাহানী চুৰ কৰি নিলে আৰু পুলিচক এই খবৰ দিয়াৰ ৮ ঘন্টাৰ পাছতহে পুলিচৰ মানুহ আহি পালেহি। অৱশ্যে সেই চোৰ ধৰা পৰিল। যোৱা ৩১ তাৰিখে

আকৌ সেই চোৰেই মোৰ ঘৰ সোমাল, মোৰ চাকৰ বাকৰ বিলাক alert আছিল কাৰণে চোৰক কুঠাৰেৰে মৰিয়ালে আৰু শেষত সেই চোৰ মৰি থাকিল। এতিয়া কিছুমান মানুহে কৈছে যে সেই ঘটনাত Hiralal Patwari লিপ্ত আছে। এইয়েই কি সমাজতন্ত্ৰৰ নমুনা? Tangla থানাৰ দাৰোগা Mr. Deb য়ে মোৰ বিপক্ষে ১১ টা case দিছে, চুৰি ডকাইটি গুণ্ডামী যিমান charge থাকিব পাৰে সকলো charge দিছে, কিন্তু এটাৰো প্ৰমাণ দিব পৰা নাই। তেওঁ মোক কৈছিল তেওঁ বোলে মোক arrest কৰিব, মই কলো M. L. A ক arrest কৰিব নোৱাৰা। মই পুলিচৰ দয়া নিবিচাৰো কিন্তু মোৰ নিচিনা আন মানুহক এনে ভাবে arrest কৰে তেনেহলে গণতন্ত্ৰ ক'ত? অৱশ্যে বিপদত পৰিলে সেইজন মানুহ মোৰ ওচৰলৈ আহিব গতিকে গণতন্ত্ৰৰ নামত ষড়যন্ত্ৰ চলিছে। অসমৰ চাৰিওফালে বিপদ। হীৰালাল পাটোৱাৰীক arrest কৰক বা নকৰক সেইটো ডাঙৰ কথা নহয়। কিন্তু অসম বিপদগ্ৰস্ত হৈ পৰিছে।

এতিয়া পুলিছে কৈছে যে—Hiralal Patwary ও ইয়াত লিপ্ত আছে গতিকে তেখেতকো arrest কৰিব লাগে। ইয়াৰ লগত কেইজনমান কংগ্ৰেছী ভদ্ৰলোক জড়িত হৈয়েই এই ষড়যন্ত্ৰ চলিছে। এনেকুৱা কত, কেতিয়া কি ষড়যন্ত্ৰ হয় তাৰ কোনো ঠিক নাই।

নৱমীৰ দিনা মোৰ against এ ১৮ ধাৰাৰ case আনিছে। চোৰি, ডকাইতি, বদমাইচি যিমান যত আছে সকলো মিলাই এই ১৮ ধাৰাৰ case মোৰ বিৰুদ্ধে আনিছে। কিন্তু তাৰ এটা allegation ও হলে প্ৰমাণ কৰিব পৰা নাই। মই অৱশ্যে এটা Privilege-motion আনিমেই। গতিকে তেতিয়াই সকলো বিবৰি কোৱা যাব। দাৰোগা এজনে জানো এজন M. L. A- ক arrest কৰিব পাৰে? পুলিচ অফিচাৰৰ অৱশ্যে মই কোনো দয়া নিবিচাৰো। মোক arrest কৰিব নোৱাৰে সঁচা কথা। কিন্তু অন্য কিছুমান লোককতো কোনো দোষ নোহোৱাকৈ ষড়যন্ত্ৰ কৰি arrest কৰে তেন্তে গণতন্ত্ৰ বৰ্ত্তি থাকিব কেনেকৈ? মই চৰকাৰক সতৰ্ক কৰি

দিছো যে গণতন্ত্ৰৰ নামত ষড়যন্ত্ৰ কৰি চাৰিওফালে কেৱল বিপদৰহে সূচনা কৰিছে। আমাৰ ভিতৰতেই পঞ্চম বাহিনীৰ লোক সোমাই আছে। তেওঁলোকে কোন সময়ত কাৰ বিৰুদ্ধে কেনে ধৰণৰ ষড়যন্ত্ৰ কৰি বিপদগ্ৰস্ত কৰি তুলিব পাৰে সেইটোৰেই একমাত্ৰ লক্ষ্য হৈ পৰিছে। আজি পাকিস্তানত যি ঘটিছে তাত কৰিবলগীয়াখিনি চৰকাৰে কৰিবই কিন্তু কি কৰে সেই কথাটোহে আমি লক্ষ্য কৰিব লাগিব।

Dibrugarh ত ঘটা ঘটনা চক্ৰত মুখ্যমন্ত্ৰীয়ে Co-operation কৰিবলৈ Phone কৰা স্বত্বেও কোনেও Surrender কৰা নাই। সকলোৰে ত্ৰুটী হয়—কিন্তু তাত যদি মিনিষ্টাৰৰো ত্ৰুটী হয় তেনেহলে তাত মোৰ কবলগীয়া একো নাই। যিফালেই চোৱা যায় সেই ফালেই কেৱল ত্ৰুটী বিচ্যুতিহে দেখা যায়। আজি বাংলাদেশত মোৰ ২০ জন Relative ৰ কোনো পাত্তা নাই। এজন আহিছে তেওঁ চিন্তা কৰি আছে। আজি অসমৰ কাৰণে কি চিন্তা কৰিছে। আজি আমাৰ প্ৰশাসক সকলৰ লক্ষ্য হৈছে বিলাসিতা। বিলাসিতা তেওঁলোকে কমাব লাগিব। কাৰণ গণতন্ত্ৰত বিলাসিতাৰ স্থান নাই। আমাৰ ৰাজ্যৰ বিভিন্ন সম্প্ৰদায়ৰ লোক সকলক ন্যায় বিচাৰ দিবলৈ হলে—বিলাসিতা পৰিত্যাগ কৰাৰ মনোভাৱ লব লাগিব।

( সময়ৰ সংকেট )

স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা অৰ্থাৎ ১৯৪৭ চনৰ পিছৰ পৰাই তেজপুৰ, গুৱাহাটী, শিলচৰ আদি বিভিন্ন জেগাত পুলিচ কমিশ্যন বহিছে যদিও কমিশ্যনে হলে তাৰ report দাখিল নকৰে। এজন পুলিচে বেদখল কৰাৰ খবৰ দিবলৈ যোৱা এজন মুছলমানক গুলি কৰি মাৰো বুলিয়েই মাৰি পেলালে। যদি এনেকুৱাই হয় তেতিয়া হলে কেনেকৈ হব ? এনেকুৱা প্ৰশাসন সম্বন্ধে মুখ্যমন্ত্ৰীয়ে চিন্তা কৰক। মই বেছি নকও মাত্ৰ চৰকাৰক কেইটামান পৰামৰ্শ দিওঁ। প্ৰথম কথা হ'ল—কেনেকৈ আমি প্ৰশাসনীয় খৰছ কমাই জনসাধাৰণৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামত তাক লগাব পাৰো তাৰ চিন্তা চৰকাৰে কৰক। দ্বিতীয়তে, অসমত বসবাস কৰা বিভিন্ন সম্পদায়ৰ

আশা-আকাংখ্যা কেনেকৈ পূৰণ কৰিব পাৰি তাৰ চিন্তা কৰিব লাগে। তৃতীয়তে, আমাৰ মন্ত্ৰীসকলৰ tour Programme ৰ Gazette notification হব লাগে যাতে সেই জেগাৰ বাইজে কম খৰছতে নিজৰ অভাৱ-অভিযোগবোৰ মন্ত্ৰীৰ আগত খিলঙলৈ নহাকৈয়ে উথাপন কৰিব পাৰে। চতুৰ্থতে প্ৰশাসনীয় যন্ত্ৰটোৱে কেনেকৈ state income বঢ়াব পাৰে তাৰ চিন্তা কৰিব লাগে। মই ভাৰতবৰ্ষৰ বিভিন্ন জেগা ভ্ৰমণ কৰি যিটো অভিজ্ঞতা হৈছে তাৰ পৰা এইটো দাবি কৰ পাৰো যে, অসমৰ নিচিনা Raw materials ভাৰতবৰ্ষৰ ক'তো নাই। কিন্তু এই সকলোবিলাক কামত নলগোৱাৰ কাৰণে নষ্ট হৈ গৈছে। আজি সদনত যিটো আলোচনা হৈছে ই আজিৰ ২৩ বছৰৰ আগৰ আলোচনা— সমালোচনাতকৈ বহুত বহুত বেলেগ। আজি বিত্তমন্ত্ৰীয়ে বাজেট বক্তৃতা দিলে। ৰাজ্যপালেও তেখেতৰ ভাষণ দিলে। তাৰ ওপৰত আমি সমালোচনাও কৰিছো। কিন্তু আজি ২৩ বছৰৰ পিছত পৃথিৱীত যিটো গতি আছে— ওচৰ চুবুৰীয়া ৰাজ্যত যিটো গতি হৈছে সি বহুত বেলেগ। গতিকে আমাৰ মন্ত্ৰীসকলে সকলো দোষক্ৰুটি সংশোধন কৰিবৰ হ'ল। তেওঁলোকে আজি আমাৰ প্ৰশাসনৰ ক্ষেত্ৰত দেখা দিয়া প্ৰতিবন্ধক বিলাকৰ প্ৰতি বিশেষভাৱে চিন্তা কৰাৰ প্ৰয়োজন। মই ভাবো যে আমাৰ প্ৰশাসনীয় যন্ত্ৰটো ৰাজধানী পৰ্য্যায় বা ওপৰ মহলত Centralised নহৈ যেন জিলা স্তৰতে Centralised হয় তাৰ প্ৰতি বিশেষ নজৰ দিব লাগে। কাৰণ জিলা স্তৰত প্ৰশাসনটো Centralise হলে তেতিয়া প্ৰশাসনীয় যন্ত্ৰটো জনসাধাৰণৰ কাষ চাপিব আৰু তেতিয়া তাৰ পৰা তেওঁলোক উপকৃত হব পাৰিব। এই খিনিকেই কৈ মই প্ৰশাসনীয় যন্ত্ৰটোৰ আমূল পৰিৱৰ্ত্তন কামনা কৰি বহিলো।

*Shrimati Pranita Talukdar—মাননীয় অধ্যক্ষ মহোদয়, প্ৰশাসন ব্যৱস্থাৰ ওপৰত আমাৰ চৰকাৰৰ তৰফৰ পৰা যি মঞ্জুৰীৰ প্ৰস্তাৱ ডাঙি ধৰিছে তাক সমৰ্থন নকৰি দুটামান কথা কব খুজিছো। আমাৰ ৰাজ্যখনৰ মূল কথা হ'ল প্ৰশাসনীয় ব্যৱস্থা। কিয়নো বিভিন্ন বিভাগত

উন্নতি মূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু আমাৰ দেশৰ জনসাধাৰণৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ এই প্ৰশাসনীয় যন্ত্ৰটো নিতান্ত প্ৰয়োজনীয়। আমাৰ গণতান্ত্ৰিক ৰাজ্যখনত উন্নয়ন মূলক বা কল্যাণ মূলক কামৰ বাবে প্ৰশাসন যন্ত্ৰটো ঠিক হব লাগিব। কিন্তু আজি দেখা গৈছে যে আমাৰ চৰকাৰে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যোগেৰে আমাৰ জনসাধাৰণৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু এই ব্যৱস্থা বিলাকৰ বেছি ভাগেই কাৰ্য্যকৰী হোৱা নাই। আজি আমাৰ চৰকাৰে বহুতো বেলেগ বেলেগ বিভাগ খুলিছে আৰু বিষয়া নিয়োগ কৰিছে Directorate ও হৈছে। কিন্তু প্ৰশাসনৰ পৰিবৰ্ত্তন হোৱা নাই। গতিকে আশাকৰো এই পুৰণি ব্যৱস্থা বিলাক গুচাই নতুন ব্যৱস্থা গ্ৰহণ কৰি যিমান পৰা যায় তাৰ প্ৰতি চোকা দৃষ্টি-ভঙ্গি গ্ৰহণ কৰিব লাগে। আজি মাননীয় সদস্য সকলে বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত গড়কাপ্তানি বিভাগৰ ক্ষেত্ৰত শিক্ষাৰ ক্ষেত্ৰত সামাজিক ক্ষেত্ৰত যিবিলাক চৰকাৰী বিষয়াৰ দূৰ্নীতিৰ কথা উত্থাপন কৰিছে সেইবিলাক ক্ষেত্ৰত চৰকাৰে চোকা নজৰ নিক্ষেপ কৰিবৰ প্ৰয়োজন হৈ পৰিছে। এই দূৰ্নীতি বিলাকৰ কাৰণে জনসাধাৰণে বিশেষ জুলুম ভোগ কৰিব লগীয়া হৈছে। ফলত চৰকাৰৰ প্ৰতি জনসাধাৰণৰ অসন্তোষ ভাবে দেখা দিছে। এই বিষয়ে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। মোৰ বোধেৰে আমাৰ যি CID বিভাগ আছে এই বিভাগটোক তনকীয়াল আৰু শক্তিশালী কৰিব লাগে আৰু CID সংখ্যা বৃদ্ধি কৰিব লাগে। পৰা পক্ষত গুপ্তচৰ নিয়োগ কৰি দূৰ্নীতি বিলাক ধৰা পেলোৱাৰ চেষ্টা কৰিব লাগে।

আৰু এটা কথা আমি দেখিবলৈ পাইছো। মন্ত্ৰীসকলে যি হুকুম দিয়ে তাক অফিচাৰ সকলে Carry out নকৰে। মোৰ সমষ্টিত যিটো বৰনগৰ বুলি কলেজ আছে তাৰ ওচৰত এটা Electrical Sub-station আছে। এই Eletrical Sub-station ৰ পৰা

*Speech not Corrected.

Electric তাঁৰ আঁহোতে কলেজৰ boundary ৰ আধা হৈ থকা foundation আন ঠাইলৈ উঠাই নিব লগীয়া হল। ফলত কলেজৰ কৃত্ পক্ষই যথেষ্ট খৰশ্তত হবলগীয়া হল। ইয়াৰ ক্ষতি পূৰণৰ বাবে আমাৰ Electrical বিভাগৰ মন্ত্ৰীক আবেদন কৰা হৈছিল। তেখেতে অৱশ্যে বিদ্যুৎ বিভাগৰ বিষয়াজনক কৈয়ো দিছিল। কিন্তু দুখৰ বিষয় আজি ৩ বছৰে ইয়াৰ কোনো ক্ষতিপূৰণ দিয়া নাই। কেতিয়াবা এখন চিঠি দিয়ে Colleg Office Hostel ত Wire কৰি দিম, কেতিয়াবা তাৰ ওলোটা লিখে। এই বিলাক বিষয়াসকলৰ খাম-খেয়ালী। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে এই খাম-খেয়ালী বিলাক দূৰ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে আমি সদনত বক্তৃতাৰ যোগে বাইজৰ বহুত অভাৱ অভিযোগ ডাঙি ধৰো কিন্তু দুখৰ বিষয় সি কাৰ্য্যকৰী নহয়। উদাহৰণ স্বৰূপে এটা কথা কব খোজো আৰু আগতেও সদনত মই কৈছিলো যে মোৰ সমষ্টিত ভুলুকা ডবাত এটা Medical Sub-Center আছে। কিন্তু দুখৰ বিষয় আজি ১ বছৰ হল তাৰ Compounder, Chowkider এ এতিয়াও দৰমহা পোৱা নাই। ঔষধ পাতি নাই। গতিকে এই বিলাক খোলাৰ লগে লগে বাইজৰ যাতে উন্নতি বা কামত লাগে তাৰ বাবেও পৰ্যবেক্ষণ কৰা উচিত।

এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বক্তব্য শেষ কৰিলো।

**Shri M. A. Musawwir Choudhury**— অধ্যক্ষ মহোদয়, এই শাসন প্ৰশাসনৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআৰমান কথা কব বিচাৰিছো—আমাৰ শাসনৰ মূৰব্বী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী মুখ্যমন্ত্ৰী হৈ নিজে শিক্ষা বিভাগৰ কামটো হাতত লোৱাত মই ভাবিছিলো নোকোৱাকৈয়ে এতিয়া শিক্ষা বিভাগৰ কাম বিলাক হৈ যাব। কিন্তু এই শিক্ষা বিভাগত ইমান দুৰ্নীতি আছে যে বোধকৰো অন্যান্য বিভাগত তেনে নহয়।

তেখেতে শিক্ষা বিভাগটো হাতত লোৱাৰ লগে লগে Revise

Scale হল আৰু সেইমতে সকলোৱে ১৯৬৪ চনৰ পৰা বেতন পাইছে। তেখেতে আশা দিয়া মতে ৫ মাহৰ আগতে মই আৰু দুজন মাননীয় সদস্যই এটা প্ৰস্তাৱ ডাঙি ধৰিছিলো যে, অসমত থকা সংস্কৃত আৰু হাই মাদ্ৰাছা স্কুল বিলাকৰ Revise Scale হব লাগে। কাৰণ তেওঁলোকৰ Revise Scale নকৰাত কোনো Benifit পোৱা নাই।

অসমত মাত্ৰ ৮ খন Senior Madrassa আছে। এই ৮ খনৰ কাৰণে চৰকাৰে Pay Scale Revise নকৰিলে। মুছলমানৰ স্কুল বুলিয়েই নকৰিলেনে নে—কি বুলি নকৰিলে আমি বুজিব নোৱা-ৰিলো। যদি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ মুৰব্বী হৈ এইদৰে মুছলিম—হিন্দুৰ মাজত বিভাজনৰ সৃষ্টি কৰে তেনেহলে ভাৰতবৰ্ষৰ বা অসমক আমি কেনেকৈ Secular State বুলি কম? আমি ভাবিছিলো অসমো এখন ধৰ্মনিৰপেক্ষ ৰাজ্য। ইয়াত সকলোৰে সমান অধিকাৰ আছে আৰু সকলোৱে ইয়াত সমানে সুবিধা পাব। কিন্তু এতিয়া দেখা গল যে মুছলিম বিলাকক অৱজ্ঞা কৰি মাদ্ৰাছা স্কুল বিলাকে Revise Pay Scale ৰ Benifit পোৱা নাই। তাৰে টোল বিলাকৰ চৌকীদাৰ পৰ্য্যন্ত এই Benifit পাইছে। মন্ত্ৰী মহোদয়ে যদি এই দৰে সাম্প্ৰদায়িক মনোভাৱ সৃষ্টি কৰে তেন্তে এইটো অশোভনীয় কথা। সেই কাৰণে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ যে যাতে Senior Madrasa বিলাকো এই Revise Pay Scale ৰ Benifit পায়।

দ্বিতীয়তে মই মোৰাঝাৰ হাইস্কুলৰ কথা কব বিচাৰিছো যে তাৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে Inspector ৰ ওচৰত ৰাইজে অভিযোগ আনিছে, কিন্তু অনুসন্ধান কৰা নাই। এতিয়া ৰাইজ হতাশ হৈছে আৰু স্কুলখন Derecognised হৈছে। প্ৰধান শিক্ষকজনৰ নাম হল শ্ৰীহৰিশ্চন্দ্ৰ ডেকা। তেখেতে নিয়ম কৰি দিছে যে এবাৰ মেট্ৰিকত ফেইল কৰিলে সেই স্কুললৈ পুনৰ আহিবলৈ দিয়া নহয়। তেখেত এক মাহৰ ছুটিত যাওঁতে শ্ৰীলুটফুৰ ৰহমানে পুনৰ ছাত্ৰসকলক ভৰ্ত্তি কৰিছিল। কিন্তু প্ৰধান শিক্ষকজন পুনৰ ঘুৰি আহি ষড়যন্ত্ৰ

কৰি লুটফুৰ ৰহমানক তাৰ পৰা খেদি দিয়ে।

তাৰ পাছত মোৰাঝাৰ ইউনিয় Cooperatinve Society ৰ বাবে ৫ হেজাৰ টকা চান্দা তুলি প্ৰধান শিক্ষকৰ হাতত জমা দিয়ে। কিন্তু তেখেতে দুই হাজাৰ টকা জমা দি বাকী ৩ হেজাৰ টকা আত্মসাৎ কৰিছে। এই বিষয়ে ৰাইজে Inspector ৰ ওচৰত অভিযোগ দিছে। কিন্তু আজিলৈকে তদন্ত হোৱা নাই। এই ধৰণে দুৰ্নীতি পৰায়ণ শিক্ষক সকলক আশ্ৰয় দি আছে। যোৱা বছৰ ভৰকা চৰকাৰী সা হায়্যাপ্ৰাপ্ত স্কুলৰ প্ৰধান শিক্ষকজনে এজন graduate Teacher নিয়োগ কৰিছে বুলি দেখুৱাই, Inspector জনৰ লগত যোগাযোগ কৰি এবছৰৰ দৰমহা টকা ১৬৯৩ টকা draw কৰিছে। Managing কমিটিয়ে Inspector ৰ ওচৰত অভিযোগ দাখিল কৰিছে, কিন্তু অনুসন্ধান কৰা নাই। লামডিঙৰ মানুহ এজনে ৪ মাহ ঘূৰি ঘূৰি লৰা এজনক Transfer কৰিব নোৱাৰিলে। কাৰণ endrocement কৰি নিদিয়ে। Inspector জনে ঘূচিয়াই মানুহজনৰ নাক ভাঙিলে। Inspector জন Criminal Case ত implecate হয়। ১৯৬৯ চনত তিনিবাৰ Transfer কৰা হৈছে, বাৰে বাৰে লিখা হৈছে; কিন্তু এতিয়াও দুৰ্নীতি কৰিয়েই আছে। শিক্ষাই ভৱিষ্যত নাগৰিক সকলক গঢ়ি তোলে, কিন্তু এতিয়া এই বিভাগটো দুৰ্নীতি সোমাইছে। গতিকে এই শাসন যন্ত্ৰটোৰ ওপৰত আস্থা নাই।

দ্বিতীয়তে মাটিৰ বিষয়ত ৰাজহ বিভাগে কেনেদৰে প্ৰতাৰণা কৰি আছে, তাৰ মই উপমা দিব খুজিছো। নগাও ৰাজহৰা Union firming Society ক grow more food Compaign Scheme ত ১২ শ বিঘা মাটি পট্টা দিয়া হৈছে। অন্যহাতেদি লাওখোৱাৰ মাটিহীন লোকক মাটি দিবৰ উপায় নাই। এই ১২ শ বিঘা মাটি প্ৰত্যেক জনক ১০ বিঘাকৈ পট্টন দিব লাগে আৰু এইদৰে কৰিলে ১২০ জনক পট্টন দিব পৰা হব। জুৰিয়া মৌজাত গৰীব প্ৰকৃততে ৩৫০ ঘৰ আছে। তেওঁলোকক ৩ বিঘাকৈ পট্টন দি এজন লোকে

জমিদাৰী চলাইছে। তেওঁ মাটি লৈ জমিদাৰী চলাইছে; এই সম্পৰ্কে অভিযোগ কৰিছে কিন্তু forest minister এ Stay কৰি দিয়ে। লাওখোৱাত ১২ শ বিঘা মাটি বেদখল কৰি আছে, দুৰ্নীতিৰে ৰেজিষ্টাৰ কৰি আছে। আমাৰ চলিহা ডাঙৰীয়া এবছৰ বিচনাত পৰি থাকোতেও কিছু Secretary, Director আৰু সৰু সৰু অফিচাৰ সকলে ভয় কৰিছিল। বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ কি intrigate আছে কব নোৱাৰো, শ্ৰীমইনুল হক চৌধুৰীয়ে Pipe Scandal ৰ কথা কলে তেখেত মনে মনে থাকে। গতিকে তেখেতৰ তলত থকা অফিচাৰ বিলাকে তেখেতক কেনেকৈ মানি চলিব। গতিকে দুৰ্ব্বলতা বিলাক দূৰ কৰিবলৈ চেষ্টা কৰক আৰু ফৰেষ্টৰ এহেজাৰ বিঘা মাটি বেছি যাই আছে তাত মাটিহীনৰ নামত পট্টন দিয়ক। নগাওঁ জিলাৰ A. D. C. ৰ বৰ লাভৱান বেপাৰ চলি আছে। জুৰিয়াত murder হ'ল, ৫/৬ জনক এৰেষ্ট কৰিছে। ১০/১২ দিন আগতে Bail ৰ বাবে move কৰাৰ কাৰণে সোনকালে Case খন discharge কৰিছে। এইটোৰ বাবে ৫ হেজাৰ টকা লৈছে। গতিকে নিকা প্ৰশাসন কৰিবলৈ এইটো ব্যৱস্থা লব লাগে যাতে দুৰ্নীতিৰ অভিযোগ উঠিলেই শাস্তি বিহিব লাগে। তাৰ পিচত নগাওঁ জিলাৰ ৰাঙলুক কথা মুখ্যমন্ত্ৰীয়ে জানে। তাত এজন জমিদাৰে বহুত মাটি খাই আছে। তাত থকা মাটিহীন লোকে পট্টন পোৱা নাই আৰু দুই অলপ পাইছে। তাৰ পিচত নগাওঁ জিলাৰ পুলিচে ঘৰত জুই দিছে, মাৰ-পিট কৰিছে। গতিকে এতিয়া গণতন্ত্ৰবাদৰ নামত ধনতন্ত্ৰবাদ চলিছে। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে চিন্তা কৰি চোৱা উচিত।

Shri Jalalluddin Ahmed—অধ্যক্ষ মহোদয়, আমাৰ এই শাসন যন্ত্ৰটো দুৰ্নীতি পৰায়ণ অফিচাৰ বিলাকে শেষ কৰি পেলাইছে।

১নং দুৰ্নীতি— যোৱা বছৰ বানপানীৰ সময়ত গৰু ম'হ ইত্যাদি মৰাও চৰকাৰৰ ফালৰ পৰা Cattle loan দিয়াৰ কথা ঘোষণা কৰিছিল। ইয়াৰ পৰিমাণ আছিল ৩০ হেজাৰ টকা। Secretariate ৰ

পৰা S. D. C. অফিচলৈ order পঠিয়াইছিল আৰু বৰপেটাৰ ৩০ হেজাৰ মানুহে দৰখাস্ত কৰিলে। Court fee Stamp এটকাকৈ লগাওঁতে চৰকাৰে ৩০ হেজাৰ দৰখাস্তৰ পৰা পালে ৩০ হেজাৰ টকা। তাৰ পিচত কেৰাণীক ৫ টকাকৈ দিব লাগে। এই ধৰণে ৰাইজৰ পৰা নিলে ১½ লাখ টকা। তাৰ পিচত মণ্ডলৰ বাবে ৰিপোৰ্ট আনিবৰ বাবে মণ্ডলক ভেটি দিব লগা হ'ল ৫০ টকাকৈ। এই ধৰণে মণ্ডলবিলাকে খালে ১৫ লাখ টকা। এতিয়া বৰপেটাৰ মণ্ডল বিলাকে যিমান ধুনীয়া ঘৰ বনাইছে হায়দৰাবাদৰ নিজাম বাহাদুৰৰ ঘৰতকৈও ধুনীয়া। এইটোৰ তদন্ত কৰিবৰ কাৰণে সদন চলি থকা অৱস্থাতে তদন্ত কমিটি পঠিয়াব লাগে। ১৫ জন মণ্ডলৰ ঘৰ এনেকুৱা হৈছে। একোটা ঘৰৰ দাম কমেও ৫০/৬০ হেজাৰ টকা হব, আনহাতেদি দৰমহা পায় মাত্ৰ ১২০-১৩৫ টকা আৰু পৰিয়ালত মানুহ আছে ৭/৮ জন। এনেকুৱা এটা পৰিয়াল চলিবৰ কাৰণে অন্ততঃ ৫/৬ শ টকা লাগিব। গতিকে অনতি পলমে এই বিলাক তদন্ত কৰিব লাগে।

২নং দুৰ্নীতি— বানপানীৰ সময়ত ঘৰ ভঙাৰ বাবে ৰাইজে দৰখাস্ত দিলে ৩০ হেজাৰ। কিন্তু টকা গ'ল মাত্ৰ ১৫ হেজাৰ আৰু ৰাইজে তাৰ বাবে খৰছ কৰিলে ২½ লাখ টকা। দৰখাস্ত কৰিবৰ কাৰণে মানুহে মণ্ডলৰ পৰা জমান বন্দীৰ কপি বাহিৰ কৰিব লাগে। কিন্তু জমা বন্দীৰ কাৰণে ফিজ দিব লাগে ৫০ টকা। ঠিক সেইদৰে Agriculture Loan ৰ কাৰণে মাটি mortgage দিব লাগে আৰু Small Scale industry ৰ কাৰণেও mortgage দিব লাগে। এইবিলাকত মণ্ডল বিলাকে টকা অৰ্জ্জন কৰি আছে। নদীৰ গৰাখহনীয়া হোৱাৰ বাবে মাটিৰ বাবে আবেদন কৰিবৰ কাৰণে মণ্ডলৰ ৰিপোৰ্ট দিব লাগে। যিবিলাক মানুহে পইচা দিব পৰা নাই তেওঁলোকে মাটি পোৱা নাই আৰু যিসকলৰ এক ইঞ্চি মাটিও গৰাখহনীয়াই নষ্ট কৰা নাই সেই সকলে মণ্ডলক পইচা খোৱাই মাটি পাইছে। কাৰণ তেওঁলোকে নদীৰ গৰাখহনীয়াৰ ৰিপোৰ্ট দিয়াৰ কাৰণে হাজাৰ

হাজাৰ টকা দিব পাৰে আৰু তেওঁলোকে মাটি পাই আছে। ফলত গৰাখহনীয়াৰ কবলত পৰা লোকসকল এতিয়া ব্ৰহ্মপুত্ৰৰ মধ্যাউৰীত, P. W. D. ৰাস্তাত আৰু ব্ৰহ্মপুত্ৰৰ বালিচৰত থাকিব লগা হৈছে। এই সম্পৰ্কে তদন্ত কৰিবৰ কাৰণে তদন্ত কমিটি গঠন কৰি দিব লাগে।

৩নং দুৰ্নীতি— নিবনুৱা সমস্যাৰ সমাধানৰ কাৰণে নিবনুৱা ডেকা সকলক মাটি দিয়াৰ কথা কৈছিল। মই কব খুজিছো যে আমাৰ বৰপেটা Sub-Division ৰ ভিতৰত ৮টা সমষ্টি আছে। এই ৮ টা সমষ্টিৰ ভিতৰতহে দুটা সমষ্টিৰহে নিবনুৱা ডেকাই মাটি পাইছে। বাকী ৬ টা সমষ্টিৰ ডেকা লৰাই মাটি পোৱা নাই। আমাৰ কৃষি মন্ত্ৰীৰ সমষ্টিৰ এজনো লৰাইও মাটি পোৱা নাই। শ্ৰীসুৰেন দাসৰ সমষ্টিত পাইছেনে নাই কব নোৱাৰো। কিন্তু পাইছে ভবানীপুৰ সমষ্টিৰ মানুহে। গতিকে যি ভাৱে মাটি বিতৰণ হব লাগিছিল সেই ভাৱে বিতৰণ হোৱা নাই।

মোৰ ৪নং দুৰ্নীতিৰ কথা হৈছে মাটি বিতৰণৰ কাৰণে যিবিলাক ৰিপ'ট আহে সেই বিলাক S. D. C. ৰ পৰা S. D. O. লৈ আহে। এই S. D. O. অফিচত এজন কেৰাণী আছে। তেওঁৰ নাম গাৱে ভূঞেও "কেচা" হৈ পৰিছে। তেওঁৰ নাম সুবল বাবু। সেই সুবল বাবুৱে প্ৰত্যেকখন দৰ্খাস্তৰ কাৰণে ২০০ টকাৰ পৰা ৫০০ টকালৈকে লয়। এই বিষয়ে, S. D. O. লৈ ৰিপ'ট দিয়া হৈছে। কিন্তু কোনো ব্যৱস্থা লোৱা নাই। এই মানুহজনক চাকৰীৰ পৰা চৰকাৰে খেদাব নোৱাৰিলেও বদলি কৰি দিলে ৰাইজৰ উপকাৰ হব।

হাজো সমষ্টিত বহুতো গৰাখহনীয়া মানুহ আছে। এই সমষ্টিটো শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙৰীয়াৰ। তেখেত বহুত দিন সদনত অনুপস্থিত আছে। আজি তিনি বছৰ মানৰ আগতে ৰাজহ মন্ত্ৰীয়ে এটা Order দিছিল যে দুই বিঘাকৈ মাটি তেওঁলোকক দিব লাগে। কিন্তু আজিলৈকে কোনো মাটি তেওঁলোকক দিয়া হোৱা নাই। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে এই গৰাখহনীয়া

মানুহবিলাকে মাটি পায়। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

Shri Bhubaneswar Barman— অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কব খুজিছো যে আৰু আমাৰ প্ৰত্যেকজন মাননীয় সদস্যই আলোচনা সমালোচনাৰ মাজেদি স্পষ্ট হৈ পৰিছে যে আমাৰ ৰাজ্যৰ সাধাৰণ প্ৰশাসনত এটা স্থবীৰতা আহি গৈছে। এই স্থবীৰতাৰ লগে লগে গোটেই প্ৰশাসন যন্ত্ৰটোতে দুৰ্নীতি সিপাইছে। এই দৰে প্ৰত্যেক বিলাক বিভাগতে দুৰ্নীতি শিপোৱাৰ ফলত আমাৰ যি সকল ভাল বিষয়াই কাম কৰি আছে তেওঁলোকেও নিস্থাৰে সৈতে কাম কৰিবলৈ অনুপ্ৰেৰণা হেৰুৱাই পেলাইছে। আৰু এইদৰে সদায় দুৰ্নীতিৰ মাজতে কাম কৰি থাকিবলগীয়া হোৱাত তেওঁলোকৰ গাতো যে দুৰ্নীতিৰ বতাহ লগা নাই এনে নহয়। তাৰ ফলত প্ৰশাসন যন্ত্ৰত হতাশ আৰু অনিশ্চয়তা চলি আছে। এতিয়া দেখা গৈছে যে বিভিন্ন বিভাগ বিলাকৰ মাজত সমন্বয় নাই। আনহাতে প্ৰশাসন যন্ত্ৰত যি বিলাক উচ্চ পদস্থ বিষয়া যেনে Secertary, under Secretary, Deputy Secretary আছে সেই বিলাকৰ সংখ্যা দিনক দিনে বৃদ্ধিহে হৈ গৈছে। আৰু তেওঁলোকক কামৰ দায়িত্ব সম্পূৰ্ণৰূপে দিব পৰা নাই। এই বিভাগ বিলাকত কোনে কি কাম কৰিছে সেই বিলাক জানিবলৈ কোনো ৰিপ'ৰ্ট বিচৰা নহয়।

আনহাতে বহুতো ক্ষেত্ৰত চৰকাৰৰ মন্ত্ৰী সকলে হস্তক্ষেপ কৰাৰ কাৰণে প্ৰশাসনযন্ত্ৰ থিক নীতিৰে চলাব পৰা নাই। মন্ত্ৰীসকলে নিজৰ অভিৰুচি মতেই কাম কৰি যায় তেনেহলে প্ৰশাসনীয় কাম কোনো কালেই নিকা নহব। বহুতো উচ্চ পদস্থ কৰ্ম্মচাৰীয়ে কয় যে হক কথা কবলৈ গলে তেওঁলোক 'নক্সালাইট' হৈ যাব লাগিব আৰু নীতিৰ মাজত তেওঁলোকে কাম কৰিব নোৱাৰা অৱস্থা হৈছে। এই অৱস্থা বিলাক দূৰ কৰিব নোৱাৰিলে দেশৰ প্ৰকৃত গণতন্ত্ৰ বা সমাজবাদৰ আদৰ্শ ব্যৰ্থ হবলৈ বাধ্য। সেই কাৰণেই মই চৰকাৰক এই পৰামৰ্শ দিও যে বিশেষকৈ আমাৰ প্ৰশাসনীক যন্ত্ৰত সুস্থ পৰি-

বেশ সৃষ্টি কৰিবলৈ হলে হক ভাৱে কামৰ দায়িত্ব জাপি দ্রি কাম আদায় কৰিবলৈ চেষ্টা কৰিব লাগিব। ৰাইজৰ পৰা বহুতো আবেদন নিবেদন আহে আৰু মন্ত্ৰীসকল যেতিয়া গাৱেঁ ভূঞে যায় তেতিয়া তেখেতসকলৰ হাততো ৬/৭ বাৰ মানকৈ ৰাইজৰ আবেদন নিবেদন আহে আৰু M. L. A. সকলৰ হাতলৈ তেনেকৈ আহে। কিন্তু এই আবেদন নিবেদন বিলাক ক'লৈ যায় কোনেও কব নোৱাৰে। ৰাইজৰ এই দৰ্খাস্ত বিলাক M, L. A. সকলে অফিচে অফিচে ঘূৰি খবৰ কৰাটো সম্ভৱপৰ নহয়। গতিকে সেই দৰ্খাস্ত বিলাকৰ Acknowledge কৰা দৰ্কাৰ। তেতিয়া হলে ৰাইজে অফিচে অফিচে অহা যোৱা কৰাৰ খৰচ কম হব। এই প্ৰসঙ্গতে মই উল্লেখ কৰিব খুজিছো যে D. C বা S. D. O ৰ যিবিলাক অফিচ সেই বিলাক দুৰ্নীতিৰে পৰিপূৰ্ণ। আৰু এই দুৰ্নীতি দূৰ কৰিবলৈ চৰকাৰে এটা স্পষ্ট নীতি লব লাগে যাতে ৰাইজে ভেটি নিদিয়াকৈয়ে চৰকাৰৰ পৰা কাম পাব পাৰে। আমাৰ মুখ্যমন্ত্ৰীয়ে প্ৰথম মুখ্যমন্ত্ৰী হৈয়ে প্ৰশাসন যন্ত্ৰ নিকা কৰাৰ কাৰণে এটা আশ্বাস দিছিল আৰু ৰাইজে তাৰ কাৰণে ভাল পাইছিল। কিন্তু তাৰ কাম হোৱা নাই। এতিয়া মানুহৰ এনেকুৱা ধাৰণা হৈছে যে অফিচবিলাকত জলপানী বা দক্ষিণা নিদিলে বা তেওঁলোকক সন্তুষ্ট কৰিব নোৱাৰিলে কোনো কামেই সিদ্ধি নহয়। আজি ন্যায় বোলা বস্তুটো মানুহৰ নাই বুলি ধাৰণা হৈছে। ৰাইজৰ এই ধাৰণা দূৰ কৰিবৰ কাৰণে আৰু ন্যায় শাসন চলাবৰ কাৰণে চৰকাৰে কঠোৰ ব্যৱস্থা অৱলম্বন কৰিব লাগে। আনহাতে প্ৰশাসনীয় যন্ত্ৰৰ মাননীয় সদস্য শ্ৰীনায়ক ডাঙৰীয়াই কৈ গৈছে যে চাৰকুল অফিচ বিলাক বৃদ্ধি কৰিব লাগে। বঙালিত দুটা Block আছে। এটা জালাহ আৰু আনটো বঙালী। জালাহ Block ৰ অধিবাসীবিলাকৰ অধিকাংশই জনজাতীয় লোক। প্ৰশাসনৰ ক্ষেত্ৰত জনসাধাৰণৰ মধ্যস্থান কেন্দ্ৰস্থান হোৱা উচিত। কামৰূপ জিলাত D. C দিছে। আসোৱাহ পূৰ্ণ পৰিবেশৰ মাজত থকাৰ কাৰণে গুৱাহাটীৰ মহানগৰীত প্ৰশাসনৰ ক্ষেত্ৰত বেমেজালী ঘটিছে। গতিকে কামৰূপ জিলাত ২য় খন জিলা হব লাগে। উত্তৰ কামৰূপ

আৰু দক্ষিণ কামৰূপ। নলবাৰী আৰু বৰপেটাত Sub-division আছে। বজালীটো এটা Sub-division হব লাগে। এই কথা বহু দিনৰ পৰাই সদনত কৈ অহা হৈছে। বজালী মধ্যস্থ ঠাই হব আৰু ইয়াতে District Head Quarter ওঁ হব লাগে। বজালী অঞ্চলটো ৩০ মাইল Area. ইয়াবোপৰি আৰু এটা কথা মই উল্লেখ কৰিব খোজো যে, ১৯৬২ চনতে Settement হৈ গ'ল, তাৰ পৰা ১৯৭৭ চন পৰ্য্যন্ত মেপ নোহোৱাৰ ফলত পুৰণা মেপৰ ওপৰতে মণ্ডল আৰু কাননগুৰ অনুগ্ৰহতে কাম কৰিব লগা হৈছে। ইয়াৰ ফলত যথেষ্ট খেলিমেলি আৰু দুৰ্নীতি হৈছে। যোৱা ১৯৬৪ চনতে দৰমহা নিৰ্দ্ধাৰণ হৈ গ'ল—আকৌ এই বছৰো বেতন কমিটি পতাৰ সিদ্ধান্ত কৰিছে। ১৯৬৪ চনতে Pay Committee কৰিলে অথচ কিছুমান কৰ্ম্মচাৰীৰ বেতন এই পৰ্য্যন্ত ঠিক নহল। তেওঁলোকক বেতন দিয়া হোৱা নাই। গতিকে এই বিভাগ বিলাকত যদি খেলি মেলি হৈ থাকে তেন্তে আমাৰ উন্নতি হব নোৱাৰে। গতিকে অতি সোনকালে প্ৰশাসনীয় সংস্কাৰ সাধন কৰিব লাগে।

আমাৰ টুৰকনী জানত ১৯৬১ চনৰে পৰা এটা জলসিঞ্চনৰ আঁচনি লোৱা হৈছে। উৎপাদনৰ ক্ষেত্ৰত, কৃষিৰ ক্ষেত্ৰত বহুতো গুৰুত্ব আৰোপ কৰাৰ কথা চৰকাৰে কৈছে। কিন্তু এই বিলাক ক্ষেত্ৰটো বিশেষ উন্নতি পৰিলক্ষিত হোৱা নাই। ১৯৬১ চনতে এই জানত Drainage কৰাৰ কথাত মন্ত্ৰী মহোদয়ে আশ্বাস দিছিল কিন্তু ১৯৬১ চনৰ পৰা আহি আহি ১৯৭০ চনত Administrative approval পালে কিন্তু বাৰিষা হোৱাৰ কাৰণে কাম কৰা নহল। আজি ব্ৰহ্মপুত্ৰ আয়োগ হ'ল কিন্তু বানপানী সমস্যা সমাধান কৰিব পৰা নাই। জলসিঞ্চনৰ ক্ষেত্ৰত বৈদ্যুতিকৰণৰ কথা সদনত কেইবা বাৰো কোৱা হৈছে কিন্তু আজি পৰ্য্যন্ত একো হোৱা নাই। আজিয়ে যদি বজালীত lift irrigation কৰা হয় তেন্তে বৰপেটা মহকুমাত খাদ্য যোগান ধৰিব পৰা হব। গতিকে প্ৰশাসন ব্যৱস্থা সবল কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো।

Mr. Chairaman – As per agreement we have got hardly 24 minutes left for concluding the discussion and there are as many as four Members who are willing to take part in the discussion. I would therefore request each of the Members to conclude their speeches within seven minutes. I wish the hon' Members would co-operate with me.

Shri Malia Tanti – সভাপতি মহোদয়, প্ৰশাসনৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ অনা হৈছে মই তাৰ বিৰোধিতা কৰিছো । মই এটা কথা কব খুজিছো যে, সদনত মাননীয় সদস্য সকলে যিখিনি কথা দাঙি ধৰিছে সেই সকলো কথা সত্য নহয় । অৱশ্যে কিছুমানত সত্যতা আছে । আমি দেখা পাইছো যে, সদন চলি থকা সময়ত কি মন্ত্ৰী, কি সদস্য সকলোকে অসমৰ ৰাইজ আহি আগুৰি ধৰেহি । তেওঁলোকে টকা পইচা খৰচ কৰি আহিব নিজৰ কাম কৰাই নিবৰ বাবে । ইয়াৰ দ্বাৰাই প্ৰমাণ হৈছে যে আমাৰ প্ৰশাসন ভাল দৰে চলা নাই ইয়াত কেৰোণ সোমাইছে । গতিকে আমি প্ৰত্যেক সমষ্টিৰ ৰাইজৰ প্ৰতিনিধি যেতিয়া এই বিধান সভাত আছো তেওঁ যি পাৰ্টিৰে নহওক লাগিলে ৰাইজে ভাল পাইছে আৰু বিধান সভাত ৰাইজৰ অভাৱ-অভিযোগবোৰ জনাবৰ বাবে প্ৰতিনিধি হিচাবে পঠিয়াই দিছে । কিন্তু যিবিলাক ৰাইজৰ অভিযোগ অভাৱৰ কথা উল্লেখ কৰো সেইবিলাক যদি চৰকাৰে ভালদৰে কৰিলেহেঁতেন তেনেহলে আমাৰ দুখীয়া ৰাইজ শিলঙলৈ আহিব লগা নহল হয় । আমাৰ মুখ্যমন্ত্ৰী এজন জ্ঞানী, আৰু অভিজ্ঞ লোক । তেখেতে বহুতো স্কুল কলেজ পাতি দিছিল । তেখেত স্বাধীনতা আন্দোলনত যোগদান কৰিছিল । আনকি তেওঁ ডুমডুমাও পাইছিলগৈ । তেখেত পাৰ্লিয়ামেণ্ট চেক্ৰেটৰীও আছিল । ইয়াৰোপৰি A. P. C. C ৰ মেম্বাৰো আছিল । গতিকে তেখেতে কোনো কথা নজনা নহয় । অলপ

চকু কাণ দিলেই তেখেতে ৰাজ্যৰ সকলো অভাৱ অভিযোগ দূৰ কৰিব পাৰে।

তেখেতে যদি চকু-কাণ দি ১/২ মাহৰ কাৰণে গাওবিলাকলৈ গৈ কাৰ কি কবলগীয়া আছে— মিটিং পাতি বিচাৰ কৰি লয় আৰু চিলঙলৈ আহিও কাম বিলাক ভালকৈ বিচাৰ কৰি ভাগে ভাগে তদাৰক কৰে তেতিয়া হলে বহুত সুবিধা হয়। তেতিয়া হলে খেলি-মেলি নহয়। M.L.A. হৈ আমিও মানুহ বিলাকক সঠিক উত্তৰ দিব পাৰো। আজি ১২ লাখ application মোৰ হাতত আছে, কিন্তু তাৰে ১০ টা মান কামহে হৈছে। গতিকে বিশেষ ব্যৱস্থা হলে আমি বাৰে বাৰে কব নালাগিব এবাৰতে এখন application তেই কাম হব।

সকলো সদস্যই সকলো কথা কৈছে, একে কথা, ইয়াত কৈছেই কিন্তু প্ৰগতি হোৱা নাই। গতিকে প্ৰশাসনৰ ক্ষেত্ৰত মই কব খুজিছো যে, এবাৰ মই, মোৰ বন্ধু উপেন সনাতন আৰু মাননীয় সদস্য লিলি সেনগুপ্তাই মৰাণহাটলৈ গৈছিলো। তাত গৈ আচৰিত হলো। মৰাণ হাটৰ মৌজাদাৰ জনে শোষণ কৰিছে। এনেকুৱা হৈছে যে— চাহ খেতি কৰা মাটিখিনিও আনিৰ তাত বিক্ৰী কৰি টকা খাই company ৰ লগত কাজিয়া লগাই দিয়ে। যাৰ ঘৰত গম পায় provident found ৰ টকা আছে যেতিয়ালৈ শেষ নহয় তাতেই বহি থাকে। গতিকে চেয়াৰমেন মহোদয়ৰ জৰি-য়তে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে তেখেতে তদন্ত কৰি Suspend কৰাৰ ব্যৱস্থা কৰে। তেওঁ মণ্ডলজনক গুলিয়াৰলৈ বিছাৰিছে যিহেতু তেওঁৱেই এই দুৰনীতিৰ কথাবিলাক জনাইছে। আৰু এটা কথা কও যে এজন মানুহক ১ লাখ টকা transport commission ক্ষতিপূৰণ দিয়ে। কিন্তু কি যুক্তিত ১ লাখ টকা দিব। সেইটো তদন্ত কৰিব লাগে। কাৰণ এৰোপ্লেন crash হলেও ডাঙৰ মানুহক ৪০ হাজাৰ আৰু লৰা মানুহক ২১ হাজাৰ দিয়া হয়। কিন্তু Bus আৰু Car এখনৰ সংঘৰ্ষত এজন মানুহ মৰিল

তেনে ক্ষেত্ৰত তেওঁ কি কৰিছিল নকৰিছিল income tax দিব লাগি-ছিল নে নাই ? এইবোৰ কথা একো বিচাৰ নকৰাকৈ ১ লাখ টকা দিলে। আশাকৰো এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে তদন্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব ! ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিব।

*Shri Maneswar Boro — প্ৰশাসনৰ নামত চৰকাৰে যথেষ্ঠ টকা খৰছ কৰি আছে বছৰে বছৰে। এইটো আমি পাই আহিছো। আমাৰ প্ৰশাসনৰ উদ্দেশ্য হৈছে জনসাধাৰণক উন্নত কৰা। কিন্তু আজিৰ যিটো প্ৰশাসন দেখিছো, জনসাধাৰণক বিপদৰ ফালেহে টানি নিছে। মই তাৰেই উদাহৰণ কেইটামান দাঙি ধৰিম। সেইটো মই ১৯৭০ চনৰ যোৱা বাজেট চেচনৰ সময়তো ৮৪৬ বিঘা মাটিৰ বিষয়ে Revinue মিনিষ্টাৰৰ ওচৰত নিবেদন কৰা হৈছিল, তেওঁ পাব বুলি কোৱাৰ পাচতো এতিয়ালৈ পোৱা নাই। ৮৪৬ বিঘা মাটিৰ কাৰণে ১৬ শ টকা দিবলৈ কৈছিল। S.D.C. ক সেই টকাও দিয়া হ'ল কিন্তু মানুহজনক Transfer কৰিলে। সেই কাৰণেই মই এটা পৰামৰ্শ দিব খুজিছো যে আচলে সম্পত্তি কিমান আছে কিমান টকা পায় কিমান আছে সেইটো চাব লাগে। আৰু পৰিয়াল কিমান আছে, চাই লব লাগে। তেতিয়া আৰু মাটি দিয়া ক্ষেত্ৰত alega-tion অহাৰ ভয় নাথাকে। আৰু এটা alegation আনিছো যে ভুটান Border area ৰ Supply Inspector এ ৫০ বেগ চিমেণ্ট ২১/১/৭১ তাৰিখে ধৰিলে। কিন্তু ১২ টকা লৈ যাবলৈ দিলে। এখন গাড়ী ASZ 5204 চাউল লৈ গৈছিল কিন্তু টকা লৈ এৰি দিলে। ASA 9620 নাম্বাৰৰ গাড়ীখন মানুহজনৰ নাম আছিল ভগিৰাম শৰ্মাৰ, মানুহজনক ৩০ টকা খুজিছে কিন্তু তেওঁ কৈছে বন্দৱস্ত কৰিব লাগে। ASZ 1019 গাড়ীখন C.P. Pandey নামৰ মানুহজনে লৈ আহিছিল — তেওঁক ৬ টকা লৈ যাবলৈ দি কুমুৰী-কাটা গাওঁত ধৰিলে — ১৫ তাৰিখৰ বাতৰিত প্ৰকাশ পাইছে। ইয়াৰ

*Speech not corrected.

এটা ব্যৱস্থা লব লাগে। প্ৰশাসন যন্ত্ৰত বহুতো পুলিচ C. I. D আদি আছে তথাপি ৰঙিয়াৰ ৰাস্তাৰ পৰা ভূটান P.W.D ৰাষ্টাত এতিয়াও বেচিকৈ তেনেকুৱা ঘটনা হৈ থাকে। এতিয়া আমি ভূটানৰ লগত ভালে আছো—এইটো সকলো জনা উচিত বা আমি সাৱধানে থকা উচিত।

माननीय সদস্য বৰুৱাই কৈছিল যে, নাগালেণ্ডৰ লগত বৰ্ত্তমান আমাৰ যি পৰিস্থিতি হৈছে, ভুটানৰ লগতো সেই অৱস্থা হবগৈ। আমাৰ চৰকাৰে ভালেমান Office ভাড়া ঘৰত চলাই আছে। তাৰ কাৰণে বহুত টকা আমাৰ অপচয় হৈছে গতিকে ভাড়া ঘৰৰ পৰিৱৰ্ত্তে চৰকাৰে নিজাকৈ ঘৰ বান্ধি লোৱা উচিত। মাটিবাৰী সম্পৰ্কে কবলৈ গলে মোৰ এলেকাৰ ভোমাগুৰি তামোলপুৰ আদি ঠাইত চৰকাৰে যি মাটি বিতৰণ কৰিছিল সেই মাটিৰ পট্টন আজিলৈকে মানুহবিলাকে পোৱা নাই। তেওঁলোকে দৰ্খাস্ত কৰি S.D.C. ৰ ওচৰলৈ আহে কিন্তু আচৰিত কথা যে সেই দৰ্খাস্ত বিলাক হেৰাই থাকে। সেই কাৰণে মই চৰকাৰক টানি অনুৰোধ জনাইছো যে মানুহবিলাকক মাটি পট্টনৰ সুবিধা দিব লাগে।

*Shri Atul Chandra Goswami – সভাপতি মহোদয়, প্ৰশাসনৰ দুৰ্নীতিৰ সম্বন্ধে ১৯৬৭ চনৰ পৰাই এই বিধান সভাৰ মজিয়াত আমাৰ সদস্যসকলে বাৰ বাৰ আবেদন কৰি আহিছে আৰু বহুতো পৰামৰ্শ দিছে কিন্তু আটাই বিলাক পৰামৰ্শ আৰু আলোচনা অৰণ্যত ৰোদন হৈছে। চৰকাৰে পৰামৰ্শ যিখিনি গ্ৰহণ কৰিব পাৰে অন্ততঃ নিজৰ পাৰ্টিৰ স্বাৰ্থৰ কাৰণে তেনে পৰামৰ্শ গ্ৰহণ কৰিবলৈ আগবাঢ়ি নাহে। ফলত এই চৰকাৰে যিমানে নকওক দেশৰ প্ৰশাসন কৰি সমাজবাদ প্ৰতিষ্ঠা কৰা হব, দেশৰ জনসাধাৰণৰ মনত কিন্তু যি কোনো প্ৰকাৰৰ ৰেখাপাত কৰিব পৰা নাই।

প্ৰশাসনীয় যন্ত্ৰটো নিকা হবৰ কাৰণে প্ৰশাসন যন্ত্ৰৰ মালিক

*Speech not Corrected

মন্ত্ৰীসকলেই পৰিষ্কাৰ হব লাগিব। ব্ৰহ্মপুত্ৰৰ পানী পৰিষ্কাৰ কৰিবৰ কাৰণে পাণ্ডু ঘাটত চেষ্টা কৰি থাকিলে নদী চাফা নহয়। একেবাৰে চাম্পো নৈত পৰিষ্কাৰ কৰিব লাগিব। সেইদৰে মন্ত্ৰীসকল পৰিষ্কাৰ নহলে তলৰ Officer সকল পৰিষ্কাৰ নহয়।

১৯৬২ চনতে আমাৰ দেশত যেতিয়া চীনা আক্ৰমণ হৈছিল আৰু সেই সময়ত Grow more food ৰ নামত নাওখোৱা Forest Reserve ত ৪০০ একৰ কৈ মাটি ২ টা সমবায়ক দিছিল খেতি কৰিবৰ কাৰণে কিন্তু দৰিদ্ৰ জনসাধাৰণক শোষণ কৰিবৰ কাৰণে তাৰ সভাপতি আৰু চেক্ৰেটাৰীয়ে লগলাগি ৮০০ একৰ মাটি বাহিৰা ১০০০ মানুহৰ পৰা ৩/৪ শকৈ টকা লৈ পট্টন দি লুট-পাট কৰি আছে। এই মাটি দিয়াৰে পৰা লাওখোৱা Forest Reserveত ৮ টা গড় হত্যা কৰা হৈছে। যোৱা বাৰ এই মাটি বিলাক পট্টন দিয়াৰ কাৰণে তাৰ D.F.O. ই Report দিয়াৰ পিছতো এই মানুহ বিলাকক জমিদাৰী চলাই ,থাকিবলৈ দিয়া হৈছে। তাৰ পাছতো D. F. O. report নাকচ কৰি মানুহবিলাকক মাটি দখল কৰি থাকিবলৈ দি তেওঁৰ চুপাৰিচ নাকচ কৰি দিয়াৰ কাৰণে D. F. O জনে ভাবিব যি কৰে কৰি থাকক।

আজি কিছুদিন আগতে P. W. D বিলাকত L. D আৰু Tracer ৰ কাৰণে advertise কৰা হৈছিল আৰু এই কামৰ নিৰ্ব্বাচনৰ বাবে এখন কমিটি পাতি দিয়া হৈছিল আৰু হাঁতী কাকতি সেই কমিটিৰ সভাপতি আছিল। হাঁতী কাকতিয়ে এখন List কৰি দিয়ে কিন্তু P. W. D. বিভাগৰ মন্ত্ৰীয়ে তেওঁৰ মনোনীত প্ৰাৰ্থীৰ নাম নথকাৰ কাৰণে সেই List নাকচ কৰি দিলে আৰু সেই কামৰ বাবে কাকো নিয়োগ নকৰিলে।

Shri Altaf Hossain Mazumdar, [Minister, P. W. D. (R&B)] Mr. Chairman, Sir, what the hon' Member has

said is not correct. (Voice : What is then correct). The correct position is that a Committee has been constituted with Mr. Hatikakati as Chairman and the committee has prepared a list. As far as I know there is no question of changing and keeping it in abeyance.

Shri Dulal Chandra Barua—Our information is that the whole thing was held up since long before and......

Shri Chairman— Mr. Barua, at this stage should we just enter into the exchange of words ? The Chief Minister will reply and obviously he will look into this.

Shri Dulal Chandra Barua—He should not try to misguide the House. We have also our source of information. We know that a list has been prepared and finalised but as it could not satisfy the Minister, P. W. D. he wanted to change the list. He gave pressure on Mr. Hatikakaty to bring some other people in the list.

Shri Altaf Hossain Mazumdar— I deny it, it is not correct.

Shri Atul Chandra Goswami— সভাপতি ডাঙৰীয়া, L. D আৰু Tracer ৰ কামৰ সম্পৰ্কে P. W. D. মন্ত্ৰীয়ে কেনেকৈ হস্তক্ষেপ কৰিছে সেই কথা file টো আনি জিব পাৰিব। গান্ধী-

জীয়ে আশা কৰিছিল পঞ্চায়ত ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণৰ প্ৰশাসনৰ দায়িত্ব দিয়া হব কিন্তু আজি পঞ্চায়তবিলাক কেনেকৈ চলিছে চাওক – কলিয়াবৰৰ এখন আঞ্চলিক পঞ্চায়ত যোৱা বছৰ বানপানীৰ পাচত বিধান কিনিবৰ কাৰণে টকা দিয়া হৈছিল কিন্তু যোৱা ২৯ November তাৰিখে আঞ্চলিক পঞ্চায়তৰ যি সভা হৈছিল তাত উক্ত পইচাৰ কোনো হিচাব দাখিল কৰিব নোৱাৰিলে।

কাচবা নামৰ এখন খৃষ্টান Society ক আমেৰিকাৰ পৰা Soya-bean ৰ তেল, কমল Coat ইত্যাদি Gift হিচাবে দিছিল আৰু এই বস্তুবিলাকৰ ওপৰত Not for sale লিখা থকা স্বত্বেও তাৰ B.D.O. জনে সেই বস্তুবোৰৰ চয়াবীনৰ তেল ১ টকাকৈ ৪০০ Coat ২ টকাকৈ ৮০০ টকা ললে। মই নিজে Nowgong জিলাৰ D. C. ক এই বিষয়ে জনালো কিন্তু তাৰ কোনো বিচাৰ নহল।

নগাঁও জিলাত প্ৰশাসন কেনেকৈ চলিছে এই কথা চেয়াৰমেন ডাঙৰীয়া, নগাওঁ Court ঘৰলৈ গলে দেখিব যে এজলাচত হাকিম নাই। চাৰকুইত হাউচ বা ডাক বংলাত অফিচাৰ বিলাকে স্থায়ী ভাৱে Occupy কৰি আছে। তেওঁলোকক চৰকাৰে ঘৰ দিব পৰা নাই। কোনো বাহিৰা মানুহ তাত থাকিবলৈ তাত সুবিধা নাপায়। চাৰকুইত হাউচৰ প্ৰশাসন কোনে কৰে কব নোৱাৰো। আপুনি যদি তাত থাকিব খোজে আৰু যদি চকিদাৰক অলপ পইচা দিয়ে তেতিয়া হলে পাব নহলে নাপায়। চাৰকুইত হাউচৰ বহী আপুনি নিজে খুজি লব লাগিব। নহলে চকিদাৰে নিলিখে। আৰু এইদৰে শত কৰা ৯৫ জন মানুহক চকিদাৰে বহী নিদিয়ে। সেই পইচাখিনি চকিদাৰে লৈ খায় থয়। বহী যদি খোজে তেতিয়া 'চিত' নাই বুলি কব।

(সময়ৰ সংকেত)

গুৱাহাটীৰ চাৰকুইত হাউচতো সেই একেই অৱস্থা। চকিদাৰক ২/৩ টকা দিলে একো নাই। সকলো হৈ যাব।

( সময়ৰ সংকেত )

আৰু যদি তাকে নকৰে চিট নাই বুলি কৈ পঠাব।

P.W.D ৰ সম্পৰ্কত মন্ত্ৰী মহোদয়েও জানে এখন দলঙৰ কাৰণে Registered Contractor ৰ পৰা Tender আহবান কৰিছিল। আৰু তেওঁলোকে Tender ও দিছিল। কিন্তু পালে Un-Registered শ্ৰীনেমিচন্দ জৈন নামৰ ঠিকাদাৰ এজনে। এই কথা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰাত L/R ৰ Opinion বিচাৰিলে। আৰু তাৰ পাচত একো সিদ্ধান্ত নহল।

তাৰ পাচত মই শিক্ষা বিভাগৰ প্ৰশাসনৰ ক্ষেত্ৰত কেইটামান কথা কওঁ। এই শিক্ষা বিভাগৰ প্ৰশাসন একেবাৰেই উৱলি গৈছে। চিলঙৰ D. P. I. অফিচত আজি ৩ বছৰ ধৰি কাম নকৰাকৈয়ে দৰমহা পাই আছে। বৰ্ত্তমান D. P. I. জনে কাম নকৰাকৈয়ে এই মানুহ দুজনক দৰমহা দিছে। তেওঁলোকৰ নাম মোৰ হাতত আছে। এজনৰ নাম শ্ৰীহৰেন্দ্ৰ নাথ শৰ্ম্মা, তেওঁ মাত্ৰ তিনিদিন Leave Vacancy ত কাম কৰি এমাহৰ দৰমহা পাইছিল। আন জনৰ নাম হৈছে পদুম শৰ্মা। এই দৰেই যদি ওপৰতেই দুৰ্নীতি চলে তেন্তে দুৰ্নীতি কেনেকৈ দূৰ হব।

Shri Mahendra Mohan Choudhury— মানুহ দুজন L.D. নেকি ?

Shri Atul Chandra Goswami— 4th grade.

নগাওঁৰ Inspector ৰ অফিচত মাত্ৰ দুটাহে গদৰেজ আলমাৰী আছে। কিন্তু তাত ৪ টাৰ আলমাৰীৰ হিচাব Inspector এ দিছে। এই দৰেই Inspector ৰ অফিচ চলি আছে। এই বিলাক দুৰ্নীতি

যদি পৰিশোধন নকৰে তেনেহলে এই দুৰ্নীতি জাতিটোৰ মাজত কেনচাৰ ৰোগৰ দৰে হব। আৰু সময় থাকোতেই এই ব্যাধি দূৰ নকৰিলে তাৰ ঔষধ আৰু পিচত নোহোৱা হব।

Shri Altaf Hossain Mazumdar Mr- Chairman, I want to clearify because the Chief Ministar may not know it.

Mr. Chairman— I would request the hon. Minister, P.W.D. to give his clarification when the hon. member finishes his speech.

Shri Atul Chandra Goswami এই জৈন বোলা ঠিকাদাজনে তেখে-তৰ বিৰুদ্ধে অভিযোগ দিয়াৰ পিচতহে Register কৰিছে। Work order পোৱাৰ পিচত। un-Registered Contractor ৰ পৰা Tender আহবান কৰিছিল নেকি ? Advertisement খন আপুনি পঢ়ক।

Shri Altaf Hussain Mazumdar— Sir, tender was called for and there were 8 tenderers for the bridge. There was one Shri N. C. Jain— unregitsered but deposited the full earnest money with 9⅓% below schedule. Because there was provision for unregistered contractor.

Shri Dulal Chandra Barua— There was no such provision.

Mr. Chairman— Order, Order. We should be decent. Since the Hon'ble Minister says, No, and your information is otherwise, there is the leader of

the House, the Hon'ble Chief Minister who will obviously go deep into the matter and apprise the the House about the truth of it. I would request the Hon'ble Members not to please ...

Shri Dulal Chandra Barua— Why should he be allowed to misguide the House.

Mr. Chairman— We should not presuppose that the Hon'ble Minister is misguiding the House unless and until it has been proved by the Leader of the House that in fact the House has been misguided.

Dr. Bhupen Hazarika—We want to hear the Minister.

Shri Altaf Hussain Mazumdar— Sir, Shri N. C. Jain deposited the full earnest money and he was 9½% below the schedule rate. Shri Chiranjilal & Co. was a Class I Contractor and he was 8% below the schedule rate. The contract was given by the Additional Chief Engineer, Dibrugarh to Shri N. C. Jain. The matter was brought to my notice that the contract had been given to an un-registered Contractor. The moment I came to know about it I directed at the Chief Engineer that the records should be called for examined and the Chief Engineer should take necessary actions early. The Chief Engineer referred the matter to the L/R. He gave the

opinion. We did not agree with L/R. I was having a different opinion that preference should been given to registered contractor and viewed that it should be sent to the Advocate General for his opinion but the A.G. also gave the the same opinion, upholding the action of Addl CE. It is a fact that he was not registered at that time.

Shri Atul Chandra Goswami—Please read out the notification first.

Shri Altaf Hussain Mazumdar—It is there under clause 25.

Shri Dulal Chandra Barua—What is the notification ?

Shri Altaf Hussain Mazumdar—This is Notice inviting tenderos.

Mr. Chairman—I am clarifying. The confusion has arisen as the Minister is giving the procedure of the department that in calling tenders an unregistered contractor also can submit tenders depositing requisite earnest money but the views or the other side is that the notification which has already been published in the gazette and in Press calling for the tenders speaks otherwise. So, since it is obviously not possible for the hon' Minister, P.W.D. to give out the actual notification which had been published,

*Speech not corrected.

I would request the hon' P.W.D. Minister either to pass it on to the hon' Chief Minister who will apprise the House tomorrow at the first hour after the Question Hour or the Minister himself will apprise the House.

*Shri Dulal Chandra Barua— Sir, our question is that as per rule, as per convention and as per government policy, local contractors must get preference over outsiders. If un-registered contractors are awarded such works, what is the use of getting registration for contracts ? The Minister has obtained the opinion of the L. R. and Advocate General for awarding this particular work. We are not concerned about that. We are only concerned about awarding the contract to the local people. Once the Government make a principle for employment, it must be followed at any cost. Our local people must be given preference. This matter was brought to the notice of the Minister in charge of P.W.D. by no less a person than a local representative. Till today our people are debarred from getting the legitimate share though they are registered as class I and Class II contractors. Under what circumstances the Minister has given the contract to a person who is neither a local people nor a registered contractor ? This Minister must have got some hand over this matter.

---

*Speech not corrected.

Mr. Chairman – Order, Order please. The Chief Minister will clarify the matter tomorrow.

*Shri Mahendra Mohan Choudhury (Chief Minister)— সভাপতি মহোদয়, আজি তিনিদিন ধৰি আমাৰ সাধাৰণ প্ৰসাশনৰ সম্পৰ্কে বিতৰ্ক চলিছে। এই বিতৰ্কত আমাৰ ২৭ জন সদস্যই অংশ গ্ৰহণ কৰিছে আৰু এই আলোচনাটো অলপ দীঘলীয়া হৈছে যদিও শেষৰ সময়ত অলপ উত্তপ্ত পৰিবেশৰ সৃষ্টি হোৱাৰ বাহিৰে বাকী সময়খিনিত আমাৰ সদস্যসকলে বেচ শান্তভাৱেই আৰু গঠনমূলক ভাৱে বহুতো মূল্যৱান পৰামৰ্শ আগবঢ়াইছে – প্ৰশাসনৰ উন্নতি কল্পে। আজি আমাৰ কোনেও বৰ্ত্তমানৰ প্ৰশাসন ব্যৱস্থাটোত সন্তুষ্টি লাভ কৰিব নোৱাৰো। গতিকেই এই অৱস্থাটোৰ উন্নতিৰ কাৰণে আমি সকলোৱে সহযোগ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। মই নিজেও অনুভৱ কৰিছো যে মই যদি আজি সেইফালে হলোহেঁতেন তেন্তে সেই ফালৰ সদস্যসকলে যিমান কঠোৰ ভাষাত সাধাৰণ প্ৰশসান সম্পৰ্কে চৰকাৰক সমালোচনা কৰিছে, মই তাত্তকৈ কোনো গুণেই কম নকৰিলোহেঁতেন। আজি প্ৰশাসনীয় যন্ত্ৰটো ইমান বেয়া অৱস্থালৈ যোৱা নাই বা কেৱল আমাৰ ৰাজ্যতহে এনেকুৱা অৱস্থা হৈছে এনে নহয়, ভাৰতবৰ্ষৰ অনান্য ৰাজ্যতো এই প্ৰশাসনীয় অৱস্থাটো ক্ৰমে দুৰ্ব্বল হৈ আহিছে। এই দুৰ্বলতা দুৰ কৰিবলৈও যথেষ্ট চেষ্টা কৰা স্বত্বেও যে অৱস্থা বিশেষ উন্নত হৈছে সেইটো মই কব নোৱাৰো। এইটো অৱস্থা দুৰ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰ্য্যায়ত এটা Administrative Reform Committee ও পাতি দিয়া হৈছে। এই Administrative Reform Committee ৰ সভাপতি আছিল শ্ৰীমোৰাৰজী দেশাই। তেওঁ যেতিয়া মিনিষ্টাৰ হয় তেতিয়া Mr. Honumantia এই কমিটিৰ সভাপতি আছিল। এই Administrative Reform Committee এ যদিও এতিয়ালৈকে শেষ অনুমোদন দাখিল কৰা নাই, তথাপিও

মাজে সময়ে অনুবৰ্ত্তী কিছুমান অনুমোদন আগবঢ়াইছে। আৰু ৰাজ্য চৰকাৰৰ ক্ষেত্ৰতো এনেকুৱা ধৰণৰ অনুমোদন আগবঢ়াইছে। আজি কেইবছৰ মানৰ আগতে আমাৰ এই প্ৰশাসনীয় বিষয়টোৰ আলোচনা প্ৰসঙ্গত আমাৰ সদস্য সকলৰ ফালৰ পৰা ৰাজ্যিক পৰ্য্যায়ত এটা Administrative Reform Committee গঠন কৰিবলৈ লাগে বুলি দাবী কৰা হৈছিল। অৱশ্যে তেনেকুৱা এটা Administrative Refrom Committee ইতিমধ্যেই গঠন কৰা হৈছে। এই কমিটিয়েও মাজে সময়ে ৰহি ৰাজ্যিক চৰকাৰক কিছুমান অনুমোদন আগবঢ়াইছে। কিন্তু দুৰ্ভাগ্যৰ কথা যে— কমিটিয়ে এতিয়াও শেষ সিদ্ধান্ত কোনো কোনো বিষয়ত লব পৰা নাই। এই কমিটিৰ সভাপতি আছিল সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱ। তেখেতৰ অসুস্থতাৰ ভিতৰত এই কমিটিৰ অধিৱেশন বহা নাছিল। মই মুখ্যমন্ত্ৰীত্বৰ দায়িত্ব লোৱাৰ পিছত এই কমিটিৰ এখন অধিৱেশন আহুত হৈছিল। কিন্তু দুভাগ্যৰ কথা যে— আমাৰ কেইবাগৰাকীও বে-চৰকাৰী সদস্য মিটিঙত অনুপস্থিত থকাৰ কাৰণে নতুনকৈ কোনো বিষয়ৰ আলোচনা নকৰি মাত্ৰ পুৰণা যিবিলাক অনুমোদন আছিল সেই বিলাককে কাৰ্য্যকৰী কেনেকৈ কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰিছিলো আৰু সেই বিলাক বিষয়ত কেনে ভাৱে কাম কৰা হয় তাৰ কিছুমান সিদ্ধান্ত গ্ৰহণ কৰিছো। আজি আমাৰ প্ৰশাসনীয় ব্যৱস্থাটো উন্নত কৰিবলৈ হলে আমি যি সকল মন্ত্ৰী আছো সকলোৱে এই প্ৰশাসনীয় যন্ত্ৰটো উন্নত কৰিবলৈ, পৰীক্ষাৰ বা নিকা প্ৰশাসনীয় যন্ত্ৰ এটাৰ সৃষ্টি কৰিবলৈ চেষ্টা চলাব লাগেক তেনে ধৰণেই আমাৰ যিসকল Secretary আছে তেওঁলোকৰ পৰা আৰম্ভ কৰি তলৰ পৰ্য্যায়ৰ কৰ্মচাৰী সকলৈকে সকলোৱে মিলি অনুভূতিৰে কাম কৰিব লাগিব। যদি আমি আমাৰ দেশৰ জনসাধাৰণক সন্তুষ্ট কৰিব খোজো তেন্তে তেওঁলোকে বিচৰামতে প্ৰশাসন দিব লাগিব। তেওঁলোকে বিচৰামতে প্ৰশাসন দিব পাৰিলেহে তেওঁলোক সন্তুষ্ট থাকিব। যদি সেয়ে নহৈ তাৰ বিৰুদ্ধ ঘটে তেনে আমাৰ দেশৰ

মানুহহ অসন্তুষ্ট হব বুলি মই ভাবোঁ।

আজি আমাৰ দেশৰ প্ৰশাসন সৰল কৰিবলৈ হলে প্ৰশাসনত জড়িত লোকসকলে বৰ্ত্তমান দেশৰ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি আৰু জনসাধাৰণৰ আশা-আকাংখ্যা বিলাক পূৰণ কৰিবলৈ লক্ষ্য কৰি কামত অগ্ৰসৰ হব লাগিব।

কিন্তু দুৰ্ভাগ্যৰ কথা হ'ল যে আমাৰ প্ৰশাসনৰ ক্ষেত্ৰত যিসকল কৰ্মচাৰী আছে তেখেতসকলৰ কিছুমানে এতিয়াও সেই ভাৰটো অনুভৱ কৰিব পৰা নাই। যিকোনো কাৰণতে নহওঁক কিয়, আমাৰ মাননীয় সদস্য শ্ৰীশৈলেন মেধি ডাঙৰীয়াই কৈছে যে দৰ্মহা বঢ়াই নিদিলে দুনীতি দূৰ কৰিব নোৱাৰি। এই ক্ষেত্ৰত মই কওঁ যে—দুৰ্নীতি কম দৰ্মহা পোৱা মানুহৰ মাজতেই আবদ্ধ থকা হলে আমি তাৰ ব্যৱস্থা নিশ্চয় গ্ৰহণ কৰিলোহেঁতেন। অৰ্থাৎ দৰ্মহাৰ অসামঞ্জস্যক আতৰাই দুনীৰ্তি নিবাৰণৰ ব্যৱস্থা কৰিলোহেঁতেন। কিন্তু আজি সেইটোও হোৱা নাই। আজি আমাৰ মাননীয় সভ্যসকলেও আলোচনা কৰিছে যে আমাৰ যিবিলাক উচ্চ পৰ্য্যায়ৰ কৰ্মচাৰী আছে আনকি মন্ত্ৰী সকলো—সকলোৱেই দুৰ্নীতি পৰায়ণ। যদি এইটোৱেই হয় তেতিয়া হলে অকল দৰ্মহা বঢ়াই দিয়েই এই দুৰ্নীতি দূৰ কৰিব নোৱাৰি। মোৰ এই ক্ষেত্ৰত মহাত্মাগান্ধীৰ এটা উপদেশ মনত পৰে। তেখেতলৈ দুৰ্নীতি-নিৰ্মূল কৰা বিভাগ এটা খুলিবলৈ পৰামৰ্শ আগবঢ়াই লিখা কিছুমান চিঠিৰ উত্তৰত তেখেতে "হৰিজন পত্ৰিকাত" লিখিছে যে—দুৰ্নীতিৰ অভিযোগ আজি জজৰ বিৰুদ্ধেও আছে। দুৰ্নীতি অভিযোগ উচ্চ পদস্থ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি সকলোৰে বিৰুদ্ধে আছে। গতিকে সেইবিলাক দুনীতি নিবাৰণৰ কাৰণে যদি এটা পুলিচ বিভাগো খোলা যায় তেন্তে Police Sub-Inspector, A. S. I., S. P., D.S. P. আদিক দায়িত্ব দিলেও সেইদৰে দুৰ্নীতি নিবাৰিত নহব। সেই কাৰণেই কৈছো যে দুৰ্নীতি নিৰ্মূল কৰিবলৈ হলে দুৰ্নীতি নিৰ্মূল বিভাগ এটা খুলিলেই দুৰ্নীতি দূৰ নহব। দুৰ্নীতি দূৰ কৰিবলৈ হলে—তাৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰাম বত হব লাগিব।

সেই কাৰণে দুৰ্নীতি দূৰ কৰিবলৈ হলে আমি দুৰ্নীতি নিবাৰণী বিভাগ খুলি দুৰ্নীতি দূৰ কৰিব নোৱাৰো। দুৰ্নীতি দূৰ কৰিবলৈ আমি সকলোৱে দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লাগিব। প্ৰথমে আমি নিজে নিজৰ অন্তৰৰ উন্নতি সাধন আৰু বিচাৰ কৰিব লাগিব আৰু ইয়াৰ নেতৃত্ব বহন কাৰিৰ লগত সহযোগ কৰিব লাগিব আৰু নেতৃত্ব বহন কাৰি লোকসকলক দুৰ্নীতি পৰায়ণ লোকক দেখুৱাই দিব লাগিব। তেতিয়া সংশ্লিষ্ট বিষয়াজনৰ ওপৰত ব্যৱস্থা লোৱা সহজ হৈ পৰে। কিন্তু আমি যদি কাকো ভাল নাপাওঁ বা বিশ্বাস নকৰো তেনেহলে আচল দুৰ্নীতি পৰায়ণ লোকজনক ধৰা আৰু তেওঁৰ বিৰুদ্ধে কাৰ্য্যকৰী ব্যৱস্থা লোৱা টান হব।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ হব বিচাৰিছো। মুখ্যমন্ত্ৰী মহোদয়ে যি কৈছে তাক আমি নজনা নহয়। আমাৰ অন্তৰ পবিত্ৰ হৈয়ে আছে। আৰু মহাত্মা গান্ধীৰ আদৰ্শৰ কথাও শুনি আছো। But who will bell the Cat ? মাছ গেলিলেই গোন্ধাবই। দুৰ্নীতি নিবাৰণৰ ক্ষেত্ৰত আমি আতৰত থাকিব বিচৰা নাই। আমি Collectively থাকিব বিচাৰিছো। কিন্তু এনেকুৱা কিছুমান উদাহৰণ দাঙি ধৰা হৈছে তাৰ পৰা স্পষ্ট প্ৰমাণ হৈছে যে নেতৃত্ব বহনকাৰি লোক সকলহে দুৰ্নীতি পৰায়ণ। সেই সকল যদি প্ৰথমে নিকা হৈ লয় তেতিয়া হলে আমি ৰাইজক কব পাৰো যে "আহক ৰাইজ আমি সকলোৱে ঐক্যবদ্ধ হৈ চৰকাৰক সহায় কৰো"।

Shri Mahendra Mohan Choudhury— যিবিলাক কথা কৈছো কাৰ্য্যত পৰিণত কৰিবলৈকে কৈছো। হিচাবৰ কাৰণে এই কথা কোৱা নাই।

Shri Sailen Medhi— মুখ্যমন্ত্ৰীয়ে ভুল কথা কৈছে। দুৰ্নীতি সম্পকত বহুত কমিটি কৰি দিয়া হৈছিল কিন্তু নেতৃত্ববহনকাৰী সকলৰ গাত

চেকা লাগিব বুলি তদন্ত কমিটিৰ ৰিপৰ্ট দাখিল নহয়। যিবোৰ তদন্ত কমিটি পাতি দিয়া হৈছে তাৰ ৰিপৰ্ট প্ৰকাশ নকৰাৰ কাৰণ হৈছে যে তাৰ কাৰণে দায়ী বা দোষী মন্ত্ৰীসকল নিজে। সেই কাৰণে আজি অসমৰ জনসাধাৰণে ভাবিবলৈ বাধ্য হৈছে যে মুখ্যমন্ত্ৰীয়ে যি কথা কয় সি অন্তৰৰ কথা নহয়।

Shri Mahendra Mohan Choudhury—তেনেহলে উত্তৰ দি লাভ নাই।

Shri Sailen Medhi—আজিয়ে দাখিল কৰিম বুলি কওঁক।

Shri Dulal Chandra Barua—মাননীয় মুখ্যমন্ত্ৰীয়ে ভুল বুজিছে। আমি কৈছো যে তেখেতে যিখিনি কথা কৈছে সঁচা কথাই কৈছে কিন্তু যিবোৰ কথা কোৱা হয় তাৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা নাই। মোৰ প্ৰশ্ন হল যিবোৰ কমিটি পাতি দিয়া হৈছে তাৰ ৰিপৰ্ট দাখিল কৰিব লাগে আৰু তেতিয়া সদনত আলোচনা কৰিবলৈ সহজ হয়। ৰিপৰ্টত যদি কিবা আসোৱাহ থাকে তাৰ কাৰণে কতো কৰবলৈ নাযাও। আমি ভাবো ইয়াৰ দ্বাৰা প্ৰশাসনৰ সৌষ্ঠৱ বাঢ়িবহে। কাৰণ আনক আত্মবিশ্লেষণ কৰিবলৈ হলে প্ৰথমে নিজক বিশ্লেষণ কৰি চাব লাগিব। নহলে আমিটো সদায়ে চিঞৰি আছিছো কিন্তু আমাৰ কিবা লাভ হৈছে নে? এইখিনিতে মোৰ এটা সাধু কথালৈ মনত পৰিছে।

এজন ডাঢ়িয়া সভাপতিয়ে এখন সভাত বক্তৃতা দি থকা অৱস্থাত ওচৰতে এগৰাকী তিৰোতাই কান্দি আছিল। সভাপতিয়ে ভাবিলে যে মোৰ কথাত পতিয়ণ গৈ কিবা দুখৰ কথাত কান্দিছে কিন্তু সভাৰ শেষত যেতিয়া মহিলা গৰাকীক সোধা হল তেতিয়া কলে যে আপোনাৰ ডাঢ়ি কোছা দেখি মোৰ আমাৰ মৰা ভোৰোলা ছাগলীটোৰ কথা মনত পৰিছে।

Shri Mahendra Mohan Choudhury—যিবিলাক তদন্ত কমিটি পতা

হ'ল তাৰ ৰিপোৰ্ট বিলাক প্ৰকাশ কৰাত বহুত খিনি অসুবিধা আছে। এই কমিটি বিলাক পতা হয় চৰকাৰে বুজিবৰ কাৰণে কোন কোন ক্ষেত্ৰত ভুল হৈছে আৰু ভুলবিলাক কেনেকৈ সংশোধন কৰিব পৰা যায় তাৰ পৰামৰ্শ লবলৈ।

মোক এক বজাত উত্তৰ শেষ কৰিবলৈ কৈছে কিন্তু সময় বঢ়াই দিলেও আটাইখিনিৰ উত্তৰ দিব নোৱাৰিম। গতিকে কেইটামান উল্লেখযোগ্য বিষয়ৰ উত্তৰ দিব খুজিছো।

আমাৰ দেশ স্বাধীন হোৱাৰ পিছৰে পৰা আমাৰ দেশত বহুত নতুন নতুন বিভাগ খোলা হৈছে বুলি কৈছে, কিন্তু প্ৰশাসনৰ উন্নতি হোৱা নাই।

মাননীয় সদস্য সকলে যিবিলাক কথা কয় সেইবিলাক মই Note কৰি যাওঁ আৰু তাৰে কিছুমান পাহৰি যাওঁ। শ্ৰীবৰুৱা ডাঙৰীয়াই কৈছে আমাৰ দেশৰ প্ৰশাসনত বিস্তৃতি লাভ কৰিবলৈ হলে যথেষ্ট বিভাগৰ প্ৰয়োজন। আমি বিভাগ বিলাক খুলিছোঁ আৰু কৰ্মচাৰীও নিয়োগ কৰিছোঁ; কিন্তু সেই বিভাগ বিলাকে যথাযথভাৱে কাম কৰিব পৰা নাই। এইটো অসত্য বুলি কব নোৱাৰো। গতিকে এইটো তদন্ত কৰি আছো আৰু কেৱল নতুনকৈ সৃষ্টি হোৱা বিভাগ বিলাকে যে কাম কৰিব পৰা নাই সেইটো নহয় পুৰণিবিভাগ বিলাকতো ঠিক এনেকুৱাই হৈছে।

তাৰ পাছত আমাৰ কিছুমানত আমোলাতান্ত্ৰিক প্ৰশাসন থকা বুলি কৈছে—এইটো যে নাই তেনেকুৱা কথা কব নোৱাৰো। আমোলা-তান্ত্ৰিক ভাৱে যদি কোনো এটা নীতি নিৰ্দ্ধাৰণ কৰি দিও— এই নীতি কাৰ্য্যকৰী কৰিবৰ বাবে বিষয়া সকলৰ ওপৰতেই দায়িত্ব দিয়া হয় আৰু সেই বিষয়া বিলাকেই কামবিলাক কৰে। তেওঁলোকে এই বিলাক নতুন নীতি কায্যকৰী কৰাৰ ক্ষেত্ৰত নিজৰ যিমানখিনি শক্তি আছে সেইমতে কৰে আৰু সত্‌ভাৱে কামটো হয়, তাৰ বাবে ওপৰ মহলৰ পৰা চকু ৰখা হব। অৱশ্যে এটা কথা যে আমোলা-

তান্ত্ৰিক সাঁচত হোৱাৰ বাবে আমাৰ জনসাধাৰণে সেই কৰ্মচাৰী সকলৰ পৰা যিখিনি সহায়-সহযোগ পাব লাগিছিল সেইখিনি পোৱা নাই। কিন্তু এইটো দূৰ কৰিব লগা হৈছে।

আজি আমাৰ দেশৰ কাৰণে যিবিলাকে কাম কৰিছে সেই সকলোৱেই চৰকাৰী বিষয়া। গতিকে আমাৰ বিভাগ বিলাকত কি হৈছে দেশৰ পৰিস্থিতি কেনেকুৱা হৈছে আৰু দেশৰ কাম কিমানখিনি হৈছে—নহৈছে এই বিলাক কথা যদি ভালকৈ উপলব্ধি কৰে বা উপলব্ধি কৰিবলৈ চেষ্টা কৰে আৰু দেশৰ সমস্যা বিলাক যদি দূৰ কৰিবলৈ সমানে চেষ্টা কৰে, তেন্তে আমাৰ যিবিলাক বাধা-বিঘিনি আছে সেই সকলো বিলাক দূৰ হব, তাত সন্দেহ নাই।

আজি এজন বিষয়া বদলি কৰিলেই যে কামটো ভাল হব সেইটো নহয় তাৰ ওপৰি আমি সকলোবিলাক কথা ভালদৰে আগতে চিন্তা কৰিব লাগিব। সেই কাৰণে প্ৰথম কথা হল যে কি প্ৰকাৰে কেনেভাৱে কৰিলে কাৰ্য্য সম্পাদন হয় আৰু আমাৰ দেশৰ ডাঙৰ পৰিস্থিতি বিলাক তেওঁলোকক আঙুলিয়াই দিব পাৰো তাৰ কাৰণে চেষ্টা কৰা হৈছে।

আমাৰ এতিয়া নতুন মন্ত্ৰী সভা গঠন হোৱা ৬ মাহ উকলি গ'ল। এই ৬ মাহৰ ভিতৰত প্ৰশাসনৰ উন্নতিৰ কাৰণে আমি যথেষ্ট চেষ্টা কৰিছো। আমাৰ যিবিলাক পুৰণি কাম পৰি আছে যেনে—কিছুমান বিষয়াৰ বিৰুদ্ধে অভিযোগ হৈছিল সেই বিলাক নিষ্পত্তি কৰিবৰ কাৰণে আমি বিশেষ চেষ্টা কৰিছোঁ।

আমাৰ কিছুমান বিষয়ত Service Rule নাই। Service Rule যাতে সোনকালে হয় তাৰ কাৰণে চেষ্টা কৰা হৈছে। তাৰ পাছত আমাৰ মাননীয় সদস্য কিছুমানে কৈছে যে কিছুমান বিভাগত P.W.D. F.C.I. আৰু Relief and Rehabilitation আদিত বেছি ভাগেই অস্থায়ী হৈ আছে। সেই বিলাক কেনেকৈ সোনকালে স্থায়ী কৰিব পৰা যায় তাৰ কাৰণে চেষ্টা চলাই থকা হৈছে। সেই

কাৰণে আমি এটা সিদ্ধান্ত কৰিছোঁ যে আজি বিধান সভা শেষ হোৱাৰ পাছত সকলো একেলগে বহি এই বিলাক কথা আলোচনা কৰিম। আমাৰ বিধান সভাৰ পাচতো ৭ দিন ধৰি এই বিলাক বিষয়ে আলোচনা কৰা হব আৰু আমি যিবিলাক কৰিবলৈ সিদ্ধান্ত কৰো সেইবিলাক যাতে কাৰ্যকৰী হয় সেই বিষয়ে চেষ্টা কৰিম বুলি আশা কৰিছো।

আমাৰ P.W.D. বিভাগৰ কৰিবলগীয়া বহুতো কাম আছে; সেই বিলাকৰ approval দিওঁতে কিছু পলম হয় আৰু চিন্তা কৰিহে approval দিবলগীয়া হয়; সেই কাৰণে approval দিয়াৰ পাছতো কাম বিলাক আগবাঢ়ি যোৱা নাই; গতিকে সোনকালে আগবঢ়াই নিবৰ কাৰণে বিশেষ চেষ্টা কৰিছো। আমাৰ কলেজ বিশ্ব-বিদ্যালয় বিলাকত গণ্ডগোল হৈ থাকে। সেই কাৰণে সেই বিলাকৰ মূলতে আমি যি সময়ত কামবোৰ কৰিব লাগে সেই নিৰ্দ্দিষ্ট সময়ত কৰিব পৰা নাই।

আমাৰ কটন কলেজৰ শিক্ষকসকলৰ অৱস্থা উন্নত কৰা কথা আছিল; তেওঁলোকৰ নিবাসৰ কাৰণে Building নিৰ্মাণ কৰা কথা আছিল। ছাত্ৰ নিবাস বনোৱা কথা আছিল; সেইবিলাক বহুত দিনৰ আগতেই সিদ্ধান্ত কৰিছিলোঁ। কিন্তু Administrative approval দিয়াৰ পাচতো যি বেগত কাম বিলাক আগবাঢ়ি যাব লাগিছিল, সেই বেগত আগবাঢ়িব পৰা নাই। ঠিক সেইদৰে Primary Health Unit তো আগবাঢ়িব পৰা নাই; কিন্তু সেইবিলাক অতি সোনকালে কৰিবলৈ আমি চেষ্টা কৰি আছো।

আৰু এটা কথা কওঁ—আমি যিবিলাক কামৰ কাৰণে মাননীয় সদস্যসকলক আশ্বাস দিছিলো সেইবিলাক কাৰ্য্যকৰী কৰিব পৰা নাই; কাৰণ সেই বিলাক যদি বিতংভাৱে আলোচনা কৰিব পাৰিলোহেঁতেন তেন্তে আমি তদন্ত কৰিব পাৰিলোহেঁতেন।

Shri Hiralal Patwary— ছাৰ, মন্ত্ৰী মহোদয়ে নিজে ৰাজাগড়াত পানী

দিয়া হব বুলি আশ্বাস দিছিল কিন্তু এতিয়ালৈকে নহল ।

Shri Maneswar Baro— এই সদনতে মন্ত্ৰী ডাঙৰীয়াই কাউলীত পানী দিব বুলি এদিন আশ্বাস দিছিল; কিন্তু আজিলৈকে দিয়া নাই ।

Shri Mahendra Mohan Choudhury— ৰাজাগড়াত পানী দিয়া সম্ভৱ নহয়; যদি তাত পানী দিবলগীয়া হয়, তেনেহলে আমাৰ ইঞ্জিনিয়াৰ সকলৰ লগত আলোচনা কৰিব লাগিব। আমাৰ শ্ৰীবড়ো ডাঙৰীয়াই কাউলী অঞ্চলত পানী দিয়াৰ বিষয়ে যিটো কথা কৈছে সেইটো কৰিবলৈ কিছুমান অসুবিধা আছে। কাৰণ কাউলীত তেনেকৈ Natural Source নাই আৰু Deep tubewell ও ওচৰত নাই— দ্ৰুতগতিত পানী আনিবৰ কাৰণে । সেই কাৰণে ক'ত পানী পায়, তাৰ Survey কৰিবলৈ আৰম্ভ কৰা হৈছে আৰু ভাৰত চৰকাৰৰ Water Commission ৰ দ্বাৰা ক'ত ভাল তথা উপযোগী পানী পায়, তাৰ বাবে তদন্ত চলাইছে ।

মই ভাবো আশ্বাস দিয়া মতে কাম নকৰা মানে বিশ্বাস ঘাটকতা কৰা । তথাপি আমি আমাৰ ফালৰ পৰা কোৱা হৈছে যে চেষ্টা কৰি চাম আৰু যিভাবে কৰিব লাগে তেনেকৈ চেষ্টা কৰাত যাতে কোনো দিনলৈ বিচলিত নহয়, সেই কথা বিবেচনা কৰি চোৱা হব আৰু এই আশ্বাস বিলাকত যদি কেনেবাকৈ পলম হয় তেনেহলে মাননীয় সদস্য সকলক মই নিবেদন কৰিছো যে তাৰ বাবে ক্ষমা কৰিব ।

Shri Hiralal Patwary— মাননীয় মন্ত্ৰী মহোদয়ে ৰাজাগড়াৰ বাবে ৩০ কোটি টকা—This will be done immediately and I would like to see that it should be done within this year. এইটো মাত্ৰ order দিছিল ।

Shri Mahendra Mohan Choudhury— তাতো পানী পোৱা নাযায় আৰু তেনেকৈ Natural source নাই । তালৈ পানী আনিবলগীয়া হলে ভূটান চৰকাৰৰ পৰা Permission লব লাগে আৰু এই

Permission অসম চৰকাৰে আনিব নোৱাৰে। অনুমতি আনিবলৈ হলে কেন্দ্ৰীয় চৰকাৰে আনিব লাগিব।

Deep tubewell ৰ কামৰ বাবে ভাৰত চৰকাৰৰ ফালৰ পৰা আমেৰিকাৰ এটা Company ক দায়িত্ব দিয়া হৈছে। তেওঁলোকে ৮/১০ বাৰকৈ পৰীক্ষা কৰি চাইছে আৰু তাৰ ভিতৰত দুটা মাত্ৰ ঠাইত পানী পাইছে। গতিকে জলসিঞ্চন বা খোৱা পানীৰ অভাৱ দূৰ কৰিবলৈ আমি চেষ্টা কৰিছো।

এতিয়া আমাৰ শ্ৰীহুদা ডাঙৰীয়াই কৈছে যে— কাৰিকৰী বিভাগ, P.W.D. Medical আৰু Forest আদি Deptt. ত আৰু Heads of the Deptt. ত Technician মানুহ হব লাগে আৰু I.A.S মানুহ তাত দিলে প্ৰশাসন ভাল হব নোৱাৰে। কিন্তু মই সেইটো কথা স্বীকাৰ কৰিব নোৱাৰো। কাৰণ আমাৰ Sectt. work Policy য়ে Decide কৰা পাছত সেই Policy অনুসৰি কাম কৰিবৰ কাৰণে কাৰিকৰী বিষয়া দিয়া হয়। তাৰ পাছত শ্ৰীহুদা চাহাবে আকৌ কৈছে যে শিক্ষা বিভাগত যদি শিক্ষাবিদ সকলক নিযুক্তি কৰা হয়, তেতিয়াহে শিক্ষাৰ উন্নতি হব।

Shri Shamsul Huda— কাৰিকৰী বিষয়ত কাৰিকৰী জ্ঞান নথকা মানুহে কি Policy ঠিক কৰিব।

Shri Mahendra Mohan Choudhury— Ministrial Level ত Policy নিৰ্দ্ধাৰণ কৰাৰ ক্ষেত্ৰত প্ৰশাসক সকলে সকলো কথা বিবেচনা কৰি কাৰিকৰি বা শিক্ষাবিদৰ মতামত লৈ Policy নিৰ্দ্ধাৰণ কৰা হয়। মন্ত্ৰীসকল বা Secretary সকল যদি ভাল কাৰিকৰী জ্ঞান থকা মানুহ হয়, তেন্তে ভাল কথা; যেনেকৈ Dr. K. L. Rao আছে।

তাৰ পাছত শ্ৰীবৰুৱা ডাঙৰীয়াই কৈছে যে কৰ্মচাৰী সকলৰ Pay, promotion ইত্যাদি বিষয়ত অসন্তুষ্টিৰ সৃষ্টি হৈছে।

Shri Dulal Chandra Barua – শ্ৰীহুদা ডাঙৰীয়াই যিটো পৰামৰ্শ দিছে সেইটো গ্ৰহণ কৰে নে নকৰে কব নোৱাৰো; কিন্তু আমাৰ কিছুমান অনুষ্ঠান আছে, যেনে Span Mill Corpn. ইত্যাদিত কাৰিকৰী লোক নিদিয়াৰ ফলত বহুতো বেমেজালি সৃষ্টি হৈছে আৰু চৰকাৰে এই বিলাক বিষয়ত training আদিৰো ব্যৱস্থা কৰিব লাগে।

Shri Mahendra Mohan Choudhuray – আমাৰ কিছুমান Specialise বিষয় আছে সেইবিলাক বিষয়ত আমাৰ যিবিলাক কৰ্মচাৰীক দায়িত্ব দিব লগা হয় তেওঁলোকেই প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। প্ৰশাসন ভাল কৰিবৰ কাৰণে আমি সেই কৰ্মচাৰী বিলাকক বাহিৰত training দি নিযুক্তি কৰাৰ ব্যৱস্থা কৰিছো।

তাৰ পাচত আমাৰ শ্ৰীবৰুৱা ডাঙৰীয়াই কৈছে যে—Promotion ৰ ক্ষেত্ৰত Seniority চাব নালাগে। উপযুক্ততাহে চাব লাগে। মোৰ বোধেৰে এইটো হলে বেয়া নহব।

( স্বৰ— নহয়, নহয় সেইটোও ঠিক নহয় )

কিন্তু আমাৰ সংবিধানে সেইটো অধিকাৰ আমাক দিয়া নাই। আমাৰ সংবিধানে বিষয়া সকলক কিছু নিৰাপত্তা দিছে আৰু সেই নিৰাপত্তা অনুসৰি Seniority আৰু Promotion পায়। যদি কোনোবাই অসন্তোষজনক বুলি বিবেচনা কৰে, তেনে্তে আদালতৰ সহায় লব পাৰে।

সেই কাৰণে Fevouratism ক প্ৰশংসা কৰা হৈছে। কিন্তু অসন্তুষ্টি দূৰ কৰাৰ কাৰণে আমি যি ব্যৱস্থা কৰিব খুজিছো সেই মতে নহলে তাৰ প্ৰতিক্ৰিয়া বেয়া হব পাৰে।

তাৰ পাছত A.C.S. I আৰু II ক একেটা Carde কৰা সম্পৰ্কে পৰামৰ্শ আগবঢ়াইছে; কিন্তু এইটো নিজৰ কথা নহয়। বহুত দিনৰ আগতে স্বৰ্গীয় গোপীনাথ বৰদলৈৰ দিনতো এইটো পৰামৰ্শ দিছিল আৰু তেতিয়া আংশিক ভাৱে মানি লৈছিল; কিন্তু existing

মানুহখিনিৰ কি সিদ্ধান্ত লব সেইটো ঠিক হোৱা নাছিল ; আৰু সেই সিদ্ধান্ত খাটাং নোহোৱাৰ কাৰণে এই বিষয়ে কোৱাটো টান।

এতিয়া A.C.S. I আৰু II ৰ প্ৰমোচনৰ ক্ষেত্ৰত কিছুমানক দক্ষতা দেখুৱাব নোৱাৰাৰ কাৰণে প্ৰমোচন দিয়া নহয়। সেই কাৰণে ১৯৫০ চনতেই এই ব্যৱস্থাটো ৰহিত কৰা হৈছে। এতিয়া আমি A.C.S. II অফিচাৰক A.C.S. I কৰিবৰ কাৰণে চেষ্টা কৰিছো। আমাৰ ইয়াত A.C.S- I ৪০০ বিষয়া আছে, তাৰ ভিতৰত ২০ টা Post খালি হৈ আছে। আৰু ৩৮০ জন A.C.S. II অফিচাৰ আছে।

আমাৰ ১০ টা Selection Grade ৰ পষ্ট আছে। এই বিলাক বঢ়াবৰ বাবে চেষ্টা কৰিছো। শতকৰা ১০ ভাগ বঢ়াব খুজিছো। অৱশ্যে A. C. S. I ৰ Selected Post নাই। A.C.S. ত যিমান Vacancy আছে তাত A. C. S II ৰ পৰা Promotion দিয়া হব। Dass Commission ৰ সময়ত ২০ জন আছিল। A. C. S. II Promotion ৰ হাৰ শতকৰা ৩০ ভাগ বাঢ়িছে। সেই অনুসাৰে ৫৭ জন মানুহৰ A. C. S II ৰ পৰা A. C. S. I লৈ Promotion হৈছে। তাৰে ২৪ জন লৈছো। আৰু ৩৩ জন বাকী আছে। এইটো সোনকালে কৰিবৰ কাৰণে চেষ্টা কৰিম। তাৰ ভিতৰত Asstt. Settlement Officer ৰ Promotion পোৱা আছে।

Three posts of Deputy Controller of Civil Defence; two posts of Valuation Officers; 25 posts of Sub-divisional Planning and Development Officers under the Panchayat Department; Assessors under the Municipal Department.

এই Promotion ৰ হাৰ বৃদ্ধি কৰিবৰ কাৰণে চেষ্টা কৰিছো। তেওঁলোকে কৈছে যে A. C. S. I আৰু A. C. S. II ৰ পাৰ্থক্য দূৰ কৰি সকলোকে Civil Service Employee A. C. S ভুক্ত

কৰিব লাগে। এইটো কথা চৰকাৰে বিবেচনা কৰিব। Revenue, Co-operative যিবিলাক Specialise Post আছে সেইবিলাক লৈ এটা Specialise Cader কৰিব লাগে। ইয়াৰ পাছত আমাৰ ৰাজ্যৰ পৰা কিছুমান অফিচাৰ কেন্দ্ৰলৈ যাব লাগে বুলি অভিযোগ আহিছে। যিদৰে Madras, Panjab আদিত মানুহ Central ত চেক্ৰেটৰী আছে। কিন্তু আমাৰ মানুহ বিলাক Home Seek তেওঁলোক বাহিৰলৈ যাব নোৱাৰে। আৰু Senior I.A.S. অফিচাৰ শৰৎ কাকতি, ধৰ্মানন্দ দাস, গণেশ ফুকনক তালৈ পঠোৱাৰ কাৰণে চেণ্টা কৰিছিলো কিন্তু তেওঁলোক যাবৰ ইচ্ছা নকৰিলে। আমাৰ অফিচৰ Assistant সকলোকো Training দিয়াৰ প্ৰশ্ন উঠিছে এইটো ভাল কথা।

আমাৰ মিজো পাহাৰত থকা কমিচনাৰৰ Head quarter শিলঙত। মিজো পাহাৰ আৰু কাছাৰৰ ভিতৰত এজন কমিচনাৰ তেওঁৰ Head quarter আগতে শিলচৰত আছিল। এতিয়া তেওঁক অন্য কামো কৰিবলৈ দিয়াৰ বাবে Head quarter Shillong ত দিয়া হৈছে। এতিয়া শিলচৰলৈ যোৱাৰ ব্যৱস্থা কৰিম।

A. C. S. I আৰু A. C. S II Merge কৰিবলৈ কৈছে সেইটো কৰিলে financial implication হব। অৱশ্যে এইটো কাম কৰিবৰ চেষ্টা কৰিম।

বৰপেটা মণ্ডলৰ সম্পৰ্কত ব্যৱস্থা লবলৈ কৈছে। সেই কথা বিভাগীয় মন্ত্ৰী লিখি লৈছে তাৰ যথাযথ ব্যৱস্থা কৰা হব। Schedule Caste ক যি মাটি দিয়া হৈছে তাত তেওঁলোকে দখল কৰিব পৰা নাই। কাৰণ তাত এটা ৰাষ্টাৰ প্ৰয়োজন। সেইটো বন্ধাৰ ব্যৱস্থা কৰা হৈছে। দুখীয়া মানুহ সকলক সাহায্য দিয়াৰ বাবে বিবেচনা কৰা হৈছে। তাৰ পাছত আমাৰ মাননীয় সদস্য লক্ষ্য চৌধুৰী ডাঙৰীয়াই কৈছে যে, কামৰূপৰ D. C শ্ৰীঅনিল কুমাৰ চৌধুৰীয়ে ১২ বিঘা মাটি শনিবাৰে লৈ সোমবাৰে ম্যাদী কৰিছে।

এই কথাটো মই এতিয়া Phone কৰি সোধাত কলে যে, তেওঁৰ নামত গুৱাহাটীত ১´´ মাটিও নাই।

তেখেতে ১২ বিঘা মাটি শনিবাৰে লৈ সোমবাৰে ম্যাদি কৰিছে। এই কথা তেওঁক মই এই মাত্ৰ সোধাত তেখেতে কলে যে— মোৰ নামত যদি ১২ বিঘা নেলাগে ১২ ইঞ্চি মাটিও পায় তেনেহলে আপুনি মোক যি ইচ্ছা তাকে কৰিব পাৰে।

Shri Govinda Kaltia—তেতিয়া হলে শুনক—"সোনাপুৰ মৌজা, ননক মৰগদলা ১০নং ম্যাদি পট্টাৰ ৫৭ নং দাগৰ ১২ বিঘা—শ্ৰীঅনিল কুমাৰ চৌধুৰী পিতা স্বৰ্গীয় সভাৰাম চৌধুৰী সাং—চেনিকুঠি, গুৱাহাটী। খাজনা ৯ টকা ৰেট—২ টকা ২৫ পইচা।

Shri Mahendra Mohan Choudhury—কাগজখন মোক দিব কৈছো আপুনি দিয়ক। তাৰ পিছত আমাৰ শ্ৰীৰড়া ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি বেছ গঠনমূলক কথাই কৈছে। এই বিষয়ে আমি যিমান সোনকালে পাৰো তাক কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিম। Supply Sub-inspector ৰ নিয়োগৰ ক্ষেত্ৰত কওঁ যে প্ৰায় ২ বছৰৰ আগতে ইয়াৰ কাৰণে advertise কৰা হৈছিল। সেই বিলাক এতিয়াও নিয়োগ কৰা হোৱা নাই। সেই নিয়োগৰ বিষয়ে কব খুজিছো যে Textile department টো তুলি দিয়াৰ ফলত যিবিলাক retrance হব সেই বিলাকক দিব পৰা ব্যৱস্থা হব তেনেকৈ ইয়াত চাকৰি দিয়াৰ পাচতো ২০ টা চাকৰি খালি হব। আমাৰ দৰ্খাস্ত হৈছিল ৩০০০ হাজাৰ ৫০০ শ। পৰীক্ষা লোৱা হৈছিল ৩০০০ হাজাৰৰ ৫০০ শই নিদিলে। এতিয়াও তেওঁলোকৰ খবৰ ওলোৱা নাই। পৰীক্ষা হোৱা তিনি/চাৰি মাহ মান হ'ল। Result অনুসৰি এই খালি থকা ২০ টা চাকৰিৰ কাৰণে ১০০ জন মান পৰীক্ষাৰ্থীক interview লৈ মাটি তাৰ পৰা লোৱা হব।

ইয়াৰ পিছত শ্ৰীলক্ষ্য চৌধুৰী ডাঙৰীয়াই Scheduled Caste আৰু Scheduled Tribe ক মাটি দিয়াৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত

এটা কথা কৈছে, তাৰ উত্তৰত মই কও যে এই বিষয়ে....

Shri Lakshayadhar Choudhury— মই এটা কথা কৈছো—Scheduled Caste আৰু Scheduled Tribe বিলাকক ৰাণ্টাৰ মাটি দিয়াৰ কথা। গুৱাহাটীৰ খাৰঘুলিত ২০/৯/৭০ তাৰিখে A. D. C. ক দৰখাস্ত দিয়া হৈছিল। ইয়াৰ কিবা ব্যৱস্থা কৰিছে নেকি?

Shri Mahendra Mohan Choudhury—ইয়াত দুডোখৰ ঠাই আছিল। ফটা শিল্পৰ দৰখাস্তও আছে। গতিকে ইয়াৰ বিষয়ে সময়ৰ অভাৱত তদন্ত কৰিব নোৱাৰিলে যদিও তাৰ ব্যৱস্থা কৰা হব। আমাৰ কিছুমান বিৰোধী পক্ষৰ মানুহক Naxalite বুলি গোৱালপাৰাত গ্ৰেপ্তাৰ কৰিছে বুলি তোলা অভিযোগৰ উত্তৰত মই কও যে— তেনে কোনো ঘটনা ঘটাৰ আমি বাতৰি পোৱা নাই যদিও তদন্ত কৰি ইয়াৰ ব্যৱস্থা হাতত লম।

ভোলাগুৰি tea estate ৰ মাটিৰ সংক্ৰান্তত যি অভিযোগ আহিছে তাৰ বিষয়ে কওঁ যে যিবিলাক মানুহে তাত মাটি দখল কৰি আছে তেওঁলোকক তাৰ পৰা উচ্ছেদ কৰিব নোৱাৰি। পট্টা হস্তান্তৰ কৰিলেও দখলদাৰ মানুহৰ দখলি স্বত্ব তাৰ পৰা নেযায়। নগাওঁ জিলাত তিনিটা Sub-division ৰ কথা কোৱা হৈছে। North Lakhimpur, ধেমাজি আদি অঞ্চলক লৈ এখন বেলেগ জিলা কৰাৰ কথা আগতেই কোৱা হৈছে। অফিচাৰ সকলৰ দৃষ্টি ভঙ্গি পৰিৱৰ্ত্তন হব লাগে বুলি আগেয়ে কোৱা হৈছে। আমাৰ Patwary ডাঙৰীয়াইও বহল দৃষ্টি ভঙ্গীৰে যিবিলাক কথা হৈছে সেই বিলাকো বিবেচনা কৰি চোৱা হব। আমাৰ বন্ধু শ্ৰীমোছাবিৰ চৌধুৰীয়ে এটা অভিযোগত কৈছে যে— Classical Language, Sanskrit, Islamic আৰু উৰ্দুয়ে যথেষ্ঠ সমাদৰ পোৱা নাই বুলি কৈছে। এইটো বৰ সত্য নহয়। দুটাৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি লক্ষ্য কৰা হৈছে। Islamic শিক্ষাৰ ক্ষেত্ৰত বিশেষ আগবঢ়া হৈছে। মাত্ৰ টোল'ৰ ক্ষেত্ৰতহে বিশেষ আগবাঢ়িব পৰা নাই।

Shri M. A. Musawwir Choudhory— You kindly take it from me that they have not yet been given the revised scale.

Shri Dulal Chandra Baruah—Revised payscale দিয়া হৈছেনে ?

Shri Mahendra Mohan Choudhury— Scale দিয়া হোৱা নাই। সেইটো চাম। ডবকা হাইস্কুল, স্কুল ইন্সপেক্টৰ এজনৰ সম্পৰ্কে লাও খোৱা ৰিজাৰ্ভ'ত মাটি পট্টনৰ সম্পৰ্কত থকা অভিযোগ বোৰৰ সম্পৰ্কে ব্যৱস্থা গ্ৰহণ কৰা হব।

( স্বৰ— ১০ বছৰ পাৰ হৈয়ে গ'ল )

য'ত গোলমলীয়া দখল আছে অৰ্থাৎ পট্টা এজনৰ তেনেকুৱা বিলাক কথা দেৱানী আদালতহে নিষ্পত্তি কৰিব পৰা যাব। Decree Court এ decree জাৰি কৰি নামজাৰী কৰিবৰ কাৰণে যি নিৰ্দেশ দিছে—আইনমতে দিয়া সেই নিৰ্দেশ অৱমাননা কৰাটো দোষণীয় কাম। তথাপিও এই সম্পৰ্কে Revenue minister এ তদন্ত কৰি চাব।

মাননীয় সদস্য শ্ৰীজালালুদ্দিন আহমেদৰ প্ৰত্যুত্তৰ হিচাবে মই কও যে— আমাৰ যি এহেজাৰ বিঘা মাটি আহিছে সেইখিনি মাত্ৰ এহেজাৰ জন শিক্ষিত লৰাকহে দিব পৰা যাব। তাতকৈ বেছিক দিব নোৱাৰি। এইটো সমষ্টি বুজি ভাগ কৰি দিয়াৰ কথা নহয়। যিবিলাক শিক্ষিত লৰা খেতি-বাতি কৰিবৰ কাৰণে ইচ্ছুক তেওঁ-লোকক দৰ্খাস্ত দিবলৈ কোৱা হৈছে। তেনেকুৱা ল'ৰা নিৰ্ব্বাচন কৰি তেওলোকক দিবৰ কাৰণে কোৱা হৈছে। আমাৰ Revenue minister য়েও এই বিষয়ে চাব।

Shri Atul Chandra Goswami—এটা অভিযোগ আহিছে P.W.D. বিভাগৰ L. D আৰু Tracer সম্পৰ্কে...

Shri Mahendra Mohan Choudhury— মই গোটেই File টো চাম।

( গোলমাল )

Shri Hiralal Patwary— কমিচনাৰে Report দাখিল কৰা সম্পৰ্কে মোৰ আপত্তি আছে।

Shri Shamsul Huda— দুৰ্নীতি সম্পৰ্কে যোৱা ২৩ বছৰে বহু কেইটা তদন্ত কমিটি বহিছিল এইবিলাক কমিটিৰ অন্তত এখন মানো Report আমাক এসপ্তাহৰ ভিতৰতে দিব নে ?

Shri Mahendra Mohan Choudhury— ২৩ বছৰে দুৰ্নীতি সম্পৰ্কে তদন্ত বহুতো হৈছে আৰু বহুতো মানুহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হৈছে গতিকে সেইবিলাক কথা মই পুনৰ উক্তি কৰিব নোখোজো।

(The Cut motions were then negatived by voice—votes)

Mr. Speaker— I put the two Demands Nos 11 and 12 together :

The question is that—

(i) On the recommendation of the Governor of Assam, a sum of Rs. 88,90,000 be granted to the Minister in charge to defray the expenses during the year ending 31st March 1972 under the head "19 – General Administion-II—Secretariat and Attached Offices."

(ii) On the recomedation of the Governor of Assam a sum of Rs. 1,20,69,000 " be granted to the Minister in-charge to defray the expences during

the year ending 31st March 1972 under the head "19—General Administration—II Secretariat and Attached Offices.

( The motion was adopted )

## Re : APPEARANCE OF TWO JETS IN SHILLONG SKY ON THE 27TH APRIL 1971

Shri Atul Chandra Goswami—মই এটা কথা ৰাখিছো আৰু সেইটো ৩০১ ধাৰা মতে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো, মই জানিবলৈ পাইছো যোৱা কালি ৰাতিপুৱাতে পাকিস্তানৰ দুখন Plane শ্বিলঙৰ ওপৰেদি উৰি গৈ চিলেট পালেগৈ এই কথাটোৰ এটা Clarification মই মুখ্য-মন্ত্ৰীৰ পৰা বিচাৰিছো ।

Shri Mahendra Mohan Choudhury—কথাটো সত্য নহয়, Air Vice Marcel ৰ পৰা অনুসন্ধান কৰি জানিব পাৰিছো সেই ২ খন exercise কৰিবলৈ অহা আমাৰেই Plane পাকিস্তানৰ নহয়, সেই দুখন আমাৰেই Fast Moving Plane.

## Re : ASSAM NAGALAND BORDER INCIDENT ON 21ST APRIL 1971

*Shri Dulal Chandra Barua—Sir, I want to put a very important question today which is practically a serious matter for the people who are living in the border areas of Nagaland and Assam. Sir, on 21st April, 1971 at about 1-30 a.m. the Nagaland armed police force who are now specially inside

*Speech not corrected.

our territory in Kakodonga forest reserve they went out and damage housed of new settlers of that particular area and injured many and one of our men is now lying in the hospital. Though there is police camps our A. P. Battalion has no clear instruction to take precautionery measure for preventing such kind of crime, they could not do anything. There is no scheme to rebabilitate these people and the police have got frustrated. Unless strict measures are taken the people of that area will have to suffer very badly. My whole contention is that police camp, which are within our territory must be removed forthwith and I urge upon the Government through you Sir that there should be no such kind of peacemill policy which does lot of harm to our own people. Therefore, may I request the Hon'ble Chief Minister that immediately he should take up the matter with the Nagaland Government as well as Govt. of India to remove the camps. The camp itself is indulging these sort of things. One Mr. Saihu ex-army man, I donot know how he has been put there by the Nagaland and under his leadership these incidents are going on. Any way though the attrocities continue there our people cannot do any thing because there is no clear instrucation from our Government. I personally visited that area and I found that it would be better to withdraw these

camps and unless Govt. gives clear instruction to prevent life and property of our people they will have to suffer a lot. Therefore a serious situation has arisen and I urge Government will take prompt action to prevent the life and property of the people, and such kind of attrocities by removing the camps forthwith from that particular area.

Shri Mahendra Mohan Choudhury, (Chief Minister) – Sir, it is an unfortunate thing that has happen in the Nagaland border. On the present situation I am giving you a full statement.

In pursuance of Govt's decision, dereservation of Kakodonga Reserve Forest has since been completed in early part of March, 1971 and nearly 700 landless and flood affected families have been given settlement.

Between 21st to 25th January, 1971 people from Nagaland actively supported by the Nagaland Armed Police burnt down or demolished about fifty houses of flood affected and landless people recently settled in the Kakodonga Reserve Forest. Strong protest was lodged with the Govt. of Nagaland. Govt. of India was also informed of this. D. C., Sibsagar made spot verification on this matter and assessed the damages due to burning and destruction of houses at Rs. 12900/- and took up the matter with the D. C., Mokokchung asking

for compensation for the same. The D. C. Mokokchung was also requested to agree to a joint enquiry into the matter in order to bring offenders to book. In reply to our protest Nagaland Govt. informed that Nagaland Armed Police did not burn down or dismantle houses of our settlers in Kakodanga Reserve Forest. This reply of the Nagaland Govt. was not considered satisfactory and the matter was pressed again. Nagaland Govt. have since agreed to get a fresh enquiry by the representatives of the two state Govts. consisting of Deputy Commissioner of Jorhat and Deputy Commissioner Mokokchung made into the incidents of burning and demolition of houses of settlers in Kakodanga Reserve Forest.

Inspite of this, reports of fresh burning of houses of settlers in Kakodanga Reserve Forest have been received by the Govt.

At about 0130 hours on 21st April, 1971, one platoon of Nagaland Armed Police reportedly demolished twenty (20) sheds recently constructed by Chowdang settlers in Kakodanga Reserve Forest. On receipt of information one Assam Police patrol party from Panikheti rushed to the spot by which time Nagaland Armed Police personnel had already left. Nagaland Armed Police is reported to have taken away valuable clothes and other articles and

cash money, total value of which is estimated at Rs. 500/- One Someswar Gogoi, a new settler there, received injuries in the incident and he was sent to Borhola State dispensary for treatment.

Strong protest has been lodged with the Govt. of Nagaland. We have asked the Govt. of Nagaland to take immediate punitive action against the guilty personnel of Nagaland Armed Police and have also demanded immediate return of the looted property. Govt. of India have also been informed of this provocative and illegal action of Nagaland Armed Police personnel. The reply from the Nagaland Govt. is awaited.

Shri Dulal Chandra Barua – What steps have been taken for removal of the said camp ? Whether relief and financial assistance will be gra ted to the affected persons ?

Shri Mahendra Mohan Choudhury – From our side we must give some relief. There is no post at all. The people came there in stray manner under coverage of Nagaland Armed Police. Therefore, when our Police arrived there they didnot find any body. From our side we have given instruction to our Police that every action should be taken to guard the safety of our people.

Shri Dalul Chandra Barua – Sir, if the Chief Minister

had gone there he could see the camp, and he has also seen the camp of the Nagaland Armed Police.

Shri Mahendra Mohan Choudhury—The attach was not from the people of this camp.

Shri Dulal Chandra Barua - The attack was from that camp. One Havildar Seilo was in-charge of the camp and the attack was made under his leadership.

Shri Mahendra Mohan Choudhury – That point is not clear in my report. I shall make enquiry.

Mr. Speaker—The House stands adjourned till 29th April, 1971.

## ADJOURNMENT

The House then rose and stood adjournment till 10 A.M. on 29th April, 1971.

Dated
Shillong the 28th April, 1971.

U. Tahbildar
Secretary,
Assam Legislative Assembly.